# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FOURTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

VOL. XIV
NO. 2

The 10th February, 1976

*Printed at* ASOMI PRINTERS
Industrial Area, Bamunimaidam
Guwahati-21
1989

## CONTENTS


1. Question ... ... ... ... ... 1

2. Re-Resolution ... ... ... ... 29

The House met in the Assembly Chamber, Dispur, Gauhati on Tuesday, the 10th February, 1976 with the Speaker in the chair, 14 (forteen) Ministers, 5 (five) Minister of State, 1 (one) Deputy Minister, 75 (seventy five) Members present.

## STARRED
## QUESTIONS AND ANSWERS
(To which oral answers were given)

Date : 10th February, 1976

### বিঃ জিলা পুনৰ গঠন সমিতিৰ প্ৰতিবেদন

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে ঃ

*১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ জিলা পুনৰ গঠনৰ বাবে পৰামৰ্শ দিবলৈ গঠন কৰা সমিতিয়ে প্ৰতিবেদন দাখিল কৰিলে নে ?

(খ) যদি কৰিছে, সেই প্ৰতিবেদনৰ পৰামৰ্শ অনুসৰি জিলা গঠনৰ কাম কেতিয়া কাৰ্য্যকৰী কৰিব ?

(গ) মঙ্গলদৈ মহকুমাক 'দৰং জিলা' নাম দি নতুন জিলা গঠন কৰা দাবী চৰকাৰে গ্ৰহণ কৰিছে নে ?

(ঘ) যদি কৰিছে, কেতিয়া দৰং জিলা গঠনৰ ঘোষণা কৰিব ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

১। (ক)— হয়।

(খ), (গ), (ঘ)—বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

শ্ৰীলক্ষীকান্ত শইকীয়া :— মুখ্যমন্ত্ৰী মহোদয় জনাবনেকি যে প্ৰতিবেদনত কোন কোন জিলা বা মহকুমাক ইতিমধ্যে জিলা গঠনৰ পৰামৰ্শ দিছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী :— এই কথাটো চৰকাৰে সম্পূৰ্ণভাৱে বিবেচনা নকৰাকৈ এতিয়াই কব পৰা নহব।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— এই প্ৰতিবেদনৰ এ꞉কোটাকৈ কপি মাননীয় সদস্যসকলক দিবনেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—কপি দিব পৰা হ'লে কবও পৰা হ'লহেতেন।

শ্ৰীলক্ষীকান্ত শইকীয়া :— মুখ্য মন্ত্ৰীয়ে খ, গ, ঘ প্ৰশ্নৰ উত্তৰত কৈছে যে বিষয়টো বিবেচনাধীন হৈ আছে। এই কমিটিয়ে বিবেচনা কৰোতে আৰু কিমান দিন লব এইটো কথা ক'ব নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—এই বিষয়টো বিবেচনা কৰিবৰ কাৰণে মন্ত্ৰী সভাৰ এটা সৰু কমিটি গঠন কৰি দিয়া হৈছে। এই কমিটিয়ে বিবেচনা কৰাৰ পিচতহে চৰকাৰে বিবেচনা কৰিব।

শ্ৰীবাহাদুৰ বসুমতাৰী :— জিলা গঠনৰ লগতে মহকুমা গঠনৰ বিষয়টোও আছে-নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— প্ৰশ্নটো এতিয়া সামগ্ৰিকভাৱে বিবেচনা কৰা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— জিলা গঠনৰ প্ৰতিবেদনৰ লগত জিলা সদৰ ঠাই স্থানান্তৰ কৰাৰ কিবা কথা আছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— এই প্ৰশ্ন বিলাক কৰাৰ মূল কথা হৈছে— প্ৰতিবেদনৰ মূল কথাখিনি জানিবলৈ যত্ন কৰা। প্ৰতিবেদনৰ কথাবিলাক এতিয়াই জনাব পৰা নহ'ব।

শ্ৰীমানবেন্দ্ৰ শৰ্মা :— মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে এটা সৰু কমিটি গঠন কৰি দিয়া হৈছে। এই কমিটিয়ে বিবেচনা কৰি থকাৰ কথা কৈছে। মুখ্যমন্ত্ৰী মহোদয়ে জনাব নেকি যে এই কমিটিক সময় বান্ধি দিয়া হৈছে নেকি ?

যদি হৈছে কিমান দিনৰ ভিতৰত প্ৰতিবেদন দিব জনাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— সময় বান্ধি দিয়া হোৱা নাই।

শ্ৰীমতী তৰুলতা বৰা :— অসমত জিলা পুনৰ গঠন কৰাৰ কিমানটা প্ৰস্তাৱ আহিছিল ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— এইটো খবৰ মোৰ হাতত নাই।

Shri Sudarchan Das :— অধ্যক্ষ মহোদয়, কাছাড় জেলা পুনর্গঠন করে আরও দুইখানা জেলা গঠনের প্রস্তাব প্রতিবেদনে আছে কি ?

Shri Sarat Chandra Sinha (Chief Minister) :— মহোদয়, এই প্রশ্নের জবাব আমি আগেও দিয়েছি। নানারকম প্রশ্ন করে এই প্রতিবেদনে যা আছে তা বের করার চেষ্টা না করলে ভাল হয়।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া :— প্ৰতিবেদনখন এটা সৰু কমিটিৰ বিবেচনাধীন হৈ আছে কিন্তু সময় বান্ধি দিয়া নাই। সময় বান্ধি দিয়া সম্পৰ্কত মুখ্যমন্ত্ৰী মহোদয়ে আশ্বাস দিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— সময় বান্ধি দিয়া নাই। সময় বান্ধি নিদিলেও কামবিলাক সোনকালে কৰিবলৈ যত্ন কৰা হৈছে।

শ্ৰীআবদুল ৰহমান চৌধুৰী :— জিলা গঠনৰ কাৰণে টাৰ্মচ বান্ধি দিয়া হৈছেনেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ 'মুখ্যমন্ত্ৰী' :— কমিটিৰ 'টাৰ্মচ এণ্ড ৰেফাৰেন্স' আছেই। তেওঁলোকে সেই মতেই ৰিকমেণ্ড কৰিছে।

শ্ৰীআটাউৰ ৰহমান :— ৰাজধানী কমিটিক সময় বান্ধি দিয়া স্বত্বেও ৰিপৰ্ট পোৱা নাই। সময় বান্ধি নিদিয়াৰ কাৰণে ৰিপৰ্ট নাপাম বুলি ধৰিব পাৰোনেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— সময় বান্ধি দিয়াৰ কাৰণে ৰিপৰ্ট পাওতে পলম হৈছে। সময় বান্ধি নিদিয়াৰ কাৰণেই সোনকালে পাম বুলি ধৰি লৈছো।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— এই কমিটিত কোন কোন সদস্য আছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— স্বাস্থ্যমন্ত্ৰী, পৰিকল্পনা মন্ত্ৰী আৰু পূৰ্ত্ত বিভাগৰ মন্ত্ৰী।

শ্ৰীলক্ষী কান্ত শইকীয়াঃ— মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে সময় বান্ধি দিয়া হোৱা নাই যদিও ৰিপৰ্ট সোনকালে পাম বুলি আশা কৰিছে। মই এইটো কথা অনুৰোধ কৰিব পাৰোনেকি যে মহকুমাৰ অসুবিধাৰ কাৰণে জিলাৰ দাবী কৰা হৈছে। এই অসুবিধাবিলাকলৈ লক্ষ্য ৰাখি অহা ১৫ আগষ্টৰ ভিতৰত ঘোষণা কৰিবলৈ চেষ্টা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)ঃ— ১৫ আগষ্টত ঘোষণা কৰা টান হ'ব।

শ্ৰীমতী তৰুলতা বৰাঃ— এই কমিটিখন এতিয়ালৈকে কেইবাৰ বহিছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)ঃ— কমিটিখন গঠন কৰি দিয়া বেচি দিন হোৱা নাই।

## Re :—Gauhati Medical College

Shri Premadhar Bora asked :

*2. Will the Minister, Health be pleased to state—

(a) Whether Government is aware of the fact that there is no Plastic Surgery Department at Gauhati Medical College Hospital ?

(b) If so, whether Government has any proposal to create a Department of Plastic Surgery at Gauhati Medical College Hospital ?

(c) If the reply to question (b) above be in the affirmative, what steps have been taken by the Government in this regard ?

Shri Girindra Chandra Choudhury, (Minister, Health) replied :

2. (a)—yes.

(b) —It is under active consideration.

(c) Action is being taken to select proper persons for further studies.

Shri Premadhar Bora :– Sir, is it not possible to start this department with whatever instruments that are available in the Gauhati Medical College since all the operations can be performed with the existing instruments in the Gauhati Medical College ?

Shri Girindra Chandra Choudhury, (Minister) :– Sir, it is not the question of instruments, it is the question of technicalities.

Shri Premadhar Bora :—Sir, is it not possible to start this department by appointing an Assistant Professor and is it not possible to get the qualified persons for the post of Professor by promoting Resident Surgeon of Plastic Surgery in the Assam Medical College, Dibrugarh ?

Shri Girindra Chandra Choudhury, (Minister) :—Sir, in 1976 we have arranged for a scholarship for this speciality because it is a specialised subject.

Shri Giasuddin Ahmed :—Sir, in answer to Question (b), the Minister has said that it is under active considera. tion. May I know the nature of that 'active consideration' ?

Shri Girindra Chandra Choudhury, (Minister) :—Sir, we are

very anxious to introduce plastic surgery in the Surgical Department and it is of course already delayed but we have not been able to do so for want of persons willing to take up this plastic surgery training. However, we have since arranged some people to go for special training and one or two have just come up and we are going to send them for specialised training abroad.

Shri Giasuddin Ahmed :—What other concrete steps have been taken in this regard ?

Shri Girindra Chandra Choudhury, (Minister) :—We are arranging persons from Professors and Assistant Professors for Plastic Surgery Department.

Shri Atul Chandra Saikia :—Sir, may I know whether there is any Assistant Professors in the Gauhati Medical College doing this Plastic Surgery ?

Shri Girindra Chandra Choudhury, (Minister) :—They have since expressed their willingness.

Shri Premadhar Bora :—Sir, whether the Government is aware that a Resident Surgeon of Plastic Surgery in the Assam Medical College is obtaining M.S. degree from Patna University ?

Shri Girindra Chandra Choudhury, (Minister) :—In the Assam Medical College there is a Plastic Surgery Department where there is one Assistant Professor and a Register to run a department. If we divert the Assistant professor

here, there will be no Assistant Professor to run the Departments there of no unit will be able to function.

Shri Subhankar Singha :—Sir, does the Minister contemplate to introduce a similar Department at Silchar Medical College also ?

Shri Girindra Chandra Choudhury, (Minister) :—Definitely.

## বি ঃ অসম কৃষি বিশ্ববিদ্যালয়

শ্রীসোনেশ্বৰ বৰাই সুধিছে ঃ

* ৪। মানীনয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম কৃষি বিশ্ববিদ্যালয়লৈ ভাৰতীয় কৃষি গবেষণা পৰিষদে কি কি আঁচনি যোৱা ১৯৭২ চনৰ পৰা বৰ্ত্তমানলৈকে আগবঢ়াইছে ?

(খ) এই আঁচনি সমূহৰ ভিতৰত কোন খনত কি ধৰণৰ সাহাৰ্য্য আৰু মঞ্জুৰী আগবঢ়াইছে ?

(গ) ভাৰতীয় কৃষি গবেষণা পৰিষদে আগবঢ়োৱা এই আঁচনি সমূহৰ কাৰ্য্যকৰণ সম্পূৰ্ণ হ'লনে ?

(ঘ) যদি নাই হোৱা কোন খন আঁচনিৰ কি কাম বাকী আছে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

৪। (ক)—১৯৭২ চনৰ পৰা এতিয়ালৈকে মুঠ ১৪ খন আঁচনি আগ বঢ়াইছে। আঁচনি সমূহৰ তালিকা সদনৰ মেজত দাখিল কৰা হৈছে।

(খ) আঁচনি সমূহৰ বিতং বৰ্ণনা সদনৰ মেজত দাখিল কৰা হৈছে।

(গ)—আঁচনি সমূহৰ কাম এতিয়াও চলি আছে।

(ঘ)—আঁচনি অনুসৰি কামৰ অগ্ৰগতি হৈ আছে।

শ্ৰীসোনেশ্বৰ বৰা :— মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই আঁচনি বিলাক কোন সময়ত শেষ কৰিবলৈ ভাৰতীয় কৃষি গৱেষণা পৰিষদে সময় সীমা বান্ধি দিছিল ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :— এই সকলোবিলাক কথাৰ বাবে সদনৰ মেজত কাগজ দাখিল কৰা হৈছে। তাত কোন কোন বছৰৰ পৰা আৰম্ভ কৰা হ'ব আৰু কোন সময়ৰ ভিতৰত শেষ কৰিব পৰা হ'ব সেইটো দিয়া আছে।

শ্ৰীসোনেশ্বৰ বৰা :— প্ৰশ্নটো হৈছে যে সেই সময় সীমা বান্ধি দিয়া আঁচনি বিলাক কৃতকাৰ্য্য হৈছে নে নাই ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :— অধিকাংশই হোৱা নাই আৰু কিছুমান গৱেষণা চলি আছে।

শ্ৰীগিয়াচুদ্দিন আহমদ :— সদনৰ মজিয়াত দাখিল কৰা কাগজবিলাক সদস্যসকলে চোৱাৰ সুযোগ পোৱা নাই। গতিকে মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি সেইখিনি গাই দিবনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :— মুঠতে বাইশখন আঁচনি আছে গোটেইবিলাক গাই দিয়া টান হ'ব। মোৰ ওচৰলৈ যদি আহে গাই শুনাব পাৰিম।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— কিছুমান সম্পূৰ্ণ হৈছে আৰু কিছুমান সম্পূৰ্ণ হোৱা নাই বুলি মন্ত্ৰী মহোদয়ে কৈছে, কোন কেইখন সম্পূৰ্ণ হৈছে আৰু কোন কেইখন সম্পূৰ্ণ হোৱা নাই মন্ত্ৰী মহোদয়ে কবনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :— দুই তিনিখন ছমহীয়া আঁচনি আছিল যেনে ছয়াবীন স্কীম। এইখন শেষ হৈছে। কোবেজ আৰু টিউবাৰ এই দুখনো শেষ হৈছে। এই বিলাক ছমহীয়া। এই কেইখনৰ বাহিৰে বাকীবিলাক চলি আছে।

শ্ৰীগিয়াচুদ্দিন আহমদ :— বৰ্ত্তমানলৈকে কেইখন সম্পূৰ্ণ হৈছে আৰু কেইখন বাকী আছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :— সম্পূৰ্ণ হোৱা এই কেইখনৰ বাহিৰে বাকীখিনি সম্পূৰ্ণ হোৱা নাই।

শ্ৰীসোনেশ্বৰ বৰা :— এই কথাখিনি যদিও সদনৰ মেজত থৈছে ১১৪ জন সদস্যই এই এখন কাগজত বিচাৰি উলিওৱা কঠিন। গতিকে কি কি আঁচনি লোৱা হৈছিল, কেতিয়া শেষ কৰিবৰ বাবে সময় সীমা বান্ধি দিয়া হৈছিল, কিমান কিমান টকা ধৰা হৈছিল, কিয় সমাধান হোৱা নাই, কি কি অসুবিধা হৈছে এই কথাখিনি সদনৰ অগ্ৰগতিৰ বাবে জনাই দিবনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :— সদনৰ মেজত দিয়া কাগজত আটাইবিলাক কথাই দিয়া হৈছে কিন্তু বাইশখন আঁচনিৰ কথা ইয়াত পঢ়িলে বহুত সময় লব। গতিকে ইয়াৰে কপি একোটাকৈ মাননীয় সদস্যসকলক দি দিম।

শ্ৰীআতোৱাৰ ৰহমান :— মন্ত্ৰী মহোদয়ে কৈছে যে ছয়াবীন আঁচনি কাৰ্য্যকৰী কৰা হৈছে, যদি কাৰ্য্যকৰী হৈছে কৃতকাৰ্য্য হৈছে নে নাই ? আৰু যদি কৃতকাৰ্য্য হৈছে তেন্তে ইয়াৰ সম্প্ৰসাৰণৰ ব্যৱস্থা কৰিছে নে নাই, যিহেতু সম্প্ৰসাৰণ সেৱাও বিশ্ববিদ্যালয়ৰ এটা উদ্দেশ্য।

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :— আঁচনি শেষ হৈছে। কিন্তু প্ৰশ্নত ফলাফলৰ কথা সোধা নাছিল আৰু সেয়ে ফলাফল আমাৰ হাতলৈ অহা নাই। এইটো বেলেগে প্ৰশ্ন সুধিলে কব পাৰিম।

শ্ৰীপ্ৰেমধৰ বৰা :— এই চৈধ্যখন আঁচনিত কিমান টকা ধৰা হৈছিল ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :— বিয়াল্লিশ লাখ টকা।

শ্ৰীগিয়াচুদ্দিন আহমদ :— ছয়াবীন আঁচনিত কি কি আছে, কি কৰা হয় কিবা খবৰ মন্ত্ৰী মহোদয়ে দিব পাৰিবনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :— এইটো বিতং খবৰ মোৰ হাতত নাই।

## Re : Lady Receptionists

Shri MAL CHANDRA PEGU :—

*5. Will the Chief Minister be pleased to state—

(a) Total number of Lady receptionists proposed to be appointed for the Janata Bhavan at Dispur ?

(b) What are the Communities from which lady receptionists are going to be recruited ?

(c) What are the requisite qualifications for the posts of lady receptionists ?

(d) How many lady receptionists have been appointed so far and to what communities do they belong to ?

Shri SARAT CHANDRA SINHA (Chief Minister) :—

5. (a)—Six.

(b)—Recruitment will be made from the cross section of our population with representation from Hills District and Tribal and Minority Communities of the Plains Districts.

(c)—Graduate for Senior Grade and others for Junior Grade.

(d)—Four Lokakanyas have been appointed, two of them belong to Scheduled Tribe(Plains), one—other Backward Community and the other—Caste Hindu.

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া : – মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই লেডি ৰিচিপচনিষ্ট নিয়োগৰ ক্ষেত্ৰত সৌন্দৰ্য্যৰ কিবা গুৰুত্ব দিয়া হয় নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :– মানুহ মাত্ৰেই সুন্দৰ।

Shri Giasuddin Ahmed—Are these posts reserved for ladies only ? Rr whether this is the result of the International women's year ?

Shri Sarat Chandra Sinha (Chief Minister):—Sir, it is expected that the nature of the duties to be performed by the Receptionists can be better performed by ladies.

Re : Supply of Diets

Shri PITSING KONWAR :— asked

*6. Will the Minister, Health be pleased to state—

(a) The number of Primary Health Centres running in the State of Assam ?

(b) Whether it is fact that the Government have stopped supply of diets to the patients undergoing treatment in the Primary Health Centres ?

(c) If so, reasons there of ?

(d) Whether Government is aware that due to non-supply of diets from the PHU, the condition of patients deteriorates ?

(e) If so, whether Government purpose to supply diets to the patients ?

Shri GIRINDRA CHANDRA CHOUDHURY (Minister, Health) :— replied

6.(a) 142.

(b)—Yes.

(c)—Ordinarily a Primary Health Centre has only 6 beds. Due to small number of beds, no caterer is willing to undertake any contract for supply of dietary articles to the Primary Health Centres. Therefore, supply of diet to

inpatient in Primary Health Centres has been stopped since September 1975, for a period of 6 months.

(d)—No. However, it is found that the utilisation of beds in the PHC.s has decreased after stoppage of diet.

(e)—The matter is under review.

Shri Pitsing konwar :— Will the Minister be pleased to let us know the number of indoor patients now receiving treatment in all these Primary Health Centres in Assam ?

Shri Girindra Chandra Choudhury (Minister, Health):— I have already explained that there are 142 Primary Health Centres in the State and that ordinarily, in each Primary Health Centre there are six beds. But the number of beds in each and every Primary Health Centre is not the same. In some there are a few more beds and in some others a few less. But as far as my information goes, the total number is near about 200.

Shri Pitsing konwar :—Will the Minister be pleased to let us know whether some Primary Health Centres have caterers and they are directly supplying food to the indoor patinets. If it is so, then why the Government have stopped supply of diets to the indoor patients of these Primary Health Centres ?

Shri Girindra Chandra Choudhury (Minister, Health):— It is rather a delicate question to answer. I have information and also personal knowledge about mis-utilisation of the entire fund ear-marked for this purpose, and therefore we are going to set up a machinery for giving

better dietary facilities to the indoor-patients. So I am keeping the existing practice of supplying diets in abeyance for six months so that the entire matter can be thoroughly reviewed and a better machinery set up for the purpose.

Shri Pitsing konwar:— Is it a fact that the medical authorites in some Primary Health Centres have refused to receive patients for treatment in the dispensaries for non-supply of food ?

Shri Girindra Chandra Choudhury (Minister, Health):— I have no information about that.

Shri Pitsing konwar :—Whether Government is aware that some leading people of Barabhujia Village submitted a representation to this effect that the medical authority of that Primary Health Centre had refused to admit patients in the dispensary because of non-supply of food in the dispensary ?

Shri Girindra Chandra Choudhury (Minister, Health):— I have not received any representation to this effect from the public but I remember to have received some complaints from some doctors that there were no patients in the dispensaries for non-supply of diet. Any way, I will look into the matter and take necessary action.

শ্রীআতাউৰ ৰহমান ঃ— নতুনকৈ ব্যৱস্থা প্ৰবৰ্ত্তন কৰি কেতিয়াৰ পৰা এই 'দায়েত' নিয়মিয়াকৈ দিব পৰা হ'ব বুলি মন্ত্ৰী মহোদয়ে ভাবিছে এই বিষয়ে জনাবনে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :— আমি এতিয়া ভাবিছো 'ওৱান প্লাচ ওৱান' কৰিম নে, নে 'ওৱান প্লাচ টু' কৰিম নে, 'টু দিভাইদেদ বাই ওৱান', নে টু কৰিম, এইটো আমি যিমান সোনকালে কৰিব পাৰো সিমানেই ভাল। অৱশ্যে মাৰ্চ মাহৰ শেষৰ ফালে এই মেচিনাৰীটো আমি সম্পূৰ্ণ কৰিব পাৰিম বুলি ভাবিছো আৰু তেতিয়াই এই কাম সম্পূৰ্ণ কৰিব পৰা হ'ব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী : এই যে ১৪২ টা 'প্ৰাইমাৰী হেল্থ চেণ্টাৰ' চলি আছে কত কিমান টাই ফাংশ্যন কৰি আছে আৰু ক'ত ক'ত নাই সেই বিষয়ে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :— সেইটো বেলেগ প্ৰশ্ন।

শ্ৰীমানবেন্দ্ৰ শৰ্মা :— এই যে 'প্ৰাইমাৰী হেল্থ ইউনিট' বিলাকত দায়েত ৬ মাহৰ কাৰণে চাপলাই বন্ধ কৰা হৈছে ফলত এই ইউনিট বিলাকত বিছনাৰ ব্যৱহাৰ কমি গৈছে। গতিকে তেনে ক্ষেত্ৰত এই মিচইউচ হোৱাৰ কাৰণে হেল্থ চেণ্টাৰবিলাকৰ বিষয়ববীয়াৰ ওপৰত কিবা ব্যৱস্থা লোৱা হৈছে নে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :— তদন্ত কৰা হৈছে।

শ্ৰীমানবেন্দ্ৰ শৰ্মা :— মন্ত্ৰী মহোদয়ে পৰিপূৰক প্ৰশ্নৰ উত্তৰত কৈছে যে এই ৬ মাহৰ সময়ৰ কাৰণে নতুন ব্যৱস্থা লোৱা হৈছে, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে এই যি নতুন ব্যৱস্থা লোৱা হ'ব সেইটো কেনে ধৰণৰ ব্যৱস্থা লোৱা হ'ব সেই বিষয়ে জনাবনে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :— প্ৰত্যেক প্ৰাইমাৰী চেণ্টাৰবিলাকত যত বিছনা আছে তাত ৰাজ্যিক ক্ষমতা দিয়া হ'ব আৰু তাত থকা কৰ্মচাৰী আৰু বিষয়াই এই দায়িত্ব লব।

শ্ৰীআব্দুল হান্নান চৌধুৰী :— মন্ত্ৰী মহোদয়ে কৈছে যে ১৪২ খন প্ৰাইমাৰী হেল্থ চেণ্টাৰ আছে, মই জানিব পাৰোনে কোন মহকুমাত কিমান আছে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :— সেইটো বেলেগ প্ৰশ্ন।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— ৬ মাহৰ কাৰণে খাদ্য যোগান বন্ধ কৰা হৈছে। এই

৬ মাহত অইন কোনো ব্যৱস্থা নোলোৱা পৰ্য্যন্ত তাত ৰোগী ভৰ্ত্তি কৰাৰ ব্যৱস্থা কেনে ধৰণৰ হ'ব ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :— অভিজ্ঞতাৰ পৰা দেখা যায় যিসকল বিছনালৈ আহে তেওঁলোকৰ সাধাৰণতে খোৱাৰ অৱস্থা নাথাকে কিন্তু এতিয়া দেখা গৈছে যে যিসকলৰ নিতান্তই খাব পৰা অৱস্থা আছে তেওঁলোকেই আহে।

শ্ৰীসোনেশ্বৰ বৰা :— মন্ত্ৰী মহোদয়ৰ কথাৰ পৰা এইটো জানিব পাৰোনে যে ৰোগীবিলাক হস্পিতাললৈ মৰিবলৈহে আহে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :— মৰিবলৈ নাহে।

শ্ৰীসোনেশ্বৰ বৰা : গতিকে এই ৰুগীবিলাকক হস্পিতালত ভৰ্ত্তি কৰোতে তাত যাতে তেওঁলোকক ভালদৰে সেৱা-শুশ্ৰূষা কৰি নমৰিবৰ কাৰণে ব্যৱস্থা কৰিব নে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী : তেনে ধৰণৰেই ব্যৱস্থা কৰা হৈছে।

Shri Charan Narzari :— May I know how many of these Primary Health Centres are equipped with qualified doctors and how many are equipped with pharmacists and how many are running without doctors or even pharmacists ?

Shri Girindra Chandra Choudhury (Minister, Health) :— Sir, this is a separate question.

Mr. Speaker :— Yes, this is a separate question. Now question No. 7-Shri Saikia.

## বি : মহকুমা পৰিষদ

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই :— সুধিছে

*৭। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

[ক] অসমৰ মহকুমা পৰিষদ সমূহক নতুন পঞ্চায়ত আইন অনুসৰি কি কি কামৰ দায়িত্ব দিয়া হৈছে ?

(খ) এই দায়িত্ব পালন কৰিবলৈ মহকুমা পৰিষদ সমূহক চৰকাৰে কিমান টকাৰ ভাগ আৰু অনুদান দিছে ?

(গ) এই টকাবোৰ ঠিকমতে ব্যয় কৰা হৈছে নে নাই, তাক চাবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

**শ্ৰীচৈয়দ আহমেদ আলী** (পঞ্চায়ত বিভাগৰ মন্ত্ৰী):— য়ে উত্তৰ দিছে

৭। [ক]—১৯৭২ চনৰ অসম পঞ্চায়তী ৰাজ আইনৰ ৩৬ ধাৰাত মহকুমা পৰিষদৰ কৰ্ত্তব্য ও কাৰ্য্যাৱলী নিৰ্দ্ধাৰণ কৰি দিয়া হৈছে। তাৰোপৰি, চৰকাৰেও ৰেচম ও বয়ন বিভাগ, ঔদ্যোগিক বিভাগ, স্বাস্থ্য বিভাগ, পঞ্চায়ত ও সমূহীয়া উন্নয়ন আৰু গড়কাপ্তানী বিভাগৰ কিছুমান আঁচনি মহকুমা পৰিষদলৈ উক্ত আইনৰ ৩৭ ধাৰা মতে হস্তান্তৰ কৰিছে।

(খ) ১৯৭৫-৭৬ চনৰ বাবে চৰকাৰে মহকুমা পৰিষদলৈ তলত দিয়া মতে পুঁজিৰ যোগান ধৰিছে—

মহকুমা পৰিষদলৈ হস্তান্তৰিত আঁচনিৰ বাবে সৰ্বমুঠ ৮০,১৯,৮২৬·০৮ টকা ভূমি ৰাজহ আৰু স্থানীয় কৰৰ পৰা সাধাৰণ অনুদান সৰ্বমুঠ--৫৪,০৯,৮২৯·৮৫ টকা।

মহকুমা পৰিষদে ইয়াৰ উপৰিও পৰিষদৰ সম্পদৰপৰা পুঁজিৰ যোগান ধৰিব লাগে।

(গ) স্থানীয় হিচাপৰক্ষক আৰু মহাগাণনিকে মহকুমা পৰিষদৰ হিচাপ পৰীক্ষা কৰে। বিভিন্ন প্ৰশাসনীয় বিভাগেও এই বিষয়ত তদাৰক আৰু পৰ্য্যবেক্ষণ আদি কৰে।

শ্ৰীলক্ষীকান্ত শইকীয়া:— মন্ত্ৰী মহোদয় উল্লেখ কৰা মতে যিকেইটা বিভাগৰ কাম মহকুমা পৰিষদক দিয়া হৈছে সেই বিভাগৰ কামৰ লগত বিষয়াকো হস্তান্তৰ কৰা হৈছে নেকি ?

শ্ৰীচৈয়দ আহমদ আলী (মন্ত্ৰী):— সংলিষ্ট বিষয়াসকলক মহকুমা পৰিষদৰ কাম দিয়া হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়াঃ— (গ) প্ৰশ্নৰ উত্তৰত কৈছে যে বিভাগীয় কামৰ যোগেদি টকা পইচা খৰচ কৰা সম্পৰ্কত চোৱাচিটা হৈ আছে। মন্ত্ৰী মহোদয়ে জানে নে যে এই টকা-পইচা খৰচ কৰাৰ ক্ষেত্ৰত কোনো নিয়ম শৃংখলা অৱলম্বন কৰা হোৱা নাই?

শ্ৰীচৈয়দ আহমদ আলী (মন্ত্ৰী)ঃ— নিৰ্দ্দিষ্ট কোনো মহকুমা পৰিষদৰ নাম জনালে তাক তদন্ত কৰা হ'ব।

শ্ৰীগিয়াচুদ্দিন আহমেদঃ— (ক) প্ৰশ্নৰ উত্তৰ স্পষ্ট হোৱা নাই যেন অনুমান হয়। কিয়নো পঞ্চায়ত আইন অনুসৰি ৩৬ ধাৰা মতে কি কি কাম পঞ্চায়তে কৰিব লাগে সেই বিষয়ে উল্লেখ থাকিলেও ইয়াত গোটেই বিলাক কথা দিয়া হোৱা নাই আৰু সেই কাৰণে ইয়াত খেলি-মেলিৰ সৃষ্টি হৈছে। গতিকে প্ৰশ্নটোৰ উত্তৰ পৰিষ্কাৰ ভাৱে দিব লাগে। যাতে কি কি বিভাগৰ দায়িত্ব সম্পূৰ্ণৰূপে পঞ্চায়তৰ ওপৰত অৰ্পণ কৰা হৈছে।

শ্ৰীচৈয়দ আহমেদ আলী (মন্ত্ৰী)ঃ— আইন অনুসৰি ৩৬ ধাৰা মতে মহকুমা পৰিষদে কি কি কাম কৰিব পাৰে তাৰ বিৱৰণী দিয়া আছে। গতিকে চৰকাৰে সেই ধাৰা মতে কি আঁচনি হাতত লয় সেই বিষয়ে প্ৰশ্ন নুঠে। কিন্তু আইনৰ ৩৭ ধাৰা মতে চৰকাৰৰ অইন অইন বিভাগ যেনে ইনচটিটিউচন ডেভেলোপমেণ্ট ইত্যাদিৰ কাম দিব পাৰে। সেইটো চৰকাৰে সেই বিভাগৰ যদি বিবেচনা কৰে তেতিয়াহ'লে সেইটো তাত ট্ৰেন্সফাৰ কৰি দিয়ে। ৩৭ ধাৰা মতে কিছুমান বিভাগৰ কাম দিয়া হৈছে, সেই মই খ প্ৰশ্নৰ উত্তৰত কৈছো।

শ্ৰীগিয়াচুদ্দিন আহমেদঃ— ৩৬ ধাৰা মতে যিবিলাক গড়কাপ্তানী, শিক্ষাবিভাগ, কিছুমান কথা কোৱা হৈছে কিন্তু তেনে ক্ষেত্ৰত সেই বিভাগবিলাকৰ ওপৰত চৰকাৰৰ আৰু মহকুমা পৰিষদৰ কিমানখিনি দায়িত্ব থাকিব এই সম্পৰ্কে এটা স্পষ্ট নীতি নহ'লে কামত অসুবিধা হব পাৰে। গতিকে এই বিলাক কথাৰ প্ৰতি চৰকাৰৰ স্পষ্ট নিৰ্দেশ আছে নে নাই?

শ্ৰীচৈয়দ আহমেদ আলী (মন্ত্ৰী)ঃ— এইবিলাক বিষয়ে নিৰ্দেশ দিয়াৰ বিশেষ

প্ৰয়োজন নাই। যেনে গড়কাপ্তানী বিভাগত ঘৰ বন্ধা ইত্যাদি কথা আছে। মহকুমা পৰিষদে নিজৰ পুঁজি বা ধনেৰেহে ৰাস্তা বান্ধিব পাৰে। তাত চৰকাৰৰ বিশেষ প্ৰশ্ন নুঠে। কিন্তু যদি ৫০ হাজাৰ টকাৰ ওপৰত ৰাস্তা বন্ধোৱা কামত বা ঘৰ বনোৱা কামত খৰচ কৰিবলগীয়া হয় তেতিয়াহ'লে গড়কাপ্তানী বিভাগৰ সংলিষ্ট যি কৰ্মচাৰী তেওঁলোকৰ অনুমোদন লব লাগে। মহকুমা পৰিষদৰ নিজৰ পুঁজিৰে ৰাস্তা বান্ধিব পাৰে তাত বাধা নাই।

শ্ৰীগিয়াচুদ্দিন আহমেদঃ— মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা প্ৰশ্ন মোৰ সুধিবলগীয়া আছে। বোধকৰো পঞ্চায়ত আইনৰ ৩৪ ধাৰাতো এইটো আছে। ইয়াৰ আগতে প্ৰাইমেৰী শিক্ষাৰ ক্ষেত্ৰত 'ৰেজিয়নেল বৰ্ডে' চলাইছিল। এতিয়া চৰকাৰে চলাইছে। এই ক্ষেত্ৰত মহকুমা পৰিষদ বিলাকে প্ৰাইমাৰী শিক্ষাৰ ক্ষেত্ৰত কি কাম কৰিব সেইবিষয়ে এটা গোলমলিয়া অৱস্থাৰ সৃষ্টি হৈছে যেন পাইছো। গতিকে এই সম্পৰ্কে চৰকাৰে কি নীতি নিৰ্দ্ধাৰণ কৰিছে ?

শ্ৰীচৈয়দ আহমেদ আলী (মন্ত্ৰী):— যিকোনো স্কুলকে চৰকাৰে সজাই নিদিয়ে। প্ৰথমতে ৰাইজেই সেইটো কৰে। তাৰ পিছত ৰাইজে চৰকাৰৰ ওচৰত তাৰ অনুমোদনৰ কাৰণে নিবেদন জনায়। পঞ্চায়ত আইনৰ ৩৫ ধাৰাত এই শিক্ষাৰ কথাটো আছে। গাওঁ-পঞ্চায়তসমূহে হাইয়াৰ চেকেণ্ডেৰী স্কুললৈকে বনাব পাৰে, সাজিব পাৰে। 'মেইণ্টেনো' কৰিব পাৰে। সেইদৰে প্ৰাইমেৰী স্কুলো মহকুমা পৰিষদে কৰিব পাৰে। তেনেকৈ যিবিলাক প্ৰাইমেৰী স্কুল আৰু 'নন-গভৰ্ণমেণ্টেল' অনুষ্ঠান আছে সেইবিলাকেও অৰ্থ সহায়কৰণ আদিৰ কাৰণে চৰকাৰৰ ওচৰত নিবেদন আদি কৰি আছে। সেইদৰে যদি মহকুমা পৰিষদে যদি কোনো স্কুল সাজিব খোজে তেতিয়া-হ'লে, সেই স্কুল বিলাকে চৰকাৰৰ ওচৰত অনুমোদন বিচাৰিব লাগিব। 'মিউনিচিপেলাটিয়ে'ও নিজেই কিছুমান স্কুল মেইণ্টেইন কৰে।

শ্ৰীপ্ৰেমধৰ বৰাঃ— মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন উন্নয়ণমূলক কামৰ কাৰণে যিবিলাক টকা দিয়া হয় সেইবিলাক তেনেই তাকৰীয়া। তাৰে সৰহসংখ্যক

টকাকেই মহকুমা পৰিষদৰ নীতি-নিয়ম অনুশাসন ভঙ্গকৰি টি, এ, ডি, এ, আদিত খৰছ কৰে। এই সম্পৰ্কে চৰকাৰে কি ভাবিছে?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী);— এই বিলাক গোচৰ পাইছো আৰু আইন মতে তাৰ প্ৰতিবিধান কৰা হ'ব।

শ্ৰীআতাউৰ ৰহমানঃ— (ক) প্ৰশ্নোত্তৰত আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে যি কথা কৈছে সেইখিনি পালন কৰিবৰ কাৰণে কি কাৰিকৰী সাহাৰ্য্য দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিছে? এক হেজাৰ টকাৰ ওপৰত 'এস্টিমেট' হ'লে মহকুমা পৰিষদ বিলাকে 'একজিকিউটিভ্ ইঞ্জিনিয়াৰ'ৰ পৰা অনুমোদন লব লাগে। কিন্তু গৰকাপ্তানী বিভাগটো মহকুমা পৰিষদৰ তলত নোহোৱাৰ কাৰণে আৰু ব্লকৰ ওভাৰচিয়াৰ বিলাকো গড়কাপ্তানী বিভাগৰ নিয়ন্ত্ৰনাধীনত থকাত বহুত সময়ত অৰ্ডিনেন্স'ৰ অভাৱ পৰিলক্ষিত হয়। সেইটো দূৰীকৰণৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থাৰ কথা চিন্তা কৰিছেনে? কিয়নো ফলত বহুত সময়ত মহকুমা পৰিষদক দিয়া টকা বিলাক খৰছ নহৈ এনেয়ে পৰি থাকে।

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী)ঃ— টকাবিলাক এনেয়ে পৰি থকাটো নহয়। কাম হৈছে। কিন্তু কিছুমান অসুবিধাৰ কাৰণে কিছু লেহেম গতিত হৈছে। মাননীয় সদস্যজনে যিটো পইণ্ট ৰেইজ কৰিছে যে, এক হেজাৰ টকাৰ ওপৰৰ এষ্টিমেট হ'লেই এক্জিকিউটিভ ইঞ্জিনিয়াৰৰ পৰা অনুমোদন ল'ব লাগে সেইটো নোহোৱা কৰিবৰ কাৰণে ভবা হৈছে। পৰিবৰ্ত্তন অনাৰ কাৰণে পঞ্চায়তী আইনত তাৰ ব্যৱস্থা কৰিম। ইতিমধ্যেই মহকুমা পৰিষদৰ পৰা অনুমোদনৰ কাৰণে কিবা এষ্টিমেট আহিলে সেইটো সোনকালেই পাছ কৰি পঠিয়াবৰ ব্যৱস্থা কৰিবলৈ চাৰ্কোলাৰ যোগে 'এক্জিকিউটিভ ইঞ্জিনিয়াৰ' সকললৈ নিৰ্দেশ দিয়াৰ কাৰণে P. W. D ক অনুৰোধ কৰা হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়াঃ—মহকুমা পৰিষদ বিলাকত কাৰীকৰী বিষয়া নথকাৰ কাৰণে একো কাম নকৰাকৈয়ে নিজেই আঁচনি কৰি নিজেই বিল পাছ কৰি টকা পইছা বিলাক খৰছ কৰি থকা কথাটো চৰকাৰে জানেনে আৰু যদি জানে তাৰ প্ৰতিবিধানৰ কাৰণে কি ব্যৱস্থাৰ কথা চৰকাৰে ভাবিছে?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) :— সেইটো চৰকাৰে কৰ নোৱাৰে। ব্লক লেভেলত কাৰিকৰী বিষয়া নথকা নহয়। যেনে— কৃষি বিভাগত কৃষি সম্প্ৰসাৰণ বিষয়া, উদ্যোগ বিভাগত উদ্যোগ সম্প্ৰসাৰণ বিষয়া আদি। তেওঁলোকৰ পৰা তেনেকুৱা কথা আমি গম পোৱা নাই। কিন্তু আমাক জনালে তাৰ ব্যৱস্থা কৰিম।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :— কেতিয়াৰ পৰা কিমান চনৰ কিমান কাম দিলে সেইটো মন্ত্ৰী মহোদয়ে আমাক জনাবনে ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) :— যোৱা বছৰ দিয়া হৈছে। গাই দিব পাৰি কিন্তু সময় লাগিব।

মাননীয় অধ্যক্ষ :—লম্বানেকি ?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) :—সময় বহুত আছে।

মাননীয় অধ্যক্ষ : 'কুৱেশ্যেনো' বহুত আছে।

Shri Syed Ahmed Ali (Minister) : –List of schemes/Institutions so far transferred to M. P. S :

## INDUSTRIES

(1) Pilot project (2) Training Institute (3) Service workshop (4) Cluster type training centre, (5) Training-cum-Production centre, (6) Grants in Aid/Subsidies and (7) Scholarship and Stipends.

## VETERINARY

(1) Distribution of Goat and subsidies rate, (2) Distribution of poultry at subsidised of rate, (3) Distribution of Pig trios (4) Strengthening of L. B. Veterinary Dispensaries, (5) Establishment of Veterinary Dispensaries (6) Establishment of First Aid Centre, (7) Continuation of First Aid Centre,

(8) Continuation of Veterinary Dispensaries (9) Continuation of a post of S. D. V. O. with office staff and (10) Scheme for creation of the post of S. D. V. O. with office staff.

## SERICULTURE AND WEAVING

(1) Eri Concentration centre (2) Village Grazing Reserve (3) Collective Mulberry garden (4) Weaving training class and (5) Weavers extension service unit.

## HEALTH DEPARTMENT

(1) Hand tube well.

## HEALTH & F. P. DEPARTMENT

(1) State Dispensary. (2) Sub-Centre (3) M. C. W. Centre (4) Grants in-Aid to Allopethic and Ayurvedic Subsidised Dispensaries.

ইয়াৰ লগত যিবিলাক বিষয়াৰ কথা আছে তাৰ দিঘলীয়া লিষ্ট আছে। সেইবিলাক পঢ়িলে সময় এঘণ্টামান লাগিব। ইয়াৰ লগতে বিভাগীয় টকাখিনিও দিয়া হৈছে আৰু মহকুমা পৰিষদলৈ বিভাগীয় কৰ্ম্মচাৰিও বদলি কৰি দিয়া হৈছে।

শ্ৰীহাচিবুদ্দিন আহমেদ :— মাননীয় মন্ত্ৰী মহোদয়ে (ক) প্ৰশ্নোত্তৰত যিবিলাক উত্তৰ দিছে তাত আমি পতিয়ন যাব পৰা নাই। খৰছ নোহোৱা টকাবিলাকৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে?

শ্ৰীচৈয়দ আহমেদ আলি (মন্ত্ৰী) :— মই (গ) প্ৰশ্নোত্তৰত কৈছোৱেই।

শ্ৰীহাচিবুদ্দিন আহমেদ :— মন্ত্ৰী মহোদয়ৰ উত্তৰত আমি পতিয়ন যাব পৰা নাই। দিয়া টকা বিলাকৰ ক্ষেত্ৰত বিভিন্ন বিভাগৰ প্ৰশাসনীয় বিষয়াসকলে তদাৰক কৰে।

শ্রীসোনেশ্বৰ বৰা ঃ— মাননীয় সদস্য গৰাকীয়ে কৈছে যে তেখেতে এই প্ৰশ্নৰ উত্তৰত পতিয়ন যাব পৰা নাই অৰ্থাৎ যিখিনি কৰা হৈছে সেই কামখিনিৰ ওপৰত সন্তুষ্ট হ'ব পৰা নাই গতিকে সেইখিনিকো চাবলৈ আৰু কিবা উপায় কৰিব নেকি ?

শ্ৰীচৈয়দ আহমদে আলী ( মন্ত্ৰী ) ঃ— সেইটো চিন্তা কৰিম।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী ঃ— মন্ত্ৰী মহোদয়ে কৈছে যে পঞ্চায়ত আইনত যি যি কাম কৰিবলৈ দায়িত্ব দিয়া হৈছে তাৰ ওপৰিও তেওঁলোকে নিজৰ পুঁজিৰ পৰাও কাম কৰিব পাৰে কিন্তু টকা পইচা আদায়ৰ কাৰণে ইতিমধ্যে কিছুমান মহকুমা পৰিষদে মহকুমা পৰিষদৰ সমৰ্থন নোহোৱাকৈ কৰ আদায়ৰ ব্যৱস্থা কৰাত ৰাইজে আপত্তি কৰিছে। এনে ক্ষমতা আইনত আছে নেকি ? মই নিজে জানো ধুবুৰী মহকুমাত মহকুমা পৰিষদে অন্যান্য সদস্য সকলৰ সমৰ্থন নলোৱাকৈ হাউচ টেক্স আদায় কৰাৰ ব্যৱস্থা কৰিছে অথচ আদায়ো হোৱা নাই। মহকুমা পৰিষদ বিষয়াক এনে দায়িত্ব বা ক্ষমতা চৰকাৰে দিছে নেকি ?

শ্ৰীচৈয়দ আহমদ আলী (মন্ত্ৰী)ঃ— আইনখনত কিছুমান কৰ আদায় কৰাৰ ক্ষমতা দিয়া হৈছে মহকুমা পৰিষদ বা গাওঁ পঞ্চায়ত বিলাকক— যেনে হাউচ টেক্স, চাইকেল টেক্স, ৰিক্সা টেক্স ইত্যাদি। এই কৰ বিলাক আদায়ৰ কাৰণে মহকুমা পৰিষদ বিলাকে নিজে 'বাই লজ' কৰিব আৰু 'বাই লজ' বিলাক চৰকাৰে অনুমোদন কৰাৰ পাচত তেওঁলোকে সেইমতে কৰ আদায় কৰিব। কোনো মহকুমা পৰিষদত যদি ইয়াৰ ব্যতিক্ৰম হৈছে তেনেহ'লে মাননীয় সদস্য গৰাকীয়ে মোক জনালে মই তাৰ তনন্ত কৰিম।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী ঃ— মই নিজে ধুবুৰী মহকুমাৰ কথা উল্লেখ কৰিছো। তেওঁলোকে 'বাই লজ' কৰিছে নাই নাজানো কিন্তু মহকুমা পৰিষদৰ আন আন সদস্য সকলো একো নজনাকৈয়ে কৰ আদায়ৰ ব্যৱস্থা কৰা হৈছে বিশেষকৈ ৩ বছৰ আগৰ পৰা হাউচ টেক্স দিয়াৰ কাৰণে নোটিশ জাৰি কৰিছে।

শ্ৰীচৈয়দ আহমদ আলী (মন্ত্ৰী)ঃ— এই বিষয়ে মই তদন্ত কৰিম।

## বিঃ আয়ুৰ্ব্বেদিক চিকিৎসা শাখা

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :—

*৮। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাজ্যখনৰ ,হেল্‌থ ইউনিত' কিছুমানত (চিকিৎসালয়) আয়ুৰ্ব্বেদিক চিকিৎসা শাখা খোলাৰ ব্যৱস্থা কৰা হৈছে নেকি ?

(খ) যদি কৰা হৈছে, চলিত বছৰত কিমানখন 'হেল্‌থ ইউনিট' খোলা হ'ব ?

(গ) এনে আয়ুৰ্ব্বেদিক চিকিৎসা শাখা খোলাৰ আঁচনিৰ ভিতৰত গোলাঘাটৰ কমাৰবন্ধা 'হেল্‌থ ইউনিট'খনো আঁচনিভুক্ত হৈছে নেকি ?

ডাঃ সুৰেন্দ্ৰ নাথ দাস (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) :—য়ে উত্তৰ দিছে

৮। (ক) কৰা হোৱা নাই

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীসোনেশ্বৰ বৰা :— অধ্যক্ষ মহোদয় আয়ুৰ্বেদিক চিকিৎসা ব্যৱস্থা চিভিল হস্পিতলৈ বা জিলা স্বাস্থ্যালয় বিলাকত আছে সাধাৰনতে এই হস্পিটল বিলাক নগৰত থাকে কিন্তু গাওঁ অঞ্চলৰ ৰাইজৰ উপকাৰৰ অৰ্থে গাওঁ অঞ্চলত থকা ইউনিট বা ব্লক পৰ্য্যায়ৰ হস্পিটল বিলাকত যাতে ৰাইজে কম পইছাত ভাল চিকিৎসা পায় তাৰ বাবে হেলথ চেন্টাৰ বিলাকত আয়ুৰবেদিক চিকিৎসা দিয়াৰ আচনি চৰকাৰে লব নে ?

ডাঃ সুৰেণ দাস (ৰাজ্যিক মন্ত্ৰী) :— আৰ্থিক দিশৰ পৰা চাই এই কথা চিন্তা কৰা হোৱা নাই।

শ্ৰীসোনেশ্বৰ বৰা :— প্ৰশ্নটো আৰ্থিক দিশলৈ নহয় চিকিৎসা লৈয়ে কৰা হৈছে। গাওঁ অঞ্চলৰ ৰাইজে যাতে কম পইছাত ভাল চিকিৎসা পাব পাৰে আৰু এই ব্যৱস্থা যিহেতু নগৰ অঞ্চলত আছেই আৰু আমাৰ

উদ্দেশ্য গাওঁ অঞ্চলৰ দুখীয়া ৰাইজৰ উপকাৰ কৰা তেনে ক্ষেত্ৰত গাওঁৰ 'হেলথ ইউনিট' বিলাকত এই চিকিৎসাৰ ব্যৱস্থা কৰিব নে ?

ডাঃ সুৰেণ দাস ৰাজিক মন্ত্ৰী ঃ— আমাৰ ৰাজ্যত এতিয়াও কিছুমান এনে অঞ্চল আছে যিবিলাক অঞ্চলত জনসংখ্যা অনুপাতে এলোপ্যাথিক চিকিৎসাৰ ব্যৱস্থাই কৰিব পৰা নাই গতিকে আকৌ আয়ুৰ্ব্বেদিক চিকিৎসাৰ চিন্তা কৰা নাই।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ এলোপ্যাথিকৰ লগতে বা হোমিও আয়ুৰ্ব্বেদিক চিকিৎসাৰ প্ৰচলন কৰাটো যুক্তিসংগত নহয় নে ?

ডাঃ সুৰেণ দাস ( ৰাজিক মন্ত্ৰী):— অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত ১৬খন চিভিল হস্পিটলত আয়ুৰ্ব্বেদিক চিকিৎসা আছে আৰু ৬৪ খন সাহাৰ্য্য প্ৰাপ্ত আয়ুৰ্ব্বেদিক চিকিৎসা আছে কিন্তু সেইবিলাক ঠাইতে এলোপ্যেথিক চিকিৎসা লাগে বুলি ৰাইজে দাবী কৰি আছে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী:— এইটো মন্ত্ৰী মহোদয় চাৰ্ভে কৰি চাইছে নেকি যে অসমত কিমান মানুহে কবিৰাজী আৰু কিমান মানুহে এলোপ্যেথিক চিকিৎসা লয় ?

ডঃ সুৰেণ দাস (ৰাজ্যিক মন্ত্ৰী ): - সেইটো নকৰিলেও বুজা যায় যে এলোপ্যেথিকত ৰাইজৰ মন বেছি।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :— ইয়াৰ কিবা হিচাব চৰকাৰৰ হাতত আছে নেকি

ডাঃ সুৰেণ দাস (ৰাজ্যিক মন্ত্ৰী):— তেনেকুৱা হিচাব নাই।

শ্ৰীআতাউৰ ৰহমান :— পৰিপূৰক প্ৰশ্ন কেইটা মই আন্তৰিকতাৰে শুনিলো। বহুত সময়ত দেখা যায় হোমিও বা এলোপেথিকৰ দ্বাৰা বেমাৰী ভাল নহয় আখুৰী চিকিৎসাৰ দ্বাৰাহে ভাল হয় গতিকে আখুৰী চিকিৎসাৰ ব্যৱস্থা চৰকাৰে কিবা কৰিছে নেকি ?

ডা: সুৰেণ দাস (ৰাজ্যিক মন্ত্ৰী) :— কেন্দ্ৰীয় চৰকাৰে এইটো মাজে মাজে বিবেচনা কৰি থাকে।

শ্ৰীসোনেশ্বৰ বৰা : — মন্ত্ৰী মহোদয়, তেখেত নিজেও এজন ডাক্তৰ গতিকে মই জানিব বিছাৰিছো যে বহুত সৰু বৰ এলোপেথিক চিকিৎসাকে তেওঁলোকৰ বেমাৰত এলোপেথিক চিকিৎসা নকৰি আয়ুৰ্ব্বেদিক চিকিৎসা কৰে ?

ডাঃ সুৰেণ দাস (বাজিক মন্ত্ৰী) :— এইটো মানুহৰ নিজৰ নিজৰ চিন্তাৰ কথা।

## বিঃ গাওঁ পঞ্চায়ত গঠন

শ্ৰীলক্ষীকান্ত শইকীয়াই :—

*৯। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম পঞ্চায়তীৰাজ আইন (১৯৭২ চন) অনুসৰি অসমৰ সকলো ঠাইতে গাওঁ পঞ্চায়ত গঠিত হৈছেনে ?

(খ) যদি হোৱা নাই ক'ত ক'ত হোৱা নাই আৰু কিয় হোৱা নাই ?

(গ) পঞ্চায়ত নিৰ্ব্বাচনত কিমান টকা ব্যয় হৈছে ?

শ্ৰীচৈয়দ আহমেদ আলি (পঞ্চায়ত বিভাগৰ মন্ত্ৰী) :—

৯। (ক)—হৈছে।

(খ) প্ৰশ্ন নুঠে। কিন্তু মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত দুখন গাওঁ পঞ্চায়ত এতিয়াও গঠন হোৱা নাই, যিহেতুকে এই গাওঁ পঞ্চায়ত দুখনৰ বিষয়ে মোকৰ্দমা উচ্চ ন্যায়ালয়ত এতিয়াও নিষ্পত্তি হোৱা নাই।

(গ) ৬৪,০০,০২৮.০৫ পইচা (চৌষষ্ঠি লাখ আঠাইশ টকা, পাঁচ পইচা মাত্ৰ)।

## বিঃ গাওঁ পঞ্চায়তৰ সম্পাদক

শ্ৰীলক্ষীকান্ত শইকীয়া :—

*১০। মাননীয় পঞ্চায়ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গাওঁ পঞ্চায়তৰ সম্পাদক সকলক মাহে কিমানকৈ দৰমহা দিয়া হৈছে ?

(খ) সম্পাদক সকলৰ চাকৰী নিয়মীয়া চৰকাৰী চাকৰিয়ালৰ দৰে হয়নে নহয় ?

(গ) যদি হয়, সম্পাদক সকলৰ অসুবিধালৈ লক্ষ্য ৰাখি তেওঁলোকৰ দৰমহা বঢ়োৱা সম্পৰ্কে চৰকাৰে বিবেচনা কৰিবনে?

শ্ৰীচৈয়দ আহমেদ আলি (পঞ্চায়ত বিভাগৰ মন্ত্ৰী):—

১০। (ক)—নিম্ন লিখিত দুটা ভাগত দৰমহাৰ নিৰিখ চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিছে—

(১) প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা বা ততোধিক শিক্ষাৰ অৰ্হতা থকা সকলৰ ক্ষেত্ৰত মাহে ২২০-৫-২৭০-ইবি-৬-৩০০-ইবি-৮-৩৪০ টকা।

(২) প্ৰৱেশিকা পৰীক্ষাতকৈ কম শিক্ষা থকা সকলৰ ক্ষেত্ৰত মাহে ২০০-৪-২২৪-৫ ২৯৫-৬-৩০০ টকা।

(খ) নহয়।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীলক্ষী কান্ত শইকীয়া:— মন্ত্ৰী মহোদয়ে জনাইছে যে মঙ্গলদৈ মহকুমাৰ দুখন গাওঁ পঞ্চায়ত এতিয়াও গঠন হোৱা নাই। ইতিমধ্যে প্ৰতি গাওঁ পঞ্চায়ত এলেকাত একোখনকৈ সমবায় সমিতি গঠন কৰা হৈছে। যিহেতু এই দুখন গাওঁ পঞ্চায়ত গঠন হোৱা নাই এই অঞ্চলৰ ৰাইজ নিশ্চয় অশেষ কষ্ট ভুগিছে আৰু পঞ্চায়ত সেৱাৰ পৰা বঞ্চিত হৈছে। এই কথালৈ লক্ষ্য ৰাখি উচ্চতম ন্যায়ালয়ৰ লগত আলোচনা কৰি কিবা এটা ব্যৱস্থা চৰকাৰে ল'ব নে?

শ্ৰীচৈয়দ আহমেদ আলী (মন্ত্ৰী):— এনেকুৱা বহুত কেচ পেণ্ডিং হৈ আছে। আমি আমাৰ জুৰিদিকচনৰ মাজত থাকি যিমানখিনি সম্ভৱ তেওঁলোকৰ পৰামৰ্শ লোৱাৰ চিন্তা কৰিম।

শ্ৰীলক্ষী কান্ত শইকীয়া:— ইতিমধ্যে এই পঞ্চায়ত এলেকাত কি ব্যৱস্থাৰে পঞ্চায়তৰ কাম চলোৱা হৈছে জনাব নে?

শ্ৰীচৈয়দ আহমদ আলী:— বি ডি ও বা তেনে পৰ্য্যায়ৰ অফিছাৰৰ দ্বাৰা সকলো সেৱা দিয়া হৈছে।

শ্ৰীমানবেন্দ্ৰ শৰ্মা:— এই কেচটো কিমান দিনৰ পৰা আদালতত পেণ্ডিং হৈ আছে জনাব নে?

শ্ৰীচৈয়দ আহমদ আলী (মন্ত্ৰী):— ৩ বছৰ হ'ল।

শ্ৰীহাচিবুদ্দিন আহমেদ :— মন্ত্ৰী মহোদয়ে জনাব নে প্ৰত্যেক মহকুমাতে একোখন দিলিমিটেচন কমিটি কৰি দিয়া হৈছিল আৰু সীমা নিৰ্দ্ধাৰণৰ ক্ষমতা তেওঁলোকক দিয়া হৈছিল সেই কমিটিয়ে কি ৰিপোৰ্ট দিছিল জনাব নে?

শ্ৰীচৈয়দ আহমদ আলী (মন্ত্ৰী) :— এইটো বৰ পুৰণা কথা। এতিয়া আৰু সেই কমিটি নাই। কি ক্ষমতা আছিল নাছিল ক'ব নোৱাৰো। এইটো তিনি বছৰ আগৰ কথা।

Shri Sudarshan Das :— অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয় ৯ নং 'খ' প্রশ্নের উত্তরে বলেছেন "হৈছে", কিন্তু মন্ত্রী মহোদয় জানেন কি যে করিমগঞ্জে আজ পর্যন্ত দুইটি গাওঁ পঞ্চায়তের Election হয়নি?

Shri Syed Ahmed Ali (Minister, Panchayat) :— এটা তদন্ত করে দেখতে হবে।

শ্ৰীবাহাদুৰ বসুমতাৰী :—মাননীয় উপাধ্যক্ষ মহোদয়, মঙ্গলদৈ মহকুমাৰ গাওঁ পঞ্চায়ত দুখন ফালি চাৰিখন কৰা হৈছে। গতিকে বাকী দুখনত কোনো নিৰ্বাচন আদি হোৱা নাই। গতিকে এই গাওঁ পঞ্চায়ত, মহকুমা পৰিষদৰ জৰিয়তে চৰকাৰৰ নিৰ্দেশ মতে চলে নে চৰকাৰী নিৰ্দেশমতে চলে? কিন্তু মই দেখিছোঁ সেই দুই এলেকাত এতিয়ালৈকে কোনো কাম-কাজ হোৱা নাই। এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো।

শ্ৰীচৈয়দ আহমেদ আলি, (মন্ত্ৰী) :—পঞ্চায়ত আইন মতে উন্নয়ণ কৰ্ম্মচাৰীয়ে সকলো উন্নয়নৰ কাম কৰিব লাগে। আৰু যিহেতু এই উন্নয়ণ কৰ্ম্মচাৰী সকল মহকুমা পৰিষদৰ অন্তৰ্গত তেনেস্থলত এই উন্নয়ণ কৰ্ম্মচাৰী সকলে মহকুমা পৰিষদৰ জৰিয়তে সকলো কাম কৰে।

শ্ৰীলক্ষীকান্ত শইকীয়া :—মহোদয়, যিহেতু এই গাওঁ পঞ্চায়ত এলেকা সমূহত কাম-কাজৰ কাৰণে গাওঁ পঞ্চায়ত সদস্যসকলে টকা-পইচা ভাগ কৰি লয় গতিকে এই দুখন গাওঁ পঞ্চায়তৰ পৰা কোনো সদস্যও নাই আৰু টকাৰ অভাৱত কোনো কাম-কাজো হোৱা নাই আজিলৈকে তাত এখন সমবায় সমিতি ও গঠন হোৱা নাই। এই বিলাকৰ কাৰণে এটা খৰটকীয়া ব্যৱস্থা লবলৈ মন্ত্ৰী মহোদয়ে ব্যৱস্থা ল'বনে?

শ্ৰীচৈয়দ আহমেদ আলি, (মন্ত্ৰী) :—যত্ন কৰিম।

শ্ৰীবদন তালুকদাৰ :—এই পঞ্চায়তৰ বিষয়ে কেচ উচ্চন্যায়ালয়লৈ যোৱাৰ আগতে গৱৰ্ণমেণ্টৰ কৰিব লগীয়া ক্ষমতা কিবা আছিল নে?

শ্ৰীচৈয়দ আহমেদ আলি, (মন্ত্ৰী) :—চৰকাৰে যি কৰিছিল সেইটো মনা নাই।

শ্ৰীবাহাদুৰ বসুমতাৰী :—কি কাৰণে উচ্চন্যায়ালয়লৈ যাব লগা হ'ল সেই বিষয়ে চৰকাৰে কিবা তদন্ত কৰিছিল নে? লগতে মই মন্ত্ৰীৰ পৰা জানিব পাৰো নে যে, এই পঞ্চায়ত ছুখনৰ অন্তৰালত কোনোবা ৰাজনীতিৰ নেতা জড়িত আছে নে?

শ্ৰীচৈয়দ আহমেদ আলি, (মন্ত্ৰী) :—সেইটো চাব লাগিব।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—চাহ বাগিছা বিলাকত গাওঁ পঞ্চায়ত গঠন কৰা হৈছে নেকি?

শ্ৰীচৈয়দ আহমেদ আলি, (মন্ত্ৰী) :—হোৱা নাই।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—এই পঞ্চায়ত আইনখন চাহ বাগিছা বিলাকলৈ প্ৰসাৰিত কৰিব পাৰিনে নোৱাৰি, যদি পাৰি তেন্তে, ইমান দিনে এই চাহ বাগিছা বিলাকত পঞ্চায়ত গঠন কৰা হোৱা নাই কিয়?

শ্ৰীচৈয়দ আহমেদ আলি, (মন্ত্ৰী) :—এইটো চিন্তা কৰাৰ কাৰণে মই চিন্তা কৰি আছো।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা :—এই গাওঁ পঞ্চায়ত সম্বন্ধে মঙ্গলদৈ মহকুমাৰ কেচটো আজি তিনি বছৰে উচ্চ ন্যায়ালয়ত পৰি আছে বুলি কৈছে। আমাৰ চৰকাৰৰ তৰফৰ পৰা এই বিষয়ৰ এটা সু-সিদ্ধান্ত লোৱাৰ কিবা খৰটকীয়া ব্যৱস্থা লোৱা হৈছে নে?

শ্ৰীচৈয়দ আহমেদ আলি, (মন্ত্ৰী) :—এইটো যেতিয়া কোৰ্টৰ বিচাৰাধীন হৈ আছে গতিকে চাবজুদিচ হৈ বুলিয়েই আমি কোনো ব্যৱস্থা লোৱা নাই।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা :—সোনকালে যাতে কোৰ্টত সিদ্ধান্ত হয় তাৰ কাৰণে গৱৰ্ণমেণ্টৰ তৰফৰ এডভোকেট আদি চৰকাৰৰ তৰফৰ পৰা নিৰ্দেশ দিয়া হৈছে নে?

শ্ৰীচৈয়দ আহমেদ আলি, (মন্ত্ৰী) :—সেইটো সদায়েই চৰকাৰী উকীল সকলক কোৱা হৈছে।

শ্ৰীপ্ৰেম বৰা :—১০ নম্বৰ প্ৰশ্নৰ 'ক' ৰ উত্তৰত কোৱা হৈছে যে, সম্পাদকৰ দৰমহা দুটা শ্ৰেণীত নিৰ্ধাৰণ কৰিছে। যিসকলে প্ৰৱেশিকা পৰীক্ষা পাছ কৰিছে তেওঁলোকে ২০০ টকাৰপৰা ৩৪০ টকাৈক পাব আৰু আন বিধ হ'ল তাতকৈ কম শিক্ষা থকা সকলে ২০০ পৰা ৩০০ টকাকৈ পাব। আৰু 'খ' ৰ উত্তৰত কোৱা হৈছে যে সম্পাদক সকলৰ চাকৰি চৰকাৰী চাকৰি দৰে নহয়। কিন্তু এই দৰমহা দিয়াৰ কাৰণে পঞ্চায়ত সকলৰ যেতিয়া পুঁজি নাথাকে সেই ক্ষেত্ৰত চৰকাৰে নিযুক্ত কৰা সম্পাদক সকলৰ দৰমহা বিবেচনা কৰা কথা ভাবিছে নে ?

শ্ৰীচৈয়দ আহমেদ আলি, (মন্ত্ৰী) :—দৰমহা পোৱা নাই বুলি আপত্তি আমি কিছু কিছু পাইছো, এই বিলাক আমি তদন্ত কৰি চাম। কিন্তু তেওঁলোক চৰকাৰী কৰ্ম্মচাৰী নহয়, মহকুমা পৰিষদৰ অন্তৰ্গত। তেওঁলোকে দৰমহা যাতে পায় সেইটো মই চাম।

## Re:- RESOLUTION

Mr. Speaker :—The Question Hour is over. Now item No. 2.

Shri Prema Bora :—Question টো Pending ৰাখিব লাগে।

Mr. Speaker :—It cannot be kept pending. We now come to item No. 2. Shri Lakshmi Kanta Saikia moved this Resolution. Shri Jalil Choudhury has to resume his speech. He is absent. Shri Ataur Rahman to speak.

(At this, Mr. Speaker left the House and Mr, Deputy Speaker resumed the Chair)

Mr. Deputy Speaker :–Shri Lakshmi Kanta Saikia, Shri Santiranjan Das Gupta and Shri Maulana Abdul Jalil Choudhury took part in the discussion of the resolution.

শ্ৰীআটাউৰ ৰহমান ঃ— উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাবটো সদনত উত্থাপন কৰাৰ কাৰণে মাননীয় সদস্য শ্ৰীলক্ষী কান্ত শইকীয়া ডাঙৰীয়াক ধন্যবাদ জনাইছো। চাকৰি বাকৰিৰ সংক্ৰান্তত সকলো ঠাইতে সকলো শ্ৰেণীৰ মানুহৰ মনতে আসোৱাহ আছে। প্ৰত্যেক বিলাক এলেকাতে আসোৱাহ আছে। চৰকাৰী প্ৰতিস্থানেই হওক বা অনাচৰকাৰী প্ৰতিস্থানেই হওক সেই সকলো বিলাক প্ৰতিস্থানতেই সংগত ভাৱে চাকৰি নাপায়। বিশেষকৈ যি বিলাক অঞ্চল পিচ পৰি আছে সেই বিলাক অঞ্চলৰ মানুহৰ মনত এটা আসোৱাহ থাকি গৈছে। এইটো থিক যে চৰকাৰৰ উচ্চ মহলত, সচিবালয়ত, ডিৰেক্টৰেট বিলাকত যিবিলাক উচ্চ বিষয়া আছে সেইসকল যি অঞ্চলৰ পৰা আহে সেই অঞ্চলৰ প্ৰতি একোটা টান থকাটো স্বাভাবিকতেই একোটা প্ৰবৃত্তি এইটো মানৱ মনৰ প্ৰবৃত্তি। ইয়াক দোষাৰপ কৰিব নোৱাৰি। এইবিলাক প্ৰবৃত্তি যাতে নহয় তাৰ কাৰণে চেষ্টা কৰিব লাগে। এই প্ৰস্তাৱটো অনাৰ উদ্দেশ্য হ'ল চৰকাৰে এনেবিলাক ব্যৱস্থা বন্ধ কৰিব লাগে। ৪ৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ পৰা আৰম্ভ কৰি সচিবালয়ৰ উচ্চ মহললৈকে, সেইদৰে সকলো বিলাক মহকুমাতে আনকি গাওঁ পঞ্চায়ত পৰ্য্যায়তো সকলোৱে যাতে ন্যায়-সংগতভাৱে সুবিধা পায় মানুহৰ মনত যাতে আসোৱাহ নাথাকে তাৰ ব্যৱস্থা কৰিব লাগে। এইটো ঠিক যে চাকৰি দিওতে যোগ্যতাৰ ভিত্তিত দিব লাগে। কিন্তু ৪ ৰ্থ শ্ৰেণীৰ চাকৰিৰ কাৰণে ইণ্টাৰভিউ লওতে কেৱল নাম আৰু বাপেকৰ নাম সুধিয়েই কি যোগ্যতা বিচাৰ কৰে সেইটো নাজানো। জিলা, মহকুমা আনকি মৌজা ভিত্তিত সকলোকে আশ্বাস দিবৰ কাৰণে বিবেচনা কৰিবলৈ আৰু সেইটো মৰ্মে মৰ্মে উপলব্ধি কৰিবৰ কাৰণে এই প্ৰস্তাৱটো আগবঢ়োৱা হৈছে। মই অন্তঃকৰণেৰে এই প্ৰস্তাৱটো সমৰ্থণ কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীঅযোধ্যা ৰাম দাস ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা বছৰৰ এক এপ্ৰিল তাৰিখে মাননীয় সদস্য শ্ৰীলক্ষী কান্ত শইকীয়া ডাঙৰীয়াই, প্ৰতি মহকুমাত চাকৰিৰ ব্যৱস্থা কৰা সম্পৰ্কত যিটো প্ৰস্তাৱ ডাঙি ধৰিছে তাৰ কাৰণে মই তেখেতক ধন্যবাদ জনাইছো। এই প্ৰস্তাৱটো সময়পোযোগী হৈছে এই কাৰণেই যে আমাৰ প্ৰশাসন জনসাধাৰণৰ প্ৰশাসন। এই প্ৰশাসনত জন-

সাধাৰণৰ সহযোগীতা দৰকাৰ। এই সহযোগীতা পাবলৈ হলে জনসাধাৰণৰ স্বাৰ্থ জড়িত থকা দৰকাৰ। সেই কাৰণে প্ৰতি মহকুমাতে উন্নয়ণমূলক কাম দ্ৰুতভাবে কৰিবলৈ হলে সেই সেই মহকুমাৰ জনসাধাৰণ সেই ঠাইত প্ৰতিফলিত কৰিব পৰা যায় তাৰ কাৰণে যত্ন কৰা প্ৰয়োজন। এইটো নোহোৱাৰ কাৰণেই আজি প্ৰশাসনত নতুনকৈ বেমেজালিৰ সৃষ্টি হোৱা দেখা গৈছে। প্ৰশাসন কৰবাত লেহেম গতিত চলিছে কৰবাত খৰকৈ চলিছে। আজি যিবিলাক পিচ পৰা অঞ্চল আছে সেই অঞ্চলবিলাকৰ লোকসকলক সেই অঞ্চলৰ দায়িত্বৰ পৰা বঞ্চিত কৰা হয় তেতিয়াহলে তাত ভাল কাম হোৱাটো আশা কৰিব পৰা নহ'ব। সেই অঞ্চলবিলাকৰ কিছু নহয় কিছু জনসাধাৰণক সহায় কৰিব লাগিব। দৰিদ্ৰতাক দূৰ কৰিবৰ কাৰণেও চাকৰি আদিৰ সুবিধা লাভ কৰিব পাৰিব লাগিব। মই গোৱালপাৰা জিলাৰ পৰা আহিছো। গোৱালপাৰা জিলাত যিসকল চাকৰি কৰা লোক আছে সেইসকলৰ শতকৰা ৭৫ ভাগেই অন্য জিলাৰ লোক। তাত আমাৰ আপত্তি নাই। কিন্তু আমাৰ জিলাৰ শতকৰা ৭৫ ভাগ অন্য জিলাত থকা হলে আমি শান্তনা পালোহেঁতেন। আমাৰ লৰাই আমাৰ জিলাতেই চাকৰী পোৱা নাই। অন্য জিলাত পোৱাটো দূৰৰ কথা। আমাৰ লৰাক বঞ্চিত কৰি যদি অন্যৰ পৰা লৰা দিয়াৰ ব্যৱস্থা কৰা হয় তেতিয়াহলে আমাৰ অঞ্চলৰ মানুহৰ মনত আঘাট কৰা হব। আৰু প্ৰশাসন যন্ত্ৰৰো কোনো উন্নতি পৰিলক্ষিত নহব। এই সকলোবিলাক কথা বিবেচনা কৰি মাননীয় সদস্যই যি প্ৰস্তাৱ আনছে এইটো সমপযোগী হৈছে। এই প্ৰস্তাৱটো কাৰ্য্যকৰী হলে দুৰ্বল শ্ৰেণীৰ মানুহ উপকৃত হ'ব। মহকুমাৰ ভিত্তিত জনসাধাৰণক প্ৰতিফলিত কৰাৰ যিটো কথা কোৱা হৈছে। আমাৰ ৰাজ্যখনত যি বিলাক অফিচ আছে, সচিবালয় আছে আৰু যি বিলাক চাকৰি আছে সেইবোৰ মচৰল কৰোতে সমগ্ৰ অসমৰ জনগোষ্ঠি প্ৰতিবিম্বিত হোৱাটো বাঞ্ছনীয়।

অসম ৰাজ্যৰ প্ৰশাসন যন্ত্ৰ চলোৱাৰ বাবে সচিবালয় আছে।

কিন্তু দুখৰ বিষয় আমাৰ অঞ্চলৰ মানুহৰ প্ৰতিনিধিত্ব ইয়াত কম আছে, প্ৰায় নায়েই বুলিলেই হয়। এই সচিবালৰ ভালেখিনি চাকৰিয়াল

আছে, কিন্তু পিছপৰা শ্ৰেণীৰ মানুহৰ কোনো হিচাপ পাবলৈ নাই। সেইবাবে আমাৰ অঞ্চলৰ পৰা কিবা খা-খবৰৰ কাৰণে ইয়ালৈ মানুহ আহিলে নানা অসুবিধাত পৰিব লগা হয়। আমাৰ সচিবালয়ৰ যিবিলাক চাকৰি সেই চাকৰিৰ পৰা যাতে আমাৰ পিচপৰা পিড়িত অঞ্চলৰ মানুহ নিয়োগ কৰি তেওঁলোকৰ আশা আকাংখ্যা প্ৰতিনিধিত্ব কৰিব পাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মই আমাৰ চৰকাৰক অনুৰোধ জনাওঁ। প্ৰশ্নোত্তৰৰ কালত মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ছয় গৰাকী ছোৱালীৰ পৰা জনতা ভৱনৰ আদৰণীৰ আবেদন পত্ৰ বিচৰা হৈছে। কিন্তু সেই ছয় গৰাকীৰ ভিতৰত সংখ্যালঘু আৰু অনুসূচীত জাতীৰ লোক আছে নে নাই তাৰ কোনো ইঙ্গিত নাপালো। যি সকল লোকে নিজৰ ভাৱ ধাৰা প্ৰকাশ কৰিব নোৱাৰে সেই সকল লোকক এই সুবিধা দিয়াতো উচিত হ'ব বুলি মই ভাবো। দশটা দিশৰ পৰা দশগৰাকী কন্যা আনি সচিবালয়ৰ দ্বাৰ মুকলি কৰিলে, তাৰ উদ্দেশ্য আছিল দহ গৰাকী কন্যাই দহটা অঞ্চলৰ চেন্টিমেণ্ট দাঙি ধৰিলে। সেই উদ্দেশ্য মনত ৰাখিয়েই যাতে চাকৰিৰ ক্ষেত্ৰতো তেনে ব্যৱস্থাই চৰকাৰে কৰে তাৰ বাবে মই অনুৰোধ কৰিলো। এই ক্ষেত্ৰত আমাৰ মাননীয় সদস্য শ্ৰীলক্ষীকান্ত শইকীয়া ডাঙৰীয়াই যিটো প্ৰস্তাৱ দাঙি ধৰিছে সেইটো মই সমৰ্থন কৰিছো। যদি এই মতে চৰকাৰে কাৰ্য্যকৰী ব্যৱস্থা লয় তেন্তে অনভিজ্ঞ পিছপৰা শ্ৰেণীৰ লোকসকল বহুপৰিমাণে উপকৃত হ'ব। এইটো কামনা কৰিয়েই মই মাননীয় সদস্য ডাঙৰীয়াৰ প্ৰস্তাৱটোৰ প্ৰতি আন্তৰিকতা পূৰ্ণ সমৰ্থন আগবঢ়াইছো।

শ্ৰীগিয়াচুদ্দিন আহমদেঃ— উপাধ্যক্ষ মহোদয়, প্ৰস্তাৱটো মই সমৰ্থন কৰিবলৈকে থিয় হৈছো। পিছে এটা কথাত মোৰ মনত সন্দেহৰ সৃষ্টি হৈছে। সেইটো হৈছে চাবডিভিজন ওৱাইজ পপুলেচন পেটাৰ্ণ, অসমীয়াত কবলৈ গলে জনসংখ্যাৰ গাঠনি মহকুমা ভিত্তিত জনসংখ্যাৰ ভিত্তিত বিচাৰি উলিয়াব পৰা নহয়। কাৰণ একোখন মহকুমাত নানান ৰকমৰ জনসংখ্যা আছে। পপুলেচন পেটাৰ্ণ বা জনসংখ্যাৰ গাথনি বুলি কওঁতে আমি এইটো বুজো যে বিভিন্ন ভাষাগত, বিভিন্ন জাতিগত আৰু

বিভিন্ন ধৰ্মগত সম্প্ৰদায়ৰ লোক একগোট হৈ যিটো জনসংখ্যা হৈছে সেইটোকে পপুলেচন পেটাৰ্ণ বুলি কব পাৰি। নিয়োগৰ ক্ষেত্ৰত পপুলেচন পেটাৰ্ণ প্ৰতিফলিত কৰাৰ অৰ্থ হ'ল এয়ে যে ট্ৰাইবেল লোক, অনা-ট্ৰাইবেল লোক আৰু বিভিন্ন সম্প্ৰদায়ৰ লোক নিয়োগৰ ক্ষেত্ৰত উপযুক্ত প্ৰতিনিধিত্ব হ'ব লাগিব। মহকুমা বিলাক জনসংখ্যাৰ পেটাৰ্ণ হিচাবে গঠিত হোৱা নাই। বৃটিছ শাসকসকলে তেওঁলোকৰ প্ৰশাসনিক সুবিধাৰ কাৰণে এই মহকুমা বিলাক গঠন কৰিছিল, বা জিলাবিলাক, থানাবিলাক গঠন কৰিছিল। এই জিলাবিলাক বা মহকুমা বিলাক জনংখ্যাৰ ভিত্তিত গঠন কৰা নাছিল। আমি এইটো দাঠি ক'ব নোৱাৰো যে ধুবুৰী মহকুমা বা দৰং মহকুমাৰ জনসংখ্যাৰ পেটাৰ্ণ একে। নাইবা লক্ষীমপুৰ আৰু কামৰূপ আদি জিলাবোৰতো জনসংখ্যাৰ পেটাৰ্ণ একে বুলি আমি ক'ব নোৱাৰো। শ শ বছৰ ধৰি এই মহকুমা বা জিলা বিলাক বিভিন্ন মানুহৰে মিলিত একোটা একোটা গোট হৈ আছে। ভৌগোলিক আৰু প্ৰশাসনিক গাঠনিৰ কাৰণে এটা মহকুমা বা এখন জিলাৰ মানুহখিনি বিভিন্ন ভাষা-ভাষীৰ বা গোষ্ঠি সম্প্ৰদায়ৰ হলেও তেওঁলোকে একেখন জিলাৰ বা একেটা মহকুমাৰ মানুহ বুলিয়ে ভাৱে। দৰঙৰ মানুহখিনিয়ে দৰঙৰ আৰু গোৱালপাৰাৰ মানুহখিনিয়ে গোৱালপাৰাৰ মানুহ বুলিয়ে কয়। ভৌগোলিক ভিত্তিত নাইবা প্ৰশাসনিক ভিত্তিত যিবিলাক মহকুমা আজি গঠন কৰা হৈছে সেইবিলাক কালিলৈ হয়তো নাথাকিব পাৰে। গতিকে জন-সংখ্যাৰ কথা কওঁতে আমি মহকুমা বা জিলাৰ লগত সম্পৰ্ক থকা বুলি কলে বুজিবলৈ টান পাওঁ। সেই কাৰণে আজি আমাৰ ট্ৰাইবেল বা অনুসূচীত লোকৰ মাজত হতাশাৰ সৃষ্টি হ'বলৈ ধৰিছে, এই মানুহখিনিয়ে ভাৱে যে তেওঁলোকৰ উপযুক্ত প্ৰতিনিধিত্ব নাই, চৰকাৰী চাকৰিটো তেওঁলোকক উপযুক্ত নাইবা দৰকাৰ মতে নিয়োগ কৰা হোৱা নাই। আজি আমাৰ দহ হেজাৰ চৰকাৰী কৰ্মচাৰীৰ ভিতৰত মাত্ৰ ছয় হেজাৰ মুছলিম কৰ্মচাৰী আছে। ধুবুৰী মহকুমাত যিমানবিলাক চৰকাৰী কৰ্মচাৰী আছে, তাৰ ভিতৰত মুছলমানৰ সংখ্যা হৈছে শতকৰা ১৯ জন মাত্ৰ। প্ৰসংক্ৰমে এইটো ক'ব পাৰি যে মুঠ জনসংখ্যা অনুপাতে ধুবুৰী মহকুমাৰ লোকে উপযুক্ত

প্ৰতিনিধিত্ব পালেও সেই মহকুমাৰ মুছলমানসকল তেওঁলোকৰ প্ৰতিনিধিত্ব সং J অনুপাতে পাবলগীয়া সুবিধা নাপাবও পাৰে। গতিকে পপুলেচন পেটাৰ্ণ প্ৰতিফলিত হ'ব লাগে বুলি কওঁতে জিলা ভিত্তিত নাইবা মহকুমাৰ ভিত্তিত নহয় কমিউনিতি ওৱাইজ হব লাগিব। কিন্তু যিটো কথা আমি সদায় অবাঞ্ছনীয় বুলি ভাবি আহিছো সেইটো কথা সদায় হৈ আহিছে।

উপাধ্যক্ষ মহোদয়, যিটো বাস্তৱ ৰঢ় সত্য সেই কথাটোৱে আজি হৈ আছে। আজি মানুহৰ জীৱন নিৰ্বাহৰ পথ চৰকাৰী চাকৰিৰ ওপৰত বহুতখিনি নিৰ্ভৰ কৰিছে। আৰু অসমৰ প্ৰায় ৮০ হেজাৰ কৰ্মচাৰীয়ে চাকৰি কৰিছে। গতিকে এই ৮০ হেজাৰ কৰ্মচাৰীৰ পৰিয়ালৰ অৰ্থনৈতিক নিৰাপত্তাৰ প্ৰশ্নটো চাকৰিৰ লগতে জড়িত হৈ আছে। গতিকে নিয়োগৰ ক্ষেত্ৰত সমভাৱে বণ্টন কৰিব লাগিব। কিছুমান সুবিধা লৈ সমাজৰ কিছু অংশ আগবাঢ়ি যাব আৰু কিছু সংখ্যক পিচ পৰি যাব এনে ধৰণৰ বৈষম্যতা গনতান্ত্ৰিক সমাজত থাকিব নেলাগে। বৰ্তমান সমাজ ব্যৱস্থা আৰু অৰ্থনৈতিক ব্যৱস্থাৰ ফালৰ পৰাহে আমি এই কথাটো চিন্তা কৰিবলৈ বাধ্য হৈছো। আজি দেখা গৈছে মানুহে অসমৰ মুছলমানৰ সংখ্যা ২৬ জন, অথচ চাকৰিত তেওঁলোকৰ সংখ্যা মাত্ৰ শতকৰা ৮ জন। ঠিক তেনেকৈয়ে আজি অনুসূচীত জাতি অনুসূচীত জনজাতি এই সকলো বোৰৰ কথা চিন্তা কৰিব লাগিব যাতে প্ৰত্যেকেই এই নিয়োগৰ সুবিধা পায়। প্ৰতি বছৰে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু আন আন সম্প্ৰদায়ৰ কিমান লোক নিয়োগ কৰা হ'ল তাৰ এটা বিচাৰ ৰখা দৰ্কাৰ। ইয়াৰ বাহিৰেও আমি কাষ্ঠ হিন্দুৰ কথাও কব পাৰো। তেওঁলোকৰ অৰ্থনৈতিক দুৰৱস্থাৰ কথা চিন্তা কৰি তেওঁলোককো নিয়োগৰ সুবিধা দিব লাগে। তেওঁলোকে তথাকথিত উচ্চ বংশত জন্ম গ্ৰহণ কৰিছে বুলিয়ে ন্যাৰ্য্য অধিকাৰৰ পৰা বঞ্চিত হ'ব নালাগে। গতিকে সকলো সম্প্ৰদায়ৰ মানুহে যাতে নিয়োগৰ সুবিধা পায় তাৰ প্ৰতি আমাৰ চৰকাৰে লক্ষ্য ৰাখিব লাগে। সকলো জিলা আৰু মহকুমাতে জাতি, ধৰ্ম্ম, নিৰ্ব্বিশেষে সকলো মানুহে নিয়োগৰ সুবিধা পাব লাগে।

উপাধ্যক্ষ মহোদয়, আজি যোগীঘোপাত কাগজৰ মিল হৈছে। কিন্তু

তাত কেইজন সংখ্যালঘু সম্প্ৰদায়ৰ মুছলিম লোকে নিয়োগৰ সুবিধা পাইছে? আজি ধুবুৰীত মেছ ফেক্টৰী হৈছে তাত শতকৰা কিমানজন মুছলিমক নিয়োগ কৰা হৈছে? আজি এই বিলাকত বিশেষ বিশেষ সম্প্ৰদায়ৰ মানুহে নিয়োগৰ সুবিধা পাইছে। গতিকে চৰকাৰে নিয়োগৰ ক্ষেত্ৰত বিশেষ মনোযোগ দি যি তাৰতম্য হৈছে তাক দূৰ কৰিব লাগে। আজি আমি লক্ষীমপুৰ, দৰং জিলাৰ কথা চিন্তা কৰিলেই নহ'ব অন্যান্য পিছপৰা জিলাসমূহৰ কথাও চিন্তা কৰি জনসংখ্যাৰ পেটাৰ্ণ প্ৰতিবিম্বিত কৰিব লাগিব। মহকুমা হিচাবে জনসংখ্য অনুসৰি যদি এই সুবিধা দিয়া যায় তেনেহলে জনসংখ্যাৰ পেটাৰ্ণ প্ৰতিবিম্বিত নহবও পাৰে। ধুবুৰী মহকুমাত যি জনসংখ্যা আছে সেই অনুপাতে নিয়োগৰ সুবিধা দিলেও পপুলেচন পেটাৰ্ণ প্ৰতিবিম্বিত নহয়। গতিকে জাতি, ধৰ্ম নিৰ্বিশেষে অনুসূচীত জাতি অনুসূচীত জনজাতি সংখ্যালঘু সম্প্ৰদায়ৰ মুছলিম, এই সকলো বোৰৰ কথাই বিবেচনা কৰি জনসংখ্যা অনুপাতে নিয়োগৰ সুবিধা দিলেহে আমাৰ পপুলেচন পেটাৰ্ণ প্ৰতিবিম্বিত হব। এইখিনি কৈয়ে এই প্ৰস্তাৱ সমৰ্থন কৰি মই মোৰ বক্তব্য সামৰণী মাৰিলো।

*শ্ৰীনুৰুল ইচলাম :— মাননীয় উপাধ্যক্ষ মহোদয়, পোন প্ৰথমতে মই মোৰ সহকৰ্মী বন্ধু শইকীয়া ডাঙৰীয়াক ধন্যবাদ দিছো। কাৰণ তেখেতে এই প্ৰস্তাৱটো পবিত্ৰ সদনত দাঙি ধৰিছে। মহোদয় আজি তেখেতে যি প্ৰস্তাৱ দাঙি ধৰিছে এই প্ৰস্তাৱ আজিৰ যুগত অতি লাগতিয়াল কিন্তু আমি বৰ পলমকৈ এই প্ৰস্তাৱ লব বিচাৰিছো। আমাৰ সমাজত যি তাৰতম্য, অসমতা নিয়োগৰ ক্ষেত্ৰত বিৰাজ কৰিছে সেই তাৰতম্যতা আজি চৰকাৰে দূৰ কৰিবলৈ চেষ্টা কৰিছে। আৰু মইও আশা কৰো সেইবোৰ আতৰ কৰিবলৈ এই প্ৰস্তাৱটো আমি গ্ৰহণ কৰিব লাগে। উপাধ্যক্ষ মহোদয় আজি প্ৰত্যেক সম্প্ৰদায়ৰ প্ৰত্যেক শ্ৰেণীৰ মানুহৰ মাজত এটা জাগৰণ আহিছে। গতিকে সকলোৱে এটা সামাজিক সুবিচাৰৰ আশা কৰিছে। আজি দেখা যায় যে অনুসূচীত জাতি, অনুসূচীত জনজাতি, পিছপৰা মুছলমান সম্প্ৰদায়ৰ মাজত নিয়োগৰ ক্ষেত্ৰত এটা অসন্তুষ্টিয়ে দেখা দিছে। তেওঁলোকৰ

* Speech not corrected

মনত ফ্ৰাষ্টেচন, চেনচ অৱ ইনচিকিউৰিটি আহি পৰিছে। যদি সমভাৱে এই সম্প্ৰদায়ৰ লোকবিলাকক নিয়োগৰ সুবিধা দিব পৰা হয় তেতিয়াহলেহে এইলোক সকলৰ মনৰ পৰা চেনচ অৱ ইনচিকিউৰিটি ভাৱটো আতৰি যাব। উপাধ্যক্ষ মহোদয় আলজি আইনৰ দ্বাৰা জাতীয় ইন্টিগ্ৰেচন কৰিবলৈ চেষ্টা কৰি আছো। যদি আমি প্ৰত্যেক ধৰ্ম্মাৱলম্বী মানুহক, প্ৰত্যেক শ্ৰেণীৰ মানুহক সমভাৱে নিৰাপত্তা দিব বিচাৰো তেনেহলে জাতীয় ইন্টিগ্ৰেচনৰ আইনৰ দ্বাৰা কৰাৰ সম্ভৱপৰ নহ'ব আৰু বাস্তৱ ক্ষেত্ৰত এইটো কথা প্ৰযোজ্যও নহয়।

মই ভাবো আমাৰ চৰকাৰে কুৰিদফীয়া যি অৰ্থনৈতিক আঁচনি লৈছে তাত নিয়োগৰ ক্ষেত্ৰত যি ইনইকুৱেলিটি চলি আছে সেইটো গুচাব লাগে। আমি যদি নিয়োগৰ ক্ষেত্ৰত সুস্থ প্ৰতিনিধিত্ব কৰিব নোৱাৰো তেনেহলে অৰ্থনৈতিক ক্ষেত্ৰত যথেষ্ট ব্যাঘাট কৰিব। অসম চৰকাৰৰ বিভিন্ন বিভাগ তদন্ত কৰি চালে দেখিব যে বিশেষকৈ দৰং উত্তৰ-লক্ষীমপুৰ গোৱালপাৰা জিলাৰ মানুহ কিছুমান বিভাগত একেবাৰে নাই বুলি কব পাৰি। স্বাধীনতাৰ পিচত যিমান নিয়োগ হৈ আছে সেই-বোৰত কোনো সুষ্ঠ আৰু সবল নীতি গ্ৰহণ নকৰাৰ ফলত এইটো হৈছে। উদাহৰণ স্বৰূপে এ-পি-এচ-চিৰ জৰিয়তে দেশৰ শিক্ষিত যুৱক-যুৱতীৰ অৰ্থনৈতিক উন্নতিৰ পথ মুকলি কৰা হয়। কিন্তু তাতো দেখিব কিছুমান ঠাইৰ মানুহ নাই। পিয়ন চাকৰিতো নাই। মই যি সমষ্টিৰ পৰা আহিছো সেইটো গোৱালপাৰা জিলাৰ দক্ষিণ পাৰৰ লক্ষীপুৰ, দক্ষিণ শালমৰা আৰু মানকাছাৰৰ প্ৰায় চাৰে চাৰি লাখ মানুহৰ বসতি স্থান। তাৰ লৰা-ছোৱালীয়ে বিশ্ববিদ্যালয়ৰ পৰীক্ষা সুখ্যাতিৰে পাচ কৰে। যোৱা এ-পি-এচ-চি পৰীক্ষাত তাৰ যিবিলাক ল'ৰা-ছোৱালীয়ে পৰীক্ষা দিছিল তেওঁলোকে লিখিত পৰীক্ষা ভালকৈ পাচ কৰিছে কিন্তু ইন্টাৰভিউত হ'লে পাচ কৰিব নোৱাৰিলে। উপাধ্যক্ষ মহোদয়, মই কওঁ যে আজি যদি চোচিয়েল জাষ্টিচ কৰিব লাগে আৰু সুস্থ সমাজ গঠন কৰিব লাগে তেনেহলে নিয়োগৰ ক্ষেত্ৰতো প্ৰতিনিধিমূলক ব্যৱস্থা কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰৰ কিছুমান অফিচতো খা-খবৰ লৈ জানিব পাৰিছো যে কিছুমান বিভাগত

অসমৰ শতকৰা এভাগ প্ৰতিনিধিত্বও নাই। কৃষি শিল্প আৰু পাওৱাৰ বিভাগত অসমৰ কোনো প্ৰতিনিধি নাই। সেই দিশৰ পৰা এই প্ৰস্তাৱটো সময়োপযোগী হৈছে। এই প্ৰস্তাৱটো গ্ৰহণ কৰাৰ লগতে মই চৰকাৰক অনুৰোধ কৰো যাতে কেন্দ্ৰীয় চৰকাৰকো টানি অনুৰোধ কৰো অসমৰ প্ৰতিনিধিত্ব দিয়াৰ কাৰণে। এইখিনিকে কৈ মাননীয় সদস্য শ্ৰীলক্ষীকান্ত শইকীয়া ভাঙৰীয়াৰ প্ৰস্তাৱটো সমৰ্থন কৰিছো।

শ্ৰী সানেশ্বৰ বৰা :— মাননীয় উপাধ্যক্ষ মহোদয়, শ্ৰীশইকীয়া ডাঙৰীয়াৰ প্ৰস্তাৱটো মই মোটামোটি ভাৱে সমৰ্থন কৰিছো। এনে এটা প্ৰস্তাৱ উত্থাপন কৰাত সময়ে সময়ে ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত ভয়ৰ থলী থকা যেন অনুভৱ হয়। অৱশ্যে সময়ৰ পৰিপ্ৰেক্ষিতত তেনে এটা প্ৰস্তাৱৰ আৱশ্যক হৈছে। আমাৰ দেশৰ নিয়োগৰ ক্ষেত্ৰত সমাজবাদী পন্থা আৰু সমতা যদি বিৰাজ কৰিলেহেতেন তেনেহ'লে এই প্ৰস্তাৱৰ আৱশ্যক নহ'লহেঁতেন। কিন্তু আমাৰ দেশৰ নিয়োগ ব্যৱস্থাটো যিটোৱেই সংস্থানৰো ব্যৱস্থা কেৰোণীয়া হোৱাৰ কাৰণে এই প্ৰস্তাৱৰ আৱশ্যক হৈছে। মোৰ নিজৰ যি ৰাজনৈতিক দৰ্শন সেই ফালৰ পৰা এই প্ৰস্তাৱৰ আৱশ্যক নাছিল। তথাপি এই সদনত উত্থাপন কৰা প্ৰস্তাৱটো সমৰ্থন কৰিছো। এনে এটা প্ৰস্তাৱৰ সুদূৰ কাৰ্য্যকাৰীতাত ভয়ৰ থলী নোহোৱা নহয়। ভয়ৰ থলী থাকিলেও কাৰ্য্যকাৰীতাৰ ক্ষেত্ৰত যদি ভালকৈ প্ৰয়োগ কৰিব পাৰি আৰু পৰিৱৰ্ত্তন সাধন কৰিব পাৰি তেনেহ'লে বেয়াৰ ফাললৈ নাযাবও পাৰে। সেয়েহে চৰকাৰ আৰু সমাজ দুয়োৰে সমান দায়িত্ব থাকিব। এইটো কথা ঠিক যে আমাৰ দেশত উচ্চই হওক বা নিম্নই হওঁক চাকৰিয়ালসকল আত্মকেন্দ্ৰী হৈ পৰে। কাৰণ আমাৰ দেশত সম্পত্তিৰ স্থাৱৰতা মৰণৰ পিচতো থাকে। এজন কৰ্ম্মচাৰীয়ে বা যি কোনো লোকে জীৱিত কালত যি সম্পত্তিৰ অধিকাৰী হৈ থাকে ঠিক মৰাৰ পিচতো তেৱেঁই অধিকাৰী হৈ থাকে। কাৰণ আমাৰ দেশত এবাৰ সম্পত্তি অৰ্জন কৰিলে পুত্ৰ-পৌত্ৰাদিক্ৰমে সি ৰৈ যায়। তাৰ জৰিয়তে আত্মতোষণ, স্বজনতোষণ আদি কেৰোণ সোমাই পৰে।

বৰ্ত্তমান এই দেশত পুত্ৰ পুত্ৰাদিক্ৰমৰ সম্পত্তি ভোগৰ ব্যৱস্থা চলি

আহিছে। মন্ত্ৰীয়ে পু তকক মন্ত্ৰী, এম, এল, এ, ৰ পুতেক এম, এল, এ চেক্ৰেটাৰীৰ পুতেকক ডি, চি, কৰি লৈ যাবলৈ বিচাৰে এনে এটা স্বভাৱতেই আমাৰ শাসনৰ ব্যৱস্থা চলি আছে। মই আজি এজন সমাজবাদী লোক হিচাবে এনে এটা প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ বৰ দুখ পাইছো। এনে এটা প্ৰস্তাৱত সাম্প্ৰাদায়িকতাৰ গোন্ধ আছে। এসময়ৰ ৰজা মহাৰজাৰ এই দেশত এই গোন্ধ থাকি গ'ল। চৰকাৰী চাকৰিয়ালে আজি যিটো নিৰাপত্তা পায় সকলোয়ে নাপায়। চৰকাৰী চাকৰিয়াল সকলে এটা নাম বৃটিচৰ দিনৰ পৰা পাই আহিছে সেইটো হ'ল আমোলা। হাত ধুব ভাত খাব আৰু গা ধুব ভাত খাব। এক তাৰিখে দৰমহা পাব এয়ে আমোলা। যিসকলে শাৰীৰিক পৰিশ্ৰম কৰে সেই সকলে দুবেলা দুমুঠি খাবলৈ নাপায়। যিসকলে শাৰীৰিক পৰিশ্ৰম কৰা নাই বা নকৰে সেইসকলে ভাল ফল খাবলৈ পায়। ভাল ঘৰত থাকিবলৈ পায়, ভাল মটৰত উঠিবলৈ পায়, ভাল কাপোৰ পিন্ধিবলৈ পায় আৰু লগতে ওপৰ স্থানৰ সন্মানো পায়। সেই পদটোৰ প্ৰতি মোহ আবেগ থকাটো স্বাভাৱিক। এই দুখীয়া সকলৰ যদি ভাত কাপোৰৰ ব্যৱস্থা থাকিলেহেঁতেন মোৰ আপত্তি কৰাৰ কোনো থল নাই। আজি যি সকলে ভাল চাকৰি কৰিছে সেই সকলে ভোগ বিলাস কৰিছে সেই সকলে সকলো সুবিধা পাইছে আৰু সেই সকলেই শাসন ব্যৱস্থা চলাইছে। চাকৰি নথকাটোৰে ব্যাখ্যা হ'ল নিবনুৱা। মেট্ৰিক পাচ কৰা সকল হ'ল শিক্ষিত নিবনুৱা আৰু মেট্ৰিকৰ তলৰ বিলাক হ'ল অশিক্ষিত নিবনুৱা। ২০০ টকা দৰমহা পোৱা পিয়ন এজনক যি লাগে ২০০০ টকা দৰমহা পোৱা মানুহ এজনকো সেই একেই খাবলৈ ভাত লাগে, পিন্ধিবলৈ কাপোৰ লাগে। কিন্তু সেই তাৰতম্য আজি চলিয়েই আছে। আৰু এই বৈষম্য মূলক শাসন ব্যৱস্থা চলিয়েই আছে। আমাৰ ইয়াতো হয়তো যৌতুকৰ সম্পৰ্কত আইন হৈ যাব। কিন্তু ইয়াৰ দ্বাৰাও সমস্যা সমাধান নহ'ব। আইন পাচ হোৱাৰ পাচত অন্য উপায় ওলাব। যৌতুক নলৰ বা নিদিয়ে কিন্তু কাক জোৱাই কৰিব আৰু কাক প্ৰমোচন দিব ইত্যাদি কথাও আহি পৰিব। আমাৰ দেশৰ পৰা এতিয়াও দুৰ্নীতি যোৱা নাই। দুৰ্নীতি বাঢ়িছে। আগ দুৱাৰ বন্ধ হ'লেও পিচ দুৱাৰ

খোলা আছে। আজি ছোৱালী এজনী বিয়া দিব লগা হলে শোধ পোচ হয় যে দৰমহাৰ উপৰিও বাহিৰাকৈ কিমান পায়। এই বিলাক কাৰণত আমাৰ চাকৰিটোৰ প্ৰতি মোৰ পুতৌ জন্মে। চাকৰিয়াল সকলক ঔষধ পাতি, ঘৰবাৰী আদি সাজিবলৈ সুবিধা, কোৱাৰ্টাৰ আৰু বহুত নিৰাপত্তা দিয়া হয় আৰু সেই বাবেই চাকৰিৰ প্ৰতি মানুহৰ মোহ বেচি। মাননীয় সদস্য গিয়াচুদ্দিন চাহাবে কৈছে যে সংখ্যালঘু সম্প্ৰদায়ে নিৰাপত্তাহীন হৈ থাকিব লগীয়াটো আজি এটা পৰিতাপৰ কথা। কেৰালাক সমাজবাদী শাসনৰ দেশ বুলি কোৱা যায়। ত্ৰিবান্দম নগৰৰ ভিতৰত এটা বিষ্ণু মন্দিৰ আছে, ইয়াৰ কাষতে এটা হল আছে, এই হলটোৰ বেৰত এটা ঘড়ী আছে। ঘড়ী টাৰ লগতে এটা ছবি আছে। ছবিটো এটা দাড়ি থকা মানুহ আৰু তাত দুটা দুকাষে কলা কুকুৰৰ ছবি আছে, ঘড়ীটোত ১২ টা বজাৰ লগে লগে কুকুৰ দুটাই মানুহটোক চবিয়াই। তাত কোৱা মতে হিন্দু যুগত এজন হিন্দু ৰজাক এজন মুছলমানে আক্ৰমণ কৰাৰ প্ৰতিশোধ হিচাবে মুছলমান ৰজাজনক এনেকুৱাকৈ দেখুওৱা হৈছে। দুইশ আঢ়ৈ শ বছৰৰ আগৰ ঘটনা এটা বৰ্ত্তমানে এনেকৈ ৰখা হৈছে। আনহাতে আমি জাতি ধৰ্ম নিৰপেক্ষৰ কথা কওঁ। কেৰলাৰ সমাজবাদী চৰকাৰৰ এইটো নমুনা। মহকুমা বিলাকক জিলা সদৰ কৰাৰ দাবী উঠিছে। জিলাৰ সদৰৰ সমিপৰ্ষ্ঠ লোক সকলে নিয়োগৰ সুবিধা পায় আৰু তেওঁলোকৰ ভাই ভতিজা বিলাক চাকৰি পায়। জিলা হিচাবে চাকৰিত শিবসাগৰ জিলাৰ লোক বহুত আছে, কিন্তু মহকুমা হিচাবে ভাগ কৰিলে গোলাঘাটৰ লোক কত কম। উপায়ুক্তই জিলাৰ সদৰত বিহু আদিত চেনি আটা দিয়ে সৰহকৈ কাৰণ ওচৰত থকা মানুহখিনিক সন্তুষ্ট কৰিব লাগে। তাৰ পাচত অলপ অচৰপ দূৰৰ খিনিক দিয়ে। যিবিলাক পৰিয়ালৰ মানুহে আজিলৈকে উচ্চ চাকৰি পোৱা নাই তেওঁলোকে যে কেতিয়াবা চাকৰি কৰবাত পাব সেইটো সন্দেহৰ বিষয় বস্তু হৈ পৰিছে।

জনজাতি আৰু অনুসূচিত সম্প্ৰদায়ৰ লোক সকলৰ কাৰণে চাকৰি সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে বুলি কোৱা হৈছে। তেওঁলোকৰ কোটা এতিয়াও পুৰ হোৱা নাই বুলি কৈছে। পুৰ কোন কাহানি হ'ব।

মানুহৰ জন্ম বাঢ়ি আছে দেশ থাকে মানে জাতি থাকিব। নিয়োগৰ শতকৰা হাৰ বঢ়া নাই। এই সংৰক্ষিত ব্যৱস্থা উঠাই দিব নোৱাৰিব। সেয়ে কাৰণ এই অনুপাতত কাহানিও পূৰ নহ'ব.ন। তাৰ উপৰি কিছুমান পৰিয়ালৰ লোকৰ চাক.ৰি নহ'ব। সেই কাৰণে কওঁ চাকৰিৰে চন কৰি দিয়ক। যি জনৰ চাকৰিটো সংস্থাপনৰ ব্যৱস্থা তেওঁলোকৰ অন্যান্য সা-সুবিধা মাটি বাৰী আদি বদ হব লাগে। অন্য হাতে কিটো হৈছে আজি উচ্চ সম্প্ৰদায়ৰ দুখীয়া বামুণ এজনে ঘৰে ঘৰে মাগি ফুৰিব আৰু চাকৰি পোৱা সক.ল ৰ ধনীসকলে দুখীয়া জনক লৈ অঙ্ক কৰিব। উচ্চ জাতৰ জনে উচ্চ জাতৰ জনকে শোষণ কৰিব। আনহাত অনুসূচিত সম্প্ৰদায়ৰ নামত অৰ্থাৎ বিজোৰ.ভনৰ নামত সুবিধা থকা সকলে চাকৰি লৈ থাকিব আৰু নিজৰ মানুহৰ ওপৰতে নিজৰ মানুহে শোষণ চলাব। বংশানুক্ৰমে চলি অহা ধন সম্পত্তিৰ অধিকাৰৰ ব্যৱস্থা বিলাক যদি বদ কৰি দিয়া যায়, তেনেহলে চাকৰিৰ প্ৰতি মোহ নাইকীয়া হৈ যাব। দুৰ্নীতি পৰায়ণ মানুহৰ পৰা চোৰাং ধন উদ্ধাৰ কৰিবলৈ হ'লে পূৰ্ব্বৰ পুৰুষৰ সম্পত্তি পিচৰ পুৰুষে পাব লাগিব। এই বিলাককে কৈ কৈ প্ৰস্তাৱটো সমৰ্থন কৰিছো আৰু প্ৰয়োগৰ ক্ষেত্ৰত যাতে অনিয়মিত হ'ব নোৱাৰে তাৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিব লাগে। আজি জনসংখ্যা অনুপাতত চাকৰি হোৱা ম.নে ধৰক গোলাঘাট মহকুমাত ৬০০০০০ লাখ মানুহ আছে। ছকুৰি চাকৰি ওলাল। এই চাকৰি খিনি মাত্ৰ ৬টা পৰিয়ালক দিলে, সমস্যাটো সমাধান হ'লনে? বেক নহলে আজি কালি চাকৰি নাপায়। এইখিনি কথাকে চমুকৈ কৈ মই প্ৰস্তাৱটো সমৰ্থন কৰিলো।

*শ্ৰীঅম্বৰীষ লাহৰি :— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীলক্ষীকান্ত শইকীয়া ডাঙৰীয়াই সময়োপযোগী হিচাবে যি প্ৰস্তাৱ এই সদনত দাঙি ধৰিছে তাৰ কাৰণে মই তেখেতক ধন্যবাদ জনাইছো। চৰকাৰী বা অৰ্দ্ধ চৰকাৰী নিয়োগ দিয়াৰ ক্ষেত্ৰত বৰ্ত্তমান সময়ত মহকুমাৰ লোক সংখ্যাৰ বৃদ্ধিৰ অনুপাতে যদি নিয়োগ ব্যৱস্থা কৰা হয় সেইটো হ'লে ভাল হয়। কিন্তু এতিয়ালৈকে এই ব্যৱস্থা হোৱা নাই। শইকীয়া

* Speech not corrected

ডাঙৰীয়াই নিয়োগৰ ক্ষেত্ৰত সমবিতৰণৰ কাৰণে যি প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱ মই আন্তৰিকতাৰে সমৰ্থন কৰিছো। আমাৰ বেংকসমূহ জাতীয়-কৰণ কৰাৰ পিচত আমাৰ মহকুমা বা সমষ্টি বিলাকত যিবিলাক বেংক আছে সেই বিলাক বেংকত আমাৰ সেই সমষ্টি বা মহকুমাৰ লৰাৰ নিযুক্তিৰ কাৰণে ভবা হৈছিল। কিন্তু সেই সেই অঞ্চল বা মহকুমাৰ লৰাই নিযুক্তি পোৱা নাই। তেওঁলোকে আহি অন্য ঠাইত বা সচিবালয়লৈ আহি নিযুক্তি পাব বুলি আশা কৰিব নোৱাৰি। সেই কাৰণে মই ভাবো বৰ্ত্তমান যিটো প্ৰস্তাৱ অনা হৈছে সেইটো অতি সময়োপযোগী হৈছে আৰু আন্তৰি-কতাৰে এইটো সমৰ্থন কৰিছো। ইয়াৰ দ্বাৰা নতুন উৎসাহ পোৱা হ'ব বুলি মোৰ বিশ্বাস। তাৰ উপৰিও এই প্ৰস্তাৱৰ জৰিয়তে অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু অন্যান্য পিচপৰা সম্প্ৰদায়ৰ যিসকলে সাংবিধানিক অধিকাৰ স্বীকৃত সত্বেও উপভোগ কৰিব পৰা নাই সেই সকলে সংবিধান স্বীকৃত অধিকাৰ পাব বুলি মই ভাবিছো। 'ৰেজি'অনেল এলিমেণ্টাৰী এডুকেশ্যন বোৰ্ডত' স্থানীয় ভাৱে লৰা নিয়োগ কৰাৰ ব্যৱস্থা কৰা হৈছিল কিন্তু সেইটো ব্যৱস্থাত কিমানদূৰ উপকৃত হোৱা হ'ল সেইটোও বিচাৰ্য্যৰ বিষয়। আঞ্চলিক ভিত্তিত প্ৰাথমিক শিক্ষক নিয়োগ কৰাৰ কথা আছিল যদিও বহুতো খেলিমেলি হৈছে আৰু তেনেকুৱা গোলমালৰ কথা লৈ আমি বহুতো অভিযোগ পাইছো। সেইটো কথালৈ এই সন্দৰ্ভতে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কাৰণে যি সংৰক্ষিত আসন আছে সেই আসন বিলাক লাভ কৰাতো অসুবিধা হৈছে। ইয়াত বহুতো বেক্‌লগ দেখা দিছে। ট্ৰাইবেল এডভাইচৰি বোৰ্ডৰ তৰফৰ পৰা তদৰ্থ কমিটি পাতি সেই ফালৰ পৰা দিহা পৰামৰ্শ দিয়া হৈছে। এই সংক্ৰান্তত দেখা গৈছে যে বহু ঠাইত সংৰক্ষিত পদ সমূহো আন আন সম্প্ৰদায়ৰ লোকে ভোগ কৰি আছে। আনকি এ-পি-এচ-চি আৰু মেডি-কেল কলেজতো তেনেকুৱা আসোৱাহ ধৰা পৰিছে। বৰ্ত্তমান অনা প্ৰস্তাৱৰ জৰিয়তে এই বিলাক খেলিমেলি আঁতৰিব বুলি মই বিশ্বাস কৰিছো আৰু সেয়ে প্ৰস্তাৱটো সমৰ্থন কৰিছো।

উপাধ্যক্ষ মহোদয়, ইয়াৰোপৰি আন এটা পৰামৰ্শ মই দাঙি ধৰিবলৈ ইচ্ছা কৰিছো। ১৯৭৪ চনতে বোৰ্ড অব এলিমেণ্টাৰি এডুকেচনৰ দ্বাৰা বড়ো ভাষা স্বীকৃত কৰা হ'ল আৰু হাইস্কুল পৰ্য্যায়ত শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হ'ল। অসমীয়াৰ সলনি বড়ো ভাষা লোৱা হ'ল, কৰবাত কৰবাত কিন্তু আজিকোপতি বড়ো ভাষাৰ শিক্ষক নিয়োগ কৰিব পৰা হোৱা নাই। ইয়াৰ ফলত শিক্ষাৰ্থী সকলৰ ভীষণ অসুবিধা হৈছে। গতিকে মই এই কথাটোলৈ দৃষ্টি আকৰ্ষণ কৰিছো কিয়নো ইয়াৰ কাৰণে এটা জেনেৰেচন পিচ পৰি যাব। এইটো ভাবিবলগীয়া কথা। শিক্ষক নিয়োগ নকৰাৰ ফলত যাতে এটা জেনেৰেচনে চাফাৰ কৰিব নালাগে তাৰ কাৰণে দৃষ্টি দিবলৈ মই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি গোচৰ কৰি থলোঁ। ইয়াৰ লগতে মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাৱটো সমৰ্থন কৰাৰ লগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াকো প্ৰস্তাৱটো বিবেচনা কৰি এই কথাখিনি বিবেচনা কৰাৰ কাৰণে অনুৰোধ কৰি প্ৰস্তাৱ দাঙি ধৰা বাবে শ্ৰীশইকীয়া ডাঙৰীয়ালৈ ধন্যবাদ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

(At 12-04 P. M. Mr. Deputy Speaker vocated the Chair and Mr. Chairman Shri Chatra Gopal karmakar took it.)

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— মাননীয় চেয়াৰমেন মহোদয়, আমাৰ যোৱা অধিবেশনৰ এক এপ্ৰিল তাৰিখে যিটো প্ৰস্তাৱ মাননীয় সদস্য শ্ৰীলক্ষীকান্ত শইকীয়া ডাঙৰীয়াই দাঙি ধৰিছিল অৰ্থাৎ চৰকাৰী আৰু অৰ্ধচৰকাৰী চাকৰিবিলাক মহকুমা ভিত্তিক জনসংখ্যা প্ৰতিবিম্বিত কৰিব লাগে। এই প্ৰস্তাৱটো মই সৰ্ব্বান্তকৰণেৰে সমৰ্থন কৰিছো। এই প্ৰস্তাৱ কিয় আহিল আৰু কিয় উত্থাপন কৰিব লগীয়া হ'ল আৰু কিয় সমৰ্থন কৰিবলগীয়া হৈছো তাৰ কাৰণ যদি ভাবি চোৱা হয় তেনেহ'লে এই কাৰণবোৰ হ'ল, যে—আজি স্বাধীনতাৰ আচল উদ্দেশ্য আছিল, মহাত্মাজীৰ যি সপোন আছিল সেইমতে অতি নিষ্পেষিত জনেও স্বাধীনতাৰ পোহৰ পাব আৰু বিকশিত হৈ উঠিব, নিজৰ দেশক আপোন বুলি লব আৰু এয়েই হ'ব ৰামৰাজ্য

* Speech not corrected

বা গ্ৰামৰাজ্য। এই যি সপোন দেখিছিল সেইটো আজিলৈকে ঠিকমতে নোহোৱা কাৰণে এনেকুৱা এটা প্ৰস্তাৱৰ প্ৰয়োজন হৈছে। এই প্ৰস্তাৱৰ প্ৰয়োজন নহ'লহেতেন যদি আজি আমাৰ প্ৰধানমন্ত্ৰীৰ নেতৃত্বত যি কুৰি-দফীয়া আঁচনি লৈছে সেই আঁচনি যদি সম্পূৰ্ণৰূপে কাৰ্য্যকৰী কৰিব পাৰো। কিন্তু আমাৰ সমাজত কিছুমান অন্যায় দেখ দেখকৈ হৈ থকা বাবে সেইবিলাক নাইকীয়া কৰিবৰ কাৰণে আজি এই প্ৰস্তাৱ এই পবিত্ৰ সদনলৈ অনা হৈছে। মই আশা কৰিছো যে এই প্ৰস্তাৱৰ যোগেদি আমাৰ বন্ধুবৰ সদস্য গৰাকীয়ে উল্লেখ কৰাৰ দৰে যোগ্যতাৰ মাপ কাঠি লৈ নষ্ট হব পাৰে বা সাম্প্ৰদায়িক ঐক্যত হয়তো আঘাত হানিবও পাৰে বুলি কিছুমান সন্দেহ বা দোধোৰ—মোধোৰ ভাৱৰ সৃষ্টি কৰিবও পাৰে। কিন্তু আমি যদি যোৱাকেইবছৰৰ স্বাধীনতাৰ পিচৰ আমাৰ ইতিহাসৰ পাত লুটিয়াই চাওঁ আমি ভালকৈ বুজি পাম আৰু এই ক্ষেত্ৰত যদি কোনো শ্ৰেণী বা কোনো চাম অসুবিধাৰ সন্মুখীন হৈও তাতকৈ কথা হ'ব জাতীয় ঐক্য পবিত্ৰতাৰে ৰক্ষা কৰি সমাজৰ পিচ-পৰি থকা শতকৰা পয়সত্তৰ ভাগ লোকক সমানে আগুৱাই লৈ যোৱা-টোহে। আৰু তাতেই বিচাৰি পাম এই প্ৰস্তাৱৰ সাৰ্থকতা। সেইভাৱে এই প্ৰস্তাৱৰ মূল লক্ষ্যত উপনীত হব পৰাকৈ এই প্ৰস্তাৱৰ মূল উদ্দেশ্য ৰূপায়িত কৰিবলৈ মই চৰকাৰক অনুৰোধ জনাইছো। এই ক্ষেত্ৰত জিলা ভিত্তিক নিয়োগতকৈ মহকুমা ভিত্তিক নিয়োগত বেচি জোৰ দিয়া হৈছে। আমাৰ মঙ্গলদৈ মহকুমাৰ কথাকে কওঁ। তাত প্ৰায় আঠ লাখ পয়ত্ৰিশ হাজাৰ লোকসংখ্যাৰ মাজত মঙ্গলদৈ টাউনত এখন মাত্ৰ কলেজ। বিজ্ঞান শাখাৰ বাবে সুবিধা এতিয়াও হোৱা নাই। অসমীয়াত অনাৰ্চ নাই, ইংৰাজীত অনাৰ্চ নাই, হিষ্টৰিত অনাৰ্চ নাই। তাৰ পিচত টংলাত এখন কলেজ আছে কিন্তু পূৰ্ণ পৰ্য্যায়ৰ নহয়। ছিপাঝাৰত এখন খোলা হৈছে মাত্ৰ প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীলৈকে। গতিকে দেখা যায় প্ৰায় ন লাখ জন-সংখ্যাৰ মাজত মাত্ৰ এখন ডেফিচিট কলেজ আৰু এখনত মাত্ৰ ক্লাচ কৰাৰ সুবিধা হৈছে। গতিকে চাকৰি বাকৰি জিলা ভিত্তিতেই হওঁক বা ৰাজ্যিক ভিত্তিতেই হওঁক অসুবিধা হোৱাতো স্বাভাৱিক।

এই সকলো বিলাক কথা এই প্ৰস্তাৱত নিহিত হৈ আছে। এই প্ৰস্তাৱত কোনো জাতি, সম্প্ৰদায় ইত্যাদি কাকো বাদ দিব নোৱাৰি। পিচপৰা সকলো সম্প্ৰদায়ক সামৰি লোৱাৰ কাৰণে এই প্ৰস্তাৱটো কাৰ্য্যকৰী কৰিবলৈ অনুৰোধ কৰা হৈছে। মই আশা ৰাখিছো এই প্ৰস্তাৱটোৰ জৰিয়তে অসমৰ যিটো অখণ্ডতাৰ কাৰণে যিটো প্ৰয়োজনীয় সংঘতি তাক কটকটীয়া কৰাৰ কাৰণে সুবিধা হ'ব। সেই কাৰণে মই নকওঁ যে আজি মহকুমাৰ নামত চাকৰিয়াল বা জিলাৰ ভিত্তিত চাকৰিয়াল ইত্যাদি বৰ্ণনা দিয়াৰ কোনো প্ৰয়োজন নাই। এই প্ৰস্তাৱটো সদনৰ সকলো দলে সম্মতি জ্ঞাপন কৰাটো গৌৰৱৰ কথা। সেই কাৰণে মই মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই প্ৰস্তাৱটো উত্থাপন কৰাৰ কাৰণে ধন্যবাদ দিছো। আৰু এই প্ৰস্তাৱটোৰ যিটো স্পীৰিট তাক কাৰ্য্যত পৰিণত কৰিবলৈ সেই স্পীৰিটৰে আগবাঢ়ে। শেষত মই প্ৰস্তাৱটো সমৰ্থন কৰি পুনৰবাৰ ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীপ্ৰেম বৰা: — মাননীয় সভাপতি মহোদয়, এই পবিত্ৰ সদনত মাননীয় সদস্য শ্ৰীলক্ষীকান্ত শইকীয়া ডাঙৰীয়াই এই প্ৰস্তাৱৰ জৰিয়তে এইখিনি কথা আলোচনা কৰিবলৈ সুযোগ আগবঢ়োৱাৰ বাবে তেখেত ধন্যবাদৰ পাত্ৰ। এই প্ৰস্তাৱৰ জৰিয়তে আমাৰ যি বৈষম্যৰ কথা উল্লেখ কৰা হৈছে সেইটো আঞ্চলিক বৈষম্যই হওঁক বা আন কোনো জন গোষ্ঠিৰ বৈষম্যই হওক সকলোৰে অন্তৰৰ বেদনা প্ৰতিফলিত হৈছে। আমি সমাজবাদী সমাজ গঢ়াৰ কাৰণে চিন্তা কৰিছো আৰু ইয়াত বিভিন্ন জাত পাত ইত্যাদিৰ কথা আলোচনা হৈছে। কিন্তু এতিয়ালৈকে নিয়োগৰ ক্ষেত্ৰত যিখিনি বৈষম্যই দেখা দিছে আৰু তাৰ কাৰণে যি উদ্বেগ প্ৰকাশ কৰিছে সেইখিনি আচৰে আতৰ কৰিবৰ কাৰণে এই প্ৰস্তাৱৰ জৰিয়তে বহুখিনি সুবিধা হ'ব। এই সম্পৰ্কত মই দৃষ্টি আকৰ্ষণ কৰি কৈছো যে নিয়োগৰ ক্ষেত্ৰত আজি কেন্দ্ৰীয় সেৱা বা ৰাজ্যিক সেৱাত যিবিলাক বিজুতি ঘটি আছে সেইবিলাক চিন্তাকৰিবলগীয়া। আজি অসম কেন্দ্ৰীয় সেৱাৰ চাকৰিত পিচ পৰি আছে। আমাৰ অসমৰ কথা অসমৰ মুখ্য

* Speech not corrected

মন্ত্ৰীয়ে দিল্লী দৰবাৰত পতিয়ন নিয়াব লাগিব। কেন্দ্ৰীয় চৰকাৰৰ আই,এ এচ, ৰ সুবিধা আমাৰ অসমৰ মানুহে পোৱা নাই। মই কোনো সাম্প্ৰদায়িকতা হ'বলৈ কোৱা নাই বা কোনো ধৰ্মান্ধ হ'বলৈও কোৱা নাই। কেৱল মই কব খোজো যে এই প্ৰস্তাৱৰ জৰিয়তে আমাৰ যি বৈষম্য, আঞ্চলিক বৈষম্য বা অইন জনগোষ্ঠী বৈষম্য সেইটো চৰকাৰে উপলব্ধি কৰিব। আৰু সেই মতে কামত অৱতীৰ্ণ হ'ব। বিশেষকৈ নিয়োগৰ ক্ষেত্ৰত আঞ্চলিক বৈষম্যই হওক বা সাম্প্ৰদায়িক বৈষম্যই হওক সেইটো থাকিব নেলাগে। সকলো ঠাইতে বিভিন্ন নিয়োগৰ ক্ষেত্ৰত স্পষ্ট নীতি এটা লোৱাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ। এই সম্পৰ্কত এতিয়ালৈকে হোৱা নিয়োগৰ এটা পৰিসংখ্যা দৰকাৰ হ'ব। আৰু ই নিয়োগৰ ক্ষেত্ৰত উপকাৰ হ'ব। ইয়াৰ দ্বাৰা অচিৰে বৈষম্য দূৰ কৰিব পৰা যাব। এই খিনিকে কৈ প্ৰস্তাৱটো সমৰ্থন কৰি সামৰণি মাৰিলো।

(At this stage Hon'ble Deputy Speaker occupied the Chatr and Mr. Chairman Shri Chatra Gopal Karmakar Vocated the Chair.)

শ্ৰীমতী তৰুলতা বৰা :— মাননীয় উপাধ্যক্ষ মহোদয়, এই পৱিত্ৰ সদনত মাননীয় সদস্য শ্ৰীলক্ষীকান্ত শইকীয়া ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে সেইটো মই সমৰ্থন জনাইছো, এই প্ৰস্তাৱটো আৰু আগতেই আহিব লাগিছিল। এতিয়া দেৰিয়ে হৈছে বুলি বিবেচনা কৰিছে। এই ক্ষেত্ৰত মই মাত্ৰ দুটামান কথা কবলৈ ওলাইছো। এটা হ'ল আমাৰ যিবিলাক চাকৰি, চৰকাৰী বা অনাচৰকাৰীয়েই হওক তাত যিবিলাক ল'ৰা-ছোৱালীক ইণ্টাৰভিউ লৈ মতা হয় তাত কিছুমান ভাল ল'ৰা-ছোৱালীয়েই খুব ভাল ৰিজাল্ট কৰিও ওপৰৰ প্ৰেচাৰ বা কোনোবা ৰাজনৈতিক ভাৱধাৰাৰ যোগেদিয়েই হওক বা কোনোবা অফিচাৰৰ দ্বাৰা নিজৰ অঙহি-বঙহি ইত্যাদিৰ সুবিধা দিবলৈ যাওতে তেওঁলোক বঞ্চিত হবলগীয়া হয়। গতিকে আমাৰ যদি এই নিযুক্তি মহকুমা বা জিলা ভিত্তিত হয় আৰু সেই মতে যদি পলিচি কৰা হয় তেতিয়াহ'লে আমাৰ প্ৰত্যেক ল'ৰা-ছোৱালীয়ে সুবিধা পাব বুলি মই ভাবো। আৰু এটা কথা হ'ল যে কিছুমান ল'ৰা-ছোৱালী পিচপৰা আনহাতেদি কিছুমান ঠাইৰ ল'ৰা-ছোৱালী তেওঁলোকতকৈ বুদ্ধি বৃত্তিত

আগবঢ়া। তেনে ক্ষেতত্ৰ এই আগবঢ়া সকলে বেছি সুবিধা পায়। বিশেষকৈ আমাৰ পিচ পৰা এনে কিছুমান অঞ্চল আছে যেনে—প্ৰসঙ্গক্ৰমে কওঁ যে শদিয়াৰ ল'ৰা-ছোৱালী বিলাক যদি গুৱাহাটীৰ ল'ৰা-ছোৱালীৰ লগত প্ৰতিযোগীতালৈ আহে, তেতিয়া তেওঁলোকে নিশ্চয় নোৱাৰিব। ফলত শদিয়াৰ ল'ৰা-ছোৱালীবিলাকে সুবিধাৰ পৰা বঞ্চিত হয়।

এই ক্ষেত্ৰত যদি জিলা ভিত্তিত বা মহকুমা ভিত্তিত চাকৰিত নিয়োগৰ ব্যৱস্থা লয় তেতিয়াহ'লে নিশ্চয় পিচ পৰা অঞ্চলৰ ল'ৰা-ছোৱালী বিলাকে সুবিধা পাব। আৰু এটা কথা যে আজি আমাৰ দেশত যি ধৰণেৰে নিবনুৱা সমস্যা ব্যাপকভাবে দেখা দিছে এই ব্যাপক ৰূপৰ নিবনুৱা সমস্যা সমাধান কৰিবলৈ হ লে মহকুমা ভিত্তিত যদি চাকৰি দিয়াৰ ব্যৱস্থা কৰে তেতিয়াহ'লে আমাৰ কিছু ক্ষেত্ৰত নিবনুৱা সমস্যা দূৰ হ'ব বুলি ভাবো। কাৰণ আমি দেখা পাইছো যে সদায় কিছুমান ঠাইৰ ল'ৰা-ছোৱালীয়েই চাকৰি আদিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ পাই আহিছে। তাৰ ফলত কিছুমান জিলাৰ ল'ৰা-ছোৱালীয়ে অগ্ৰাধিকাৰ পোৱাৰ পৰা বঞ্চিত হৈছে যদি মহকুমা ভিত্তিত সমান ভাবে জনসংখ্যা ভিত্তিত চাকৰি বণ্টনৰ ব্যৱস্থা লয় তেতিয়াহ'লে যিবিলাক চাকৰিৰ প্ৰাৰ্থী আছে তেওঁলোকে নিশ্চয় সুবিধা পাব। মই এইক্ষেত্ৰত উল্লেখ কৰিব বিচাৰিছো যে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ কাৰণে ৰিজাৰভেচন থকাৰ কাৰণে তেওঁ-লোকে বহুতবিলাক সুবিধা পাই আহিছে আৰু চাকৰি আদিৰ পৰাও বঞ্চিত হোৱা নাই। ঠিক সেইদৰে চৰকাৰে অন্যান্য পিচপৰা শ্ৰেণীৰ ফালৰ পৰা ৭টা অতিশয় পিচপৰা জাতিৰ ভিতৰতো যিটো একেবাৰেই অতিশয় পিচপৰা জাতি তেওঁলোকক সুবিধা দিয়াৰ ব্যৱস্থা কৰিব লাগে। নহ'লে যি ২৯টা অন্যান্য পিচপৰা শ্ৰেণী আছে তাৰ ভিতৰত যিকেইটা একেবাৰেই পিচ পৰা সেইসকলক আগবঢ়াই অনাৰ কাৰণে চেষ্টা কৰিব লাগে। নহ'লে এইকেইটা জাতি কেতিয়াও ওপৰলৈ উঠিব নোৱাৰিব। চৰকাৰে কুৰি-দফীয়া আঁচনিৰ ভিতৰত পিচপৰা শ্ৰেণীবিলাকক সুবিধা দিয়াৰ কাৰণে ব্যৱস্থা ৰাখিছে। গতিকে চাব লাগিব অন্যান্য পিচপৰা শ্ৰেণীৰ ভিতৰত যিকেইটা অতি পিচপৰা শ্ৰেণী যিসকলে চাকৰিৰ ফালৰ পৰা, শিক্ষা আদিৰ

ফালৰ পৰা সুবিধা পোৱা নাই সেইসকলৰ উন্নয়নৰ কাৰণে প্ৰয়োজন হ'লে অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ দৰে আচূতীয়াকৈ আসনৰ ব্যৱস্থা কৰিবলৈ মই এই সদনৰ দৃষ্টি আকৰ্ষণ কৰিলো।

প্ৰসঙ্গক্ৰমে মই আৰু এটা কথা ক'ব বিচাৰিছো যে ৭টা শ্ৰেণীৰ ভিতৰত মেডিকেলত ৭টা চিট ৰিজাৰ্ভ আছে। তাৰ ভিতৰত এনেকুৱা কিছুমান কথা আছে যে কিছুমান মানুহে অপচেষ্টা কৰি কাষ্ট চাৰ্টিফিকেট দি চিট দিছে। শিৱসাগৰৰ এজন আহোম ল'ৰাই মৰাণ বুলি কাষ্ট চাৰ্টিফিকেট লৈ চিট দখল কৰিছে। ইয়াৰ ৰিপ'ৰ্ট মুখ্যমন্ত্ৰীক দিয়া হ'ল, স্বাস্থ্যমন্ত্ৰীক দিয়া হ'ল, কিন্তু আজি পৰ্য্যন্ত তাৰ কোনো ব্যৱস্থা নহ'ল। এই ল'ৰাজনৰ এডমিচনৰ কোনো এটা ব্যৱস্থা হোৱা নাই। আশাকৰো মুখ্যমন্ত্ৰী মহোদয়ে যিজন সদস্যই আহোম ল'ৰাজনক মৰাণ বুলি চাৰ্টিফিকেট দিছে তেখেতৰ ওপৰত ব্যবস্থা গ্ৰহণ কৰিব আৰু ল'ৰাজনৰ ওপৰতো ব্যবস্থা লোৱাৰ দিহা কৰিব। এইক্ষেত্ৰত মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো যে মহকুমা ভিত্তিত বা জিলা ভিত্তিত এনেধৰণেৰে নিয়োগৰ আঁচনি লয় তেতিয়াহ'লে নিশ্চয় পিচ পৰা অঞ্চলৰ ল'ৰা-ছোৱালীবিলাকে সুবিধা পাব। আৰু এইটোকে আমি বাঞ্ছা কৰো। মই এইখিনিকে কৈ শ্ৰীশইকীয়া ডাঙৰীয়াৰ প্ৰস্তাবটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—প্ৰসঙ্গক্ৰমে মই এইটো কথা কব পাৰোনেকি যে যিজন ল'ৰাই চাৰ্টিফিকেট ললে তেওঁৰ যদি যোগ্যতা আছে বা গুণ আছে তেতিয়াহ'লে তেওঁক মৰাণ সম্প্ৰদায়ৰ কৰি ল'ব নেকি ?

শ্ৰীপিটসিং কোঁৱৰ :—মাননীয় উপাধ্যক্ষ মহোদয়, শ্ৰীশইকীয়া ডাঙৰীয়াই যোৱা এপ্ৰিল মাহত অনা প্ৰস্তাৱটো এতিয়াও অহাটো ঐতিহাসিক বুলিয়েই ধৰি লৈছো। এই প্ৰস্তাৱটো এতিয়ালৈকে যিসকলে কলে তেখেতসকলে সমৰ্থন কৰাই শুনিবলৈ পাইছো। কিন্তু মই এই ক্ষেত্ৰত কিছুমান ৰিজাৰভেচন ৰাখিব বিচাৰিছো। কাৰণ ইমপ্লিমেন্টচনৰ ক্ষেত্ৰত কিছুমান দিগদাৰি আহিব। আই, এ, এছ, এ, চি, এচ (১), এ, চি, এচ (২) ৰ ক্ষেত্ৰত মই ৰিজাৰভেছন ৰাখিব বিচাৰিছো। আজি শ্ৰীসিংহ মুখ্যমন্ত্ৰী হোৱা ৪ বছৰ হৈ গ'ল আৰু

এক বছৰ পাব। ইয়াৰ পিচত যিখন মন্ত্ৰীসভা হ'ব সেই মন্ত্ৰীসভাই এইখন মন্ত্ৰীসভাক অনুকৰণ কৰিব নে নকৰে সেইটোও ভাবিবলগীয়া কথা। কাৰণ আমি দেখিবলৈ পাইছো যে এখন মন্ত্ৰীসভাই যিবিলাক কাম কৰে তাৰ পিচৰখনে সেইদৰে নকৰে। আমি দেখি আহিছো যে যেতিয়াই যিসকল লোক আহিছে সেইসকলৰ মানুহেই ডাঙৰ ডাঙৰ বিষয়-বাব পাইছে। গতিকে চৰকাৰো বহুত পৰিমাণে নিকা হ'ব লাগিব। আমি চাকৰিয়ালসকলে কোৱা শুনিবলৈ পাওঁ, আমাৰ ৩০ বছৰ চাকৰি আমাক কোনে খেদে? এম, এল, এ, মিনিষ্টাৰ আহিছে মাত্ৰ পাঁচ বছৰৰ কাৰণে তেওঁলোকক উকুৱাই দিম। মন্ত্ৰীসকলে ৪ৰ্থ শ্ৰেণীৰ চাকৰিৰ কাৰণে মানুহ পথালে দিগদাৰী হয়। তেওঁলোকে কয় যে আমাৰ ওচৰলৈকে আহিলেই হয় কিয় মন্ত্ৰীৰ ওচৰলৈ যাব লাগে। এইটোৰ 'ৰি-একচন' ইমাৰজেন্সিৰ পিচত হৈছে।

মিঃ ডেপুটী স্পীকাৰ :—আপোনাক কিমান সময় লাগিব? কাৰণ চাৰে বাৰ বাজিল।

শ্ৰীপিটসিং কোঁৱৰ :—সময় লাগিব। মই উঠিছোহে।

Mr. Deputy Speaker :—The house stands adjourned till 2·30 p. m.

[ After launch ]

শ্ৰীপিটসিং কোঁৱৰ :—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীশইকীয়া ডাঙৰীয়াই অলপ আগতে এই প্ৰস্তাৱটোৰ কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰত কেনে ধৰণৰ বাধা আহিব পাৰে সেইটোৰ সম্পৰ্কে কিছু কৈছিল। মাননীয় মুখ্যমন্ত্ৰীয়ে তাৰ কাৰ্য্যকৰীকৰণৰ কাৰণে যৎপৰোনাস্তি চেষ্টা কৰিব তাতে কিন্তু এটা আছে। যিবিলাক 'চেনচণ্ড পোষ্ট' আছে সেইবিলাকত নিয়োগৰ কাৰণে ব্যৱস্থা কৰা হৈছে নে নাই সেইটো চাব লাগে। মইও এসময়ত 'এডভাইচৰি কমিটি'ত থাকি জনাৰ সুবিধা পাইছিলো যে যিবিলাক বিভাগৰ ইতিমধ্যেই সম্প্ৰসাৰণ কৰা হৈছে বা যিবিলাকৰ ভৱিষ্যতে সম্প্ৰসাৰণৰ সুবিধা আছে সেইবিলাকত চতুৰ্থ শ্ৰেণীৰ যথেষ্ট চাকৰি খালি আছে। কিন্তু তাত মানুহ লোৱা হোৱা নাই। সম্পূৰ্ণ নাম-তথ্য সহকাৰে এইবিলাক দাঙি ধৰিলে হয়তো কাৰোবাৰ ক্ষতি হ'ব পাৰে সেই কাৰণে

মই তেনে কৰিব নখোজি এইটোকে কওঁ যে ৬০।৭০ টা চাকৰিৰ পদ খালি থকা স্বত্বেও সুধিলে নাই বুলি কয়। অহেতুক উপায়েৰে সেইবিলাকত সোমোৱাই দায়ীত্ব থকা সকলে নিজৰ স্বাৰ্থৰ কাৰণে। আনকি এই ৰাজধানীতে সেইবিলাক ঘটনা হৈ আছে। দৰ্কাৰ হ'লে তাৰ নামো কব পাৰো। এই ধৰণেই যদি ব্যৱস্থা চলি থাকে তেতিয়াহ'লে এই আঁচনি কাৰ্য্যকৰী কেনেকৈ হব ? পপুলেচন ৰিফ্লেক্ট কেতিয়াও নহব। তাৰোপৰি এনেও হৈ থাকে যে, কোনো ডাঙৰ চাকৰিয়ালৰ লগত কাম কৰি থকা সহায়কাৰী আদিয়ে সেই ডাঙৰ চাকৰিয়ালজনক হাতে-ভৰিয়ে ধৰি নিজৰ ভাই-ভতিজা আদিক সোমোৱাই লয়। তেওঁলোকৰ অনুৰোধ আদি উপেক্ষাও কৰিব নোৱাৰে কিয়নো তেওঁলোকৰ কাগজৰ ওপৰতে সদায় চহী মাৰি আহিছে গতিকে সাধাৰণতে এটা মৰম ওপজে। এইধৰণৰ ব্যৱস্থা চলি আছে যাৰ দ্বাৰা পপুলেশ্বন ৰিফেলক্ট নহব। আৰু কেইদিনমান আছে আমাৰ মুখ্যমন্ত্ৰী যেনেকৈ ঘূৰিব লাগিছে ইমান কম সময়ৰ ভিতৰত কাৰ্য্যকৰী কেনেকৈ কৰিব ? হয়তো তেখেতক ২০ বছৰমান মুখ্যমন্ত্ৰী কৰি ৰাখিব পাৰিলেহে হয়তো এই আঁচনি কাৰ্য্যকৰী কৰিব পাৰিব। আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ দেৱে দীঘলীয়া সময় পাইছিল। কিছুমান ভাল ভাল মানুহক তেখেতে নিয়োগ কৰি থৈ গৈছিল। সেইদৰে শ্ৰীদেৱেশ্বৰ শৰ্ম্মাদেৱেও তেখেতে ভাল বুলি ভবা কিছুমান মানুহক নিয়োগ কৰি গৈছিল। অৱশ্যে সেইবিলাকৰ প্ৰায়বিলাকেই এতিয়া মানে অৱসৰ পালে কিজানি। মাননীয় সদস্য শ্ৰীশইকীয়া ডাঙৰীয়াই যদি এই প্ৰস্তাৱটো মন্ত্ৰী পোৱাৰ আৰম্ভণিতে আনিলেহেতেন তেতিয়াহ'লে মুখ্যমন্ত্ৰীয়ে হয়তো সেইটো কিছু পৰিমাণে কাৰ্য্যকৰী কৰিব পাৰিলেহেতেন। কিন্তু তেখেতে আনিছে আৰু ৯।১০ মাহ মান থাকোতেই। শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰ আজি ইয়াত নাই যদিও তেখেত শিক্ষামন্ত্ৰী হৈ থকা সময়ত 'ৰেজিয়নেল বৰ্ড' বিলাক কৰি বেছ ভাল কৰিলে। তাৰ দ্বাৰা 'পপুলেশ্বন ৰিফ্লেক্ট' হৈছিল। আমাৰ বহুতো মাননীয় সদস্যইও খালি নিজা নিজা স্বাৰ্থত নিজে প্ৰতিনিধিত্ব কৰা সকলক চাকৰি দিবলৈ গৈ সংখ্যালঘিষ্ঠসকলক থেলি দিয়াৰ কাৰণে হেতা-ওপৰা লাগিছিল।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—সেইটো হয়তো কাৰোবাৰ কাৰোবাৰ ক্ষেত্ৰত হব পাৰে।

শ্ৰীপিটসিং কোঁৱৰ :—হয়, সেই কথা আপোনাৰ আৰু মোৰ ক্ষেত্ৰত হোৱা নাই। যিয়েই নহওঁক এনেধৰণে হ'লে এইবিলাক কাৰ্য্যকৰীকৰণ কেনেকৈ হব পাৰে সেইটোও বিচাৰ্য্য। হয়তো দুটা বিভাজন কৰিবলগীয়া হব পাৰে। প্ৰশাসনীয় সুবিধাৰ কাৰণে ভাল ভাল মানুহৰ প্ৰয়োজন গতিকে তাৰ কাৰণে ৰিজাৰ্ভেশ্বনৰ দৰকাৰ হব পাৰে। কিন্তু চতুৰ্থ আৰু তৃতীয় শ্ৰেণীৰ লোক সকলৰ কাৰণে নিয়োগৰ ব্যৱস্থা কৰি 'পপুলেশ্বন ৰিফ্লেক্ট' কৰিবৰ ব্যৱস্থা কৰিলে ভাল হব। সকলো মানুহকে সমানে সুবিধা দিব লাগে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে ১৯৭৫ চনৰ ভিতৰতে জনজাতীয় আৰু অনুসূচীত জাতিৰ ক্ষেত্ৰত যিবিলাক চাকৰি খালি আছিল সেইবিলাক পূৰণ কৰিব পাৰিম বুলি কৈছিল। গতিকে তেখেতে যিবিলাক খালি পোষ্ট অপূৰণীয় হৈ আছে সেইবিলাক আৰু বিভিন্ন বিভাগৰ যিবিলাক চেংস্বণ্ড পোষ্ট খালি হৈ আছে সেইবিলাকৰ প্ৰকৃত হিচাব-পত্ৰ উলিয়াই তাক অনতি পলমে পূৰণ কৰিব পাৰিলে ভাল হব। বিশেষ ধৰণৰ এই প্ৰশাসনীয় যন্ত্ৰৰ দ্বাৰা এইটো কৰিব পাৰিলে 'পপুলেশ্বন ৰিফ্লেক্ট' কৰিব পৰা যাব।

আজি আমি শুনি ভাল পাইছো যে পৰিবহন নিগমৰ কণ্ডাক্টৰৰ যিবিলাক চাকৰি আগতে একে ঠাইতে পাইছিল, যিসকলে খবৰ পায় তেওঁলোকে দৰ্খাস্ত কৰে আৰু সুবিধা পায় আৰু যিসকলে খবৰ নেপায় নোপোৱাকৈ থাকে সেই পদবিলাক জিলাৰ ভিত্তিত বা মহকুমাৰ ভিত্তিত দিব বুলি কৈছে।

আজি আমাৰ ডেকা ল'ৰাবিলাকৰ মাজত নানা ধৰণৰ খেলিমেলিয়ে দেখা দিছে এই চাকৰিৰ কাৰণে। বহুতে পুলিচৰ এচ আই, এ এচ আইৰ কাৰণে আবেদন নিবেদন কৰিও ফল ধৰা নাই। গতিকে মই ভাবো এই সমস্যাবিলাকৰ সমাধান কৰিবলৈ হ'লে এক দেৰ বছৰৰ ভিতৰত প্ৰায় ৫০ হাজাৰমান চাকৰি খুলি তাতে দি দিয়ক তেতিয়াহে এই সমস্যাৰ সমাধান হব। অৱশ্যে পুলিচ বিভাগৰ চি আই দি, ইউ বি আদিত বহুত আণ্ডাৰ মেট্ৰিক পাছ ল'ৰা সোমাইছে। যিসকলে ঘূৰি-পকি ফুৰিব পাৰে কিবাকৈ চিপাহীত সোমাই লৈছে। আমি পুলিচ বিভাগত হিচাপ কৰি পাইছো

আমাৰ ট্ৰাইবেল বিলাকৰ ভিতৰত ৯·৮ ভাগ ল'ৰাই চিপাহী চাকৰি পাইছে আৰু আমাৰ কোটা হিচাপে মাত্ৰ ·২ ই পাবলৈ আছে। এইটো ভালেই হৈছে আমাৰ ট্ৰাইবেল ল'ৰাবিলাক স্বাস্থ্যবান, বলী, মানুহো মাৰিব পাৰে কিন্তু তেওঁলোকে আই এ এচ বা অন্য চাকৰি কৰাতকৈ পুলিচকে হৈছে। গতিকে এনেধৰণে আনবিলাকেও পাব লাগে। সেই কাৰণে কৈছো ৫০ হাজাৰ চাকৰি উলিয়ালে গোটেই মহকুমাতে প্ৰায় ৫-১০ হাজাৰ ল'ৰাই চাকৰি পাব সিদিনা এটা ল'ৰাই মোক কৈছে যে আপুনি কিহৰ এম এল এ, এটা চাকৰি দিব নোৱাৰে। কোনোবা এজনে বোলে এ এচ আই চাকৰি দিম বুলি ১৫০০ টকা খালে কিন্তু চাকৰি দিব পৰা নাই, এতিয়া আকৌ ল'ৰাটোকে ঘূৰাই দিবলৈ ধৰিছে আৰু তেওঁ ও ঘূৰাই দিম বুলি কৈছে। সেই কাৰণে কৈছো যাৰ টকা আছে তেওঁ হেনো চাকৰি পায়। চাকৰিবিলাক ওলাই দিশপুৰত আমাৰ বহুত ল'ৰা-ছোৱালীৰ দিশপুৰলৈ আহিবলৈ টকাই নাই, ক'ৰ পৰা আহি চাকৰি বিছাৰিব। আজি ট্ৰাইবেল বা জনজাতি সকলৰটো পইছা নাই, ক'ৰ পৰা খৰছ কৰি চাকৰি লব। গতিকে এই প্ৰস্তাৱটো ৰিজাৰ্ভেছন ৰাখি মই সমৰ্থন কৰি বক্তব্যৰ সামৰণি মাৰিলো।

*শ্ৰীগিয়াচুদ্দিন আহমেদ :— অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই এটা স্পষ্টিকৰণ উৎথাপন কৰিব বিছাৰিছো অৱশ্যে মই বক্তৃতা দি গৈছো। এই প্ৰস্তাৱটোৰ যিটো অসমীয়া অনুবাদ দিছে সেই অনুবাদটো থকা কাৰণে মই মোৰ বক্তৃতাত আশংকা প্ৰকাশ কৰিছিলো। ইয়াত কৈছে "ৰাজ্যৰ চৰকাৰী, অৰ্দ্ধ চৰকাৰী পদ সমূহত নিযুক্তিৰ বাবে জন সংখ্যা অনুপাতে দিয়াহওঁক বুলি সদনে অনুমোদন জনাওঁক।" লোকসংখ্যা অনুপাতে আৰু ইংৰাজীত Population pattern ৰ মাজত বিৰাট প্ৰাৰ্থক্য আছে আৰু সেই কাৰণে মোৰ বক্তৃতাত মই আশংকা প্ৰকাশ কৰিছিলো। গতিকে মাননীয় সদস্য শ্ৰীলক্ষীকান্ত শইকীয়া ডাঙৰীয়াই তেখেতৰ উত্তৰত অসমীয়া অনুবাদটো সম্পৰ্কে কোনটো সদনে গ্ৰহণ কৰিবলৈ ওলাইছে এটা স্পষ্টিকৰণ দিব বুলি আশা কৰিলো আৰু এই স্পষ্টিকৰণৰ নিশ্চয় দৰ্কাৰ হব।

---

* Speech not Corrected

শ্ৰীলক্ষীকান্ত শইকীয়া — দিয়া হব।

* শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী — মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীলক্ষী কান্ত শইকীয়া ডাঙৰীয়াই যিটো প্ৰস্তাৱ দাঙি ধৰিছে সেই প্ৰস্তাৱটো সম্পৰ্কে কবলৈ যাওঁতে মই কেইটামান কথামনত পেলাবলগীয়া হ'ল যে সি সময়ত চৰকাৰে আৰ্থিক অনাটন দূৰ কৰিব, ন্যায় প্ৰতিষ্ঠা কৰিব, দুখীয়াৰ দুখ মোচন কৰিব বুলি চিঞৰ বাখৰ কৰিছে সেই সময়ত এই প্ৰস্তাৱটোৰ প্ৰয়োজন আছে বুলি নাভাবো। কোৱা কথাখিনি কাৰ্য্যকৰী কৰা হলে এই প্ৰস্তাৱ নলোৱাকৈ হয়। ইয়াৰ দ্বাৰা ইয়াকে বুজা গৈছে যে এই চৰকাৰে কাম কম কৰে আৰু কথা বেছি কয়। আনহাতে এই প্ৰস্তাৱ কংগ্ৰেছ সদস্যৰ পৰা অহাটো দুখৰ কথা। আজি ৩০ বছৰে কংগ্ৰেছে ৰাজ্য চলালে তাৰ পিচত এই প্ৰস্তাৱ অহাতো বাঞ্চা নকৰো। আমি আজি দেশত ভৌগলিক বৈষম্য, সাম্প্ৰদায়িক বৈষম্য যত থাকিব নালাগে বুলি কৈছো, অথচ বিধান সভাৰ মজিয়াত আকৌ নতুনকৈ সমানে চাকৰি পাব লাগে প্ৰস্তাৱ গ্ৰহণ কৰাটো দুখৰ বিষয়? আজি দেশত অন্যায়ৰ প্ৰতিকাৰ হব। প্ৰত্যেক মানুহে ন্যায্য অধিকাৰ পাব। ন্যায় প্ৰতিষ্ঠা হ'ব, উপযুক্ত জনে চাকৰি পাব ইত্যাদি সদায়ে আলোচনা বিলোচনা কৰি থকাৰ মাজতে এই প্ৰস্তাৱ বিসংগতি বুলি মই ভাবো। আমি যিমানে নকওঁ কিয় আঞ্চলিক ভিত্তিত, সম্প্ৰদায়ৰ ভিত্তিত, ৰাজনৈতিক ভিত্তিত চাকৰি বিলাক হৈ আছে। মন্ত্ৰী সকলে কব এওঁ কংগ্ৰেছৰ কাম কৰে এওঁহে চাকৰি পাব লাগে, D.C. জন যি ঠাইৰ হয় সেই ঠাইৰ লৰাক কেৰণী চাকৰি দিয়াৰ চিন্তাধাৰা ইত্যাদি ইয়াৰ প্ৰমাণ। গতিকে ই নতুন কথা নহয় পূৰ্ব্বৰীতি চলা কথ।

আজি দেশত জৰুৰীকালীন অৱস্থা প্ৰবৰ্ত্তন কৰিছে আৰু ২০ দফীয়া কাৰ্য্যসূচী লৈ অৰ্থনৈতিক স্বাধীনতা ন্যায় প্ৰতিষ্ঠা বিছাৰিছে কিন্তু তথাপিও ৰাইজৰ যি দুৰুহ অৱস্থা তাৰ উন্নতি হোৱা নাই। আজিও আমাৰ ৰাইজৰ মাজৰ পৰা হাহাকাৰ দূৰ হোৱা নাই।

*Speech not corrcet d

পূৰ্ব্বৰ পৰা যিবিলাক অঞ্চলৰ মানুহ বঞ্চিত হৈ আছিল সেই বিলাক আজিও বঞ্চিত হৈয়েই থাকিল। তেওঁলোকৰ আহুকালৰ আজিও শেষ নহ'ল। সেই কাৰণে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে। অৱশ্যে এনেকুৱা ধৰণৰ আলোচনা বিলাক সদায়ে হৈ থাকে। এই আলোচনাৰ সন্দৰ্ভত এই বিষয় বিলাকলৈ চৰকাৰৰ দৃষ্টিপাত হৈছে যদিও আমাৰ মতে এতিয়ালৈকেও কোনো কাম হোৱা নাই। এই এচেম্বলীতো বাৰে বাৰে আমি এনে ধৰণৰ কথা বিলাকক আলোচনা কৰি আছো। এই ক্ষেত্ৰত মই এটা কথা কও যে যিবিলাক অঞ্চলৰ বাইজ শিক্ষা দীক্ষাত পূৰ্ব্বৰে পৰা পিচ পৰি আছে সেই অঞ্চল বিলাকত আজিলৈকে সমভাবে শিক্ষা দিয়াৰ কোনো ব্যৱস্থা কৰা হোৱা নাই। এই সকলো বিলাক কথা ফহিয়াই চালেই এই আঞ্চলিক বৈষম্যতাৰ কথাটো আমাৰ চকুত ভাহি উঠে। আজি যি চৰকাৰ পতা হৈছে সেই চৰকাৰৰ বিষয়ে নিখিল ভাৰত কংগ্ৰেছ সভাপতি দেৱকান্ত বৰুৱা ডাঙৰীয়াই কৈছে যে অসম ৰাজ্যখন দুখীয়াৰে ভৰা আৰু বৰ্ত্তমানে অনুন্নত সম্প্ৰদায়ৰ লোক এজনক মুখ্যমন্ত্ৰী পতা হৈছে। তেওঁ নাচালে কেনেকৈ হ'ব? অৱশ্যে তেওঁ ঠিক মতে কাম কৰিব পৰা নাই। ইয়াৰ কাৰণে শাসন যন্ত্ৰই দায়ী নে অন্য অন্য কোনো মহলৰ ক্ৰটি বিচ্যুতিৰ কাৰণে কাম হোৱা নাই সেইটো মুখ্যমন্ত্ৰীয়ে চাইছে নে নাই আমি কব নোৱাৰো। বিধান সভাত নতুন কথা পতাৰ কোনো সুযোগ পোৱা নাই। এতিয়া কথা হৈছে এই বিষয়ে বিতংকৈ আলোচনা কৰিলে ই এটা তিক্ত আলোচনাত পৰিণত হব। কিন্তু আমি যি দেখিছো বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰতেই যি বিলাক অঞ্চল পিচ পৰি আছে সেই বিলাকত আজি লৈকে এটা পূৰ্ণাঙ্গ শিক্ষানুষ্ঠানকেই গঢ়ি উঠা নাই। আনকি পূৰ্ণাঙ্গ কলেজ এখনো সেই অঞ্চল বিলাকত নাই। কোনো মহকুমাত চাইন্স কলেজৰ কথাই নাই, পূৰ্ণাঙ্গ কলেজ এখনো নাই। অথচ কিছুমান মহকুমাত নানা ৰকমৰ শিক্ষা-নুষ্ঠানেৰে ভৰপুৰ। গতিকে এই যে আঞ্চলিক বৈষম্যতা চলি আহিছে সেই বিলাকৰ ওপৰতে এই প্ৰস্তাৱটো অনা হৈছে। গতিকে এইটো এটা ব্যৰ্থতাৰেই চিন। মই এই বিষয়ে বেচিকৈ কোৱা নাই। সৰ্ব্বভাৰতীয় কংগ্ৰেছৰ সভাপতি শ্ৰীদেৱ কান্ত ডাঙৰীয়াই কৈ গৈছে। গতিকে মুখ্যমন্ত্ৰীয়ে এই বিষয়ে সময়োচিত ব্যৱস্থা অচিৰে গ্ৰহণ কৰাৰ আশা কৰি মই সামৰণি মাৰিলো।

Shri Dulal Chandra Khound :—Mr. Speaker, Sir, This resolution moved by my friend Mr. Saikia has got two sides that we should consider. Sir, a resolution is to be considered in the wider context of the necessity of all round development of our population, of our people in the State, as well as the removal or regional disparities. This resolution has come as a result of a long drawn process but I do not say that it is wrong to initiate a move by the ruling party itself through the ruling party may be partly responsible for this long drawn process ; but there is nothing wrong if this party itself takes the initiative to rectify it. There is nothing wrong. But I am afraid, Sir, this resolution, if we go through the words of the resolution and particularly in view of the discripancy between the English version and the Assamese version of the resolution, the rigid attitude of the resolution will lead us to some dangerous position. But regarding the spirit of the resolution I fully support it. I suppose the spirit, of my friend Mr. Saikia in moving the resolution, was to remove the disparities of the different regions, backward areas as well as for all round development of all the communities, of all types of people living in the State. Therefore, I say, Sir, this particular phrase in the English version 'the population pattern' is more important than the population itself and with that spirit I support the spirit of the resolution and this resolution if implemented will have to perform three functions at a time, that is, to remove the regional disparities of different areas, then to involve

the people in the administration and also to remove the disparities in between the different communities of people living in the state. Sir, if we want to identify the backward areas, backward sub-divisions in out State then we find one peculiar thing, that is, these backward areas are predominantly inhabited by these pecple whom we te:m now as backward communities or tribal or scheduled caste people and because of their economic backwardness, cultural backwardness, these regions themselves remained backward for all these years. My friend Mr. Giasuddin Ahmed raised one point and that point is to be seriously studied and taken up by the Govt. ; that is the question ot religious minorities in our administrative services and also for Semi-Govt. services. We have found that it is a fact and nobody can deny that religious minorities are sadly under represented and in many cases it is a case of discrimination against the religious minorities. But when this has been raised time and time again inside this Assembly on many occasions and in relation to many affairs. This has not been rectified by the Govt. I demand from this Govt. that this should be properly evaluated and minority communities living in the State should have proper representation ; whether in the economic field or in the administrative field or in the semi-Government services they should have proper and adequate representation which is still lacking. I fully support, Sir, that the back-ward communities, tribal people and Schedule Caste people and also other backward communities should be specially helped and they should be

given priorities in the matters of appointment and in the matters of other fields of employment; because the question of National Integrity is primarily a question of equal economic development. Without equal economic develcment the talk of National Integrity, talk of unity of people remains a theoritical proposition which cannot be translated into practice. So, Sir, I consider this appointment not be iiself is a factor but a part of the total comprehensive thing of removal of economic disparity and inequality amongst the people. Therefore, my idea is we should not stress so much on sub-Divisions or areas because if we stress. So much on Sub-Divisions or areas it may lead to some other things such as regionalism, localism, which has been a veay negative factor for so long a time in our body politic. If we stress too much on Sub-Divisions or areas that will lead to those things like regionalism and localism. Therefore, the spirit of the resolution should be that while on the one hand we should try to remove the economic disparity of different areas and at the same time we should see that all communities, tribes and nationalities living in Assam who are not getting opportunities in matters of appointment, in matters of other gainful employment should be given proper facilities. They should be brought up with special measure so that all people can feel that they are also a part of the administration because it is vitally necessary if we are to run a democratic Government in a democratic manner

with a purpose of bringing social changes. Without creating a feeling among the people that this administration is their own, it is not possible to run the administration properly. So, I say that all types of people should be involved in the administration, they should have a part in running the administration whether in the field economic or business or commerce in the State. I stress so long that some communities, particularly religious minority communities have got a feeling that they have been facing inequality that they are left out of the social administration. This feeling must be removed. Some special measures must be adopted by the Government. So, I request the Chief Minister to examine the possibilities how far religious communities are represented in other fields of life and to fill up the backlog and to create a feeling of involvement among these people; otherwise every time we have seen again and again during the last 26 years that on any stress and strain we cannot unite the people. People are devided on the ground of religion, on the ground of community etc. So, without removing their grievances we cannot unit them. Therefore, while supporting the spirit of the resolution. I think the Chief Minister as the head of the Government will take a note of those grievances of our people. Thank you.

শ্ৰীলক্ষীকান্ত শইকীয়া ঃ—অধ্যক্ষ মহোদয়, মই এটা স্পষ্টিকৰণ দিব বিচাৰিছো। যোৱা এপ্ৰিল মাহৰ এক তাৰিখেই এই প্ৰস্তাৱটো উত্থাপন কৰা হৈছিল।

মিঃ স্পীকাৰ :—আপুনি স্পষ্টিকৰণত কব খুজিছে। ৰাইট অব্ ৰিপ্লাইট, আপুনি কব পাৰিব। এতিয়া আপুনি কব নালাগে। মুখ্যমন্ত্ৰীয়ে উত্তৰ দিয়াৰ পিচত কব।

* শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটো আহিব নালাগিছিল। কেইবা গৰাকীও মাননীয় সদস্যই এই ধৰণেৰে মন্তব্য কৰিছে। এই প্ৰস্তাৱটো বিশ্লেষণ কৰিলে এইটো কথা স্বাভাৱিকতেই মনলৈ আহে যে এনেধৰণৰ প্ৰস্তাৱ কিয় আহিব নালাগে ? নিয়োগৰ ব্যৱস্থা যদি ভাল হ'লহেতেন, আৰু দুৰ্ব্বল ৰাজ্যখনত বিশেষকৈ সকলো শ্ৰেণীৰ লোকে যদি এই নিয়োগৰ সুবিধা পালেহে'তেন তেনেহ'লে এই প্ৰস্তাৱৰ প্ৰয়োজন নাছিল। এই কথাটো ঠিক। আমি এটা সমাজ ব্যৱস্থাত আছো। এই ব্যৱস্থাটো হৈছে পুঁজিবাদী ব্যৱস্থা। এই পুঁজিবাদী ব্যৱস্থাত সমাজখনৰ সকলো দিশত ভালদৰে বিবেচনা কৰি চোৱা নহয়। এই পুঁজিবাদী ব্যৱস্থাত একশ্ৰেণীৰ লোকে অধিক সুবিধা পায় আৰু একশ্ৰেণীৰ লোকে সুবিধা নাপায় বঞ্চিত হৈ থাকে। এই দোষ দেশৰ নহয়। এই দোষ হৈছে ব্যৱস্থাৰ। ব্যৱস্থা সম্পূৰ্ণৰূপে পৰিবৰ্ত্তন কৰাটো সম্ভৱ নহয়। এই দোষ সম্পূৰ্ণভাৱে নিৰাকৰণ কৰাটো সম্ভৱপৰ নহব। এই প্ৰস্তাৱটোত যিবিলাক কথা উত্থাপন কৰা হৈছে এই কথাবিলাক বিশ্লেষণ কৰি চাব-লগীয়া আছে। আমাৰ ব্যৱস্থা সম্পূৰ্ণভাৱে পৰিবৰ্ত্তন কৰিব পৰা নাই। সেই কাৰণে এই প্ৰস্তাৱৰ দিশত আমি সুস্থিৰভাৱে এইটো কথা প্ৰয়োগ কৰিব পাৰিম এই সম্পৰ্কত কোনো কোনো মাননীয় সদস্যই সন্দেহ প্ৰকাশ কৰিছে। প্ৰস্তাৱ কৰাটো সহজ আৰু প্ৰস্তাৱটো কাৰ্য্যকৰী কৰা টান আৰু ইয়াৰ কাৰণ এই নহয় যে ইচ্ছাৰ অভাৱ। কাৰ্যকৰী কৰা টান এই কাৰণেই যে সমাজত এটা ব্যৱস্থা আছে, যি ব্যৱস্থাই কাৰ্য্যকৰী কৰাত বাধাৰ সৃষ্টি কৰে। সেই কাৰণেই আমি সদায় এইটো কথা চেষ্টা কৰিছো যে যদি ব্যৱস্থাৰ পৰিবৰ্ত্তন কৰা নহয় তেতিয়াহ'লে এই কথাটোও সমাধান কৰা সম্ভৱ নহয়। এতিয়া যিহেতুকে আমি এটা পুঁজিবাদী ব্যৱস্থাৰ ভিত-ৰত আছো এই ব্যৱস্থাৰ ভিতৰতে কিমান দূৰ সম্ভৱ এই সমস্যাটো সমাধান

* Speech not corrected

কৰিব পাৰো তাৰ কাৰণে যত্ন কৰিব লাগিব। এই প্ৰস্তাৱটোৰ যেনেকৈ ভাল ফল আছে তেনেকৈ বেয়া ফলো আছে।

আঞ্চলিকতাৰ ভাব এটা ইয়াত নিশ্চয় আছে, এই প্ৰস্তাৱটোৰ ভিতৰত সাম্প্ৰদায়িকতাৰ কথাও আছে, অন্যাও আছে। এই ধৰণেই যদি আমি ইয়াক গ্ৰহণ কৰো তেন্তে সেইবোৰ বৃদ্ধিহে পাব। সাম্প্ৰদায়িকতাৰ ভাৱ যাতে নাইকিয়া কৰিব পাৰো সেই কথা এই প্ৰস্তাৱটোত আছে আৰু সেই কাৰণেই এই প্ৰস্তাৱটো উত্থাপন কৰা হৈছে। আমাৰ দেশখনত এই সমস্যাটো আছে। আমাৰ দেশখনৰ কথা মই আলোচনা কৰিব খোজা নাই, ৰাজ্যখনৰ কথাহে মই কৈছো। ৰাজ্যখনৰ আঞ্চলিকতাৰ কথা বিবেচনা কৰিলে আমি দেখা পাওঁ যে সকলোবিলাক ঠাই সমানে উন্নত নহয়। যিবিলাক ঠাই অনুন্নত সেইবিলাক ঠাইত পিছপৰা লোক সকল বাস কৰে। য'ত শিক্ষা-দীক্ষাৰ ভাল ব্যৱস্থা নাই সেইসকল লোক স্বাভাৱিকতে পিচ পৰা হ'বই। য'ত শিক্ষা-দীক্ষাৰ ভাল ব্যৱস্থা আছে, ভাল স্কুল আছে, কলেজ আছে, বিশ্ববিদ্যালয় আছে সেই ঠাইৰ লোক সকলে লিখা-পঢ়াৰ সুবিধা পাবই আৰু সেই লোকসকল নিশ্চয় শিক্ষিত লোক হ'বই। আৰু আনহাতে য'ত শিক্ষা-দীক্ষাৰ ভাল সুবিধা নাই সেই ঠাইৰ লোকসকল অশিক্ষিত হ'বই। ইয়াৰ কাৰণে একপক্ষত চৰকাৰ দায়ী আৰু আন পক্ষত সমাজখন দায়ী। চৰকাৰ এই কাৰণেই দায়ী যে সেইসকল লোকৰ কাৰণে স্কুল-কলেজৰ ভাল বন্দৱস্ত কৰি দিব পৰা নাই। ইয়াৰ কাৰণেই প্ৰতিযোগিতাত তেওঁলোক আগবাঢ়ি আহিব নোৱাৰে আৰু আগবাঢ়ি আহিব নোৱাৰিলে নিয়োগ দিয়াটো সম্ভৱ নহয়। প্ৰতিযোগিতাত আগবাঢ়ি আহিব নোৱাৰিলে যিহেতু তেওঁলোক পিচ পৰা ঠাইত বাস কৰে এই ধৰণৰ কথাটো যদি ভালদৰে বিবেচনা কৰি চোৱা যায় তেন্তে চৰকাৰৰ গুৰুতৰ দায়িত্ব আছে। সেই দায়িত্ব পালন কৰিব নোৱাৰাৰ কাৰণেই তেওঁলোক পিচ পৰি আছে। কিন্তু এইটো কথা যদি কোৱা যায় যে যিবিলাক অঞ্চল পিচ পৰি আছে সেইবিলাকৰ পৰা নিযুক্তি দিব পৰা যায় তেন্তে স্বাভাৱিকতেই এনে ক্ষেত্ৰত আঞ্চলিকতাৰ কথা আহি পৰে আৰু টনা-আজোৰা হয়। খাউণ্ড ডাঙৰীয়াই কোৱাৰ দৰে এই প্ৰস্তাৱটোত ইংৰাজী আৰু অসমীয়া দুয়োটাতে লিখা হৈছে আৰু তাৰ পাৰ্থক্যৰ

কথাও তেখেতে উল্লেখ কৰিছে। তেখেতে ইয়াৰ মূল নীতিটো সমৰ্থন কৰিছে। ইংৰাজী আৰু অসমীয়া ইয়াৰ মাজত পাৰ্থক্য যিমানেই নাথাকক এই প্ৰস্তাৱটোত কি কথাটো ক'ব খোজা হৈছে সেইটো আমি বুজি পাওঁ।

ইয়াত এইটো কথা কোৱা হৈছে যে আমাৰ ৰাজ্যখনত যিসকল লোক আছে সেই লোকসকলৰ 'পপুলেচন পেটাৰ্ণ' জনসংখ্যা অনুপাতে চৰকাৰী আৰু বিভিন্ন কৰ্ম্মক্ষেত্ৰত থাকিব লাগে। ঠিক এই ধৰণে লোক-সংখ্যা অনুপাতে চৰকাৰৰ যি কাৰ্য্য ব্যৱস্থা আছে সেই কাৰ্য ব্যৱস্থা থাকিব লাগে। আকৌ চৰকাৰৰ যিটো ব্যৱস্থা আছে সেই ব্যৱস্থাটো বিভিন্ন মহকুমা বা জিলাবিলাকৰ লোকসংখ্যা অনুপাতে থাকিব লাগে। এই কথাটো বুজা খুউব টান নহয়, কিন্তু কাৰ্য্যকৰী কৰাটোহে টান। কেইবা গৰাকী সদস্যই এই কথাটোত সন্দেহ প্ৰকাশ কৰিছে যে এই কামটো সমৰ্থন কৰিবৰ কাৰণে ব্যৱস্থা লবলৈ বোধহয় ইমান সহজ নহ'ব। কিন্তু প্ৰস্তাৱটোত এই কথা কোৱা হৈছে যে ৰাজ্যখনৰ যিটো প্ৰশাসন ব্যৱস্থা সেই ব্যৱস্থা মহকুমা বা জিলাৰ জনসংখ্যাৰ অনুপাতে চাকৰিয়াল থাকিব লাগে। এই কামটো এই ধৰণেৰে কৰিবলৈ গ'লে আমাৰ সুবিধা অসুবিধাৰ ভিতৰত সাধাৰণতঃ এই কথাটো ওলাই পৰে যে ইয়াত দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰি নিয়োগ কৰাৰ ব্যৱস্থাত ব্যাঘাট হ'ব।

Maulana Abdul Jalil Choudhury :—দক্ষতার নামে Black Marketing চলছে।

Shri Sarat Chandra Sinha (Chief Minister) :—দক্ষতার নাম. Black Marketing নয়। দক্ষতা দক্ষতাই। তবে কেউ যদি Black Marketing করে সেটা অন্য কথা। সেটা হতে পারে।

Maulana Abdul Jalil Choudury :—সেটাই চলছে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—দক্ষতাত কিছু বাধা হ'ব পাৰে এই সম্বন্ধে এটা অসুবিধা আছে। আমাৰ কথাটো হৈছে প্ৰতিযোগিতামূলক পৰীক্ষা হ'লে দক্ষতাৰ মানদণ্ড হিচাপে একোটা চাব ডিভিজনৰ পৰা দিব লগা হ'ব

পাৰে। আনকি প্ৰথমৰ পৰাই দশম, একাদশ, দ্বাদশ পৰ্য্যন্ত দিব লগা হ'ব পাৰে। আনফালৰ পৰা বিবেচনা কৰিলে দক্ষতাৰ মানদণ্ড হ্ৰাস পাব আৰু হ্ৰাস হ'লেই চৰকাৰৰ কাম-কাজৰ ভিতৰত জনসাধাৰণৰ উন্নতি হ্ৰাস কৰিব লাগিব। আৰু সেই কাৰণেই এই কাম বিলাক আমি দক্ষতাৰে সৈতে বিবেচনা কৰিব লাগিব। বৰ্ত্তমান অৱস্থাৰ তাতপৰ্য্য হ'ল যে বিভিন্ন ঠাইত যি অসন্তুষ্টিয়ে দেখা দিছে সেই অসন্তুষ্টি দূৰ কৰিবৰ কাৰণেই আজিৰ এই প্ৰস্তাৱ অনা হৈছে। এই প্ৰস্তাৱ কাৰ্য্যকৰী কৰিবলৈ যোৱাৰ ফলত দক্ষতা অলপ হ্ৰাস পোৱাৰ সম্ভাৱনা আছে এইটো অস্বীকাৰ কৰিব নোৱাৰো। যদি আমি অনুন্নত অঞ্চলবিলাকৰ সংশ্লিষ্ট মুছলমান সকলৰ বা পিচ পৰা লোকসকলক এই প্ৰশাসনীয় ব্যৱস্থাত অংশ গ্ৰহণ কৰাত যিটো গৌৰৱ অনুভৱ কৰাত বাধা কৰো তেনেহ'লে দক্ষতা হ্ৰাস কৰাৰ কথাটো মানি লব লাগিব। এই কথাৰ আৰু এটা দিশ আছে। আমি বহুত সময়ত এটা অঞ্চলৰ কথা বা এটা কমিউনিটিৰ কথা বিবেচনা কৰো। কিন্তু আমি আগতে যিবিলাক ব্যৱস্থা গ্ৰহণ কৰিছিলো জনজাতি লোকৰ কাৰণে যিবিলাক সংৰক্ষণ কৰা হৈছিল তাৰ ফলত কিছু সংখ্যক লোকে সুবিধা পাইছিল। কিন্তু ফলত দেখা গৈছে যে দুই এক শ্ৰেণীৰ বাহিৰে বাকী বিলাকে পোৱা নাই। এই প্ৰস্তাৱটো যদি আমি বাস্তৱত কাৰ্য্যকৰী কৰিবলৈ যাও তেতিয়াহ'লে নিখুতভাৱে যে কাম কৰিব পাৰিম তাৰো কোনো আশ্বাস মই দিব নোৱাৰো। কাৰণ কাৰ্য্যকৰী কৰিবলৈ গৈ তপশীল ভুক্ত শ্ৰেণীৰ মাজত যি সংৰক্ষণৰ ব্যৱস্থা আছে বা যিবিলাক পিচ পৰি থকা লোক সেইবিলাকো সদায় পিচ পৰি থাকিব। এতিয়া চাবলৈ গ'লে এটা মহকুমাতে সকলো মানুহে সমান সুবিধা নাপায়। সংখ্যালঘু মুছলমান মানুহ থাকিলেও অৱস্থাভেদে কিছুমানে সুবিধা পাব আৰু কিছুমান বঞ্চিত হৈ থাকিব। কিন্তু কথা হৈছে যে জনগোষ্ঠী সংখ্যাই এই প্ৰশাসনীয় ক্ষেত্ৰত প্ৰতিফলিত হ'ব লাগিব। গতিকে আমি এই প্ৰস্তাৱটো বাস্তৱত পৰিণত কৰাৰ আগতে চিন্তা কৰিব লাগিব যে এই গোটেইখিনি কথা আমাৰ ইয়াত সম্ভৱ হয়নে নহয়। কাৰণ এই কথাবিলাক নিৰ্ভৰ কৰিছে সমাজৰ যিটো চিন্তাধাৰা সেই চিন্তাধাৰাৰ ওপৰত। মাননীয় সদস্য খাউণ্ড ডাঙৰীয়াই কোৱা কথাটো মই সমৰ্থন কৰিছো। আমাৰ সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ মাজত

এটা ক্ষোভ আছে যে প্ৰশাসনীয় ক্ষেত্ৰতে হওঁক বা অন্য ক্ষেত্ৰতে হওঁক তেওঁলোকে যিমান আদৰ পাব লাগিছিল সিমান আদৰ পোৱা নাই। আজিৰ সমাজৰ যিটো ব্যৱস্থা, সমাজৰ যিটো চিন্তাধাৰা তাত প্ৰচণ্ড বাধাৰ সৃষ্টি হৈছে। সেই বাবেই চৰকাৰৰ সদিচ্ছা হোৱা স্বত্বেও কাৰ্য্যকৰী হোৱা নাই। আজি মুখ্যমন্ত্ৰী সমাজখনৰ বাহিৰত নহয়। সমাজৰ গণ্ডীৰ ভিতৰতে আছে।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড :—মই মুখ্যমন্ত্ৰী মহোদয়ক সমাজৰ বাহিৰত বুলি কোৱা নাই। আমি আজি সমাজৰ পৰিবৰ্ত্তন কৰিবলৈ ওলাইছো আৰু এই পৰিবৰ্ত্তন কৰিব পৰা যাব যদিহে মুখ্যমন্ত্ৰীয়ে অগ্ৰগামী ভূমিকা গ্ৰহণ কৰে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—মই খাউণ্ড ডাঙৰীয়াক ধন্যবাদ জনাইছো আৰু অগ্ৰগামী ভূমিকা ল'বলৈ প্ৰস্তুত আছো। প্ৰকৃতপক্ষে আমি যিটো কংগ্ৰেছ দলে আজি সমাজৰ ব্যৱস্থাটো নতুন ব্যৱস্থালৈ পৰিবৰ্ত্তন কৰিবলৈ ব্যৱস্থা কৰিছে আৰু তাৰ কাৰণে জৰুৰী অৱস্থা ঘোষণা কৰা হৈছে, আৰু কুৰি-দফীয়া কাৰ্য্যসূচীৰ প্ৰৱৰ্ত্তন কৰা হৈছে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :—আজি মুখ্যমন্ত্ৰী মহোদয়ে পুঁজিপতি সমাজ ব্যৱস্থা আঁতৰাই সাম্যবাদী সমাজ ব্যবস্থা চলোৱাৰ ব্যৱস্থা কৰিছে। এইটো কৰিব নোৱাৰিলে তেখেতে দল সলনি কৰিবৰ আশঙ্কা আছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :—মুখ্যমন্ত্ৰীৰ নিজৰ ওপৰত, দলৰ ওপৰত আৰু দলৰো তেওঁলোকৰ ওপৰত সম্পূৰ্ণ আস্থা আছে কাৰণেই আজিৰ এই জৰুৰী অৱস্থাৰ ঘোষণা কৰি কুৰি দফীয়া কাৰ্য্যসূচী গ্ৰহণ কৰিছে। ইয়াৰ কাৰণেই সমাজৰ পৰিবৰ্ত্তন কৰিবলৈ বিচৰা হৈছে। এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত মই উল্লেখ কৰিব খোজো যে আজি আমি যি ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিচাৰিছো সেই ব্যৱস্থাৰে আমাৰ সমগ্ৰ জনসাধাৰণ, পিচ পৰা লোকসকলৰ অন্তৰত যদি এটা বিশ্বাসৰ আশ্বাস আহে, তেওঁলোকৰ মনত আশা-আকাঙ্খা জাগে আৰু এই প্ৰশাসনত তেওঁলোকেও নিজকে অংশীদাৰ বুলি ভাৱিব পাৰে তেনেহ'লে এই ব্যৱস্থাৰ দ্বাৰা পৰিবৰ্ত্তন সম্ভৱ হ'ব। ইয়াৰ উপৰিও এই প্ৰস্তাৱৰ

যিবোৰ খুটি-নাটিৰ কথা মাননীয় সদস্যসকলে উল্লেখ কৰিছে সেইটো মই অস্বীকাৰ কৰো। কাৰণ এই প্ৰস্তাৱটোৱে একালে এটা শক্তিক প্ৰশ্ৰয় দিয়াৰ কথা নুই কৰিব নোৱাৰো। সংবিধানত যি কথা উল্লেখ কৰিছে যেনে প্ৰশাসনী ক্ষেত্ৰত, চাকৰি আদিৰ ক্ষেত্ৰত যিবিলাক কথা আছে সেই বিলাক কথাত অলপ-অচৰপ যে প্ৰতিবন্ধক হ'ব এই সম্বন্ধে সন্দেহ নাই।

এই কথাটো এটা সম্পূৰ্ণ নতুন উপলব্ধি, বৰ্ত্তমান পৰিস্থিতিত কাৰ্য্যকৰী কৰিবলৈ গলে যিটো প্ৰতিক্ৰিয়া হব তাৰ সম্মুখীন হোৱা বৰ সহজ নহব। বিশেষকৈ এড্‌মিনিষ্ট্ৰেটিভ ইনষ্ট্ৰাকচন, দিয়া বৰ সহজ নহব। মৌলানা চাহাবে কোৱাৰ দৰে ব্লেক মাৰ্কেট অৰ্থাৎ মিচ ইউজ হৈ থাকিব। বিধান সভাই গ্ৰহণ কৰা এটা প্ৰস্তাৱৰ দ্বাৰা নাইবা আইনৰ দ্বাৰাও সম্ভৱপৰ নহয়। এইটো কাৰ্য্যকৰী কৰিবলৈ হ'লে সমাজলৈ নতুন চেতনা আনিব লাগিব আৰু বৰ্ত্তমান চিন্তাধাৰ পৰিবৰ্ত্তন কৰিব লাগিব। এই কথাটো বৈজ্ঞানিক বুলি ধৰাৰ পৰিবৰ্ত্তে সামাজিক কথাহে বুলি ধৰিব লাগিব। কাৰণ বিধান সভাত প্ৰস্তাৱ পাচ কৰি কাম সমাধা কৰিব নোৱাৰি। এইটো সমাজিক কথা আৰু সামাজিক দৃষ্টিভঙ্গি সলনি কৰিবলৈ নতুন আন্দোলন কৰিব লাগিব।

মাননীয় শ্ৰীঅযোধ্যা দাস ডাঙৰীয়াই কৈছে যে জনতা ভৱন মুকলি কৰোতে দশকণ্যাৰ দ্বাৰা কৰা হ'ল। অৱশ্যে বহুতে সমালোচনা কৰিছে। জনতা ভৱনত বহি মন্ত্ৰীসকলে দৈনন্দিন কাম-কাজ কৰে। সেই সময়ত অৱশ্যে ৰাষ্ট্ৰপতিও এই ঠাইত আছিল। গতানুগতিক ভাৱে তেখেতৰ দ্বাৰাই মুকলি কৰিব লাগিছিল কিন্তু তাৰ সলনি দশকন্যাৰ দ্বাৰা কৰা হ'ল। ইয়াৰ মূল কথাটো হৈছে, দহখন জিলাৰপৰা দহ গৰাকী কন্যা বাচি আনি উদ্বোধন কাৰ্য্য কৰা হ'ল যাতে আমি সেই সময়ৰ লগত মিলি আমাৰ অনুভৱ যাতে গাঢ় কৰিব পাৰো। অতি সাধাৰণ দুখীয়া পৰিয়ালৰ পৰা তেওঁলোকক বাচি অনা হৈছিল। সেই দশকন্যাৰ ভিতৰত বিভিন্ন জন-গোষ্ঠীৰ প্ৰতিনিধি আছে আৰু দৰ্শক সকলৰ মাজত বিশেষ এটা পৰিবেশ সৃষ্টি কৰিবৰ কাৰণেই সেইটো কৰা হৈছিল। কোনো চফিষ্টিকেট পৰিবেশ নকৰি আপোন ভাৱ সৃষ্টি কৰিবৰ কাৰণেই দশকন্যাৰ অৱতাৰণা

কৰাৰ মূল উদ্দেশ্য আছিল। এই প্ৰস্তাৱটো প্ৰকৃতপক্ষে গ্ৰহণ কৰাত কোনো আপত্তি নাই কিন্তু তাকে কাৰ্য্যকৰী কৰাত অতীব কঠিন হব। বক্তাসকলে যিবিলাক অসুবিধাৰ কথা উল্লেখ কৰি গৈছে সেই পৰিপ্ৰেক্ষিতত কাৰ্য্যকৰী কৰা অতীৱ কঠিন হব বুলি মই সদনত নিবেদন কৰিব খোজো।

Maulana Abdul Jalil Choudhury:— অধ্যক্ষ মহাশয়, মুখ্যমন্ত্ৰী মহাশয় নতুন জাগরনের কথা বলেছেন এবং আমি সেটা বিশ্বাস করি। কিন্তু যদি এই নতুন জাগরণের আহ্বানে উদ্বুদ্ধ হয়ে সমস্ত সম্প্রদায়ের জনসাধারণ এগিয়ে আসে এবং তখন যদি কোন সরকারী যন্ত্র তাকে বাধা দেয় তখন কি ব্যবস্থা অবলম্বন করবেন ?

Shri Sarat Chandra Sinha (Chief Minister):— এই Mechinary কে বাধা দেব। একে ভেঙ্গে চুরে নিষ্পেষিত লোকের আশা আকাংশা পূর্ণ করাই আমাদের কর্ত্তব্য।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :—কঠিন হ'লেও চৰকাৰে বহুদিনৰ পৰাই কৈ আহিছে যে এ-পি-এচ-চি টাইপৰ চাব ডিভিজনেল লেভেলত নিউ কমিটি গঠন কৰিব।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী):— প্ৰত্যেক জিলাতে নিয়োগ কমিটি আছেই। এতিয়া সেই কমিটিকে নন্ অফিচিয়েল কৰিবলৈ যত্ন কৰা হৈছে।

Mr. Speaker :—The motion is "This Assembly do recommend to the Government of Assam to take immediate steps rationalise appointment of posts in Government and Semi-Government Services so that Sub-Division wise population pattern in the State is suitably reflected."

(After a pause)

The motion is passed and the Resolution is passed.

শ্ৰীসোনেশ্বৰ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ মজিয়াত মোৰ শঙ্ক প্ৰস্তাৱটো উত্থাপন কৰিছো। প্ৰস্তাৱটো অসম বিধান সভাৰ

এই অধিবেশনে প্ৰস্তাৱ গ্ৰহণ কৰে যে, অসম আৰু নাগালেণ্ড ৰাজ্য দুখনৰ দুয়ো ৰাজ্যৰ উপকাৰৰ অৰ্থে ৰাজ্য দুখনৰ জনসাধাৰণৰ নিতৌ সমাগম হোৱা ঘন বসতি পূৰ্ণ ঠাই গোলাঘাট মহকুমাত অৱস্থিত গমাৰি গুৰিত এখন উন্নত ধৰণৰ পশু পালন আৰু পশু চিকিৎসালয় প্ৰতিস্থান প্ৰতিস্থা কৰিবৰ কাৰণে অসম চৰকাৰে উত্তৰ পূব পৰিষদক এই প্ৰস্তাৱ যোগে চুপাৰিশ কৰক।

Mr. Speaker :—Motion moved

শ্ৰীসোনেশ্বৰ বৰাঃ— মাননীয় অধ্যক্ষ মহোদয়, অসম ৰাজ্যখনৰ সকলো মাননীয় সদস্য এইটো বিষয়ে অৱগত নিশ্চয় আছে যে অসমৰ শিৱসাগৰ জিলাৰ দক্ষিন সীমাত নগাপাহাৰ ৰাজ্য। এই ৰাজ্য আমাৰ সীমান্তৰ লগত জৰিত। এই সীমান্ত অঞ্চলত গোলাঘাট মহকুমাৰ দৈয়াং বনাঞ্চলটো অৱস্থিত। প্ৰায় চাৰে সোতৰ মাইল দীৰ্ঘস্থানৰ এই অঞ্চলটো সীমান্তত অৱস্থিত। এই সীমান্ত ঠাইচোৱা পৰশি দৈয়াং বনাঞ্চলত। বৰ্ত্তমান সময়ত প্ৰায় দহ হেজাৰ পৰিয়াল বাস কৰে আৰু ইয়াৰ জন-সংখ্যা প্ৰায় ৫০ হাজাৰ। এই জন-সংখ্যা বাস কৰা কেন্দ্ৰ স্থল হিচাবে গমাৰী গুৰিত এই ৰাইজে নিতৌ সমাগম হোৱা এডোখৰ কেন্দ্ৰ ঠাই হিচাবে বৰ্ত্তমান গঢ়ি উঠিছে। এই ঠাইত নগা পাহাৰত উষা অঞ্চল গোলাঘাট মেৰা-প্ানীৰ ৰাস্তাৰে সংলগ্ন কৰিছে। অসমবাসী ৰাইজৰ যেনেকৈ এটা বৃহৎ পৰিসংখ্যাৰ ৰাইজ এই অঞ্চলত বাস কৰিছে ঠিক তেনেকৈয়ে নগা পাহাৰতো নগা চৰকাৰৰ ৰাইজৰ ওচৰা-ওচৰি বাস কৰা এটা অঞ্চল উঠা আৰু ভাণ্ডাৰি আদি। অসমবাসীৰ এই মানুৰ খিনিৰ কাৰণে আজি-কোপতি এই অঞ্চলত পশু পালন আৰু পশু চিকিৎসালয়ৰ কোনো ব্যৱস্থা হোৱা নাই। এই অঞ্চল বাস কৰা লোক সকলে গৰু ছাগলী হাঁহ কুকুৰা আদি পোহে। এই পশুপালন ব্যৱস্থাটোক জীৱন ধাৰণৰ ব্যৱস্থা হিচাবে গ্ৰহণ কৰিব পাৰি। বনাঞ্চলটোৰ স্থান সংখ্যা প্ৰায় এনে ধৰণৰ আহোম চুতীয়া ৩ হাজাৰ পৰিয়াল আছে, বড়ো ৰাভা আদি প্ৰায় ১২ শ পৰিয়াল বাস কৰে। মিৰি প্ৰায় ১ হেজাৰ পৰিয়াল বাস কৰে। ঠেঙাল সোনোৱাল কছাৰী ১ হেজাৰ পৰিয়াল বাস কৰে। প্ৰাক্তন

বনুৱা সম্প্ৰদায়ৰ ১৫ শ পৰিয়াল বাস কৰে। মুছলমান সম্প্ৰদায়ৰ প্ৰায় ৫ শ পৰিয়াল বাস কৰে। তপচিল ভুক্ত অনুসূচীত জাতি সম্প্ৰাদায়ৰ প্ৰায় এহেজাৰ পৰিয়াল বাস কৰে। অনন্য কোচ, কলিতা, বায়ন আদি অন্যান্য সম্প্ৰদায়ৰ প্ৰায় এহেজাব পবিয়াল বাস কৰে। এই ধৰণেৰে বাস কৰা এই ঠাই ডোখৰৰ খেতিয়ক লোক সকলৰ পশুপালন আৰু পশু চিকিৎসালয়ৰ কিমান যে আহুকাল কিন্তু কোনো ব্যৱস্থা আজিলৈকে হোৱা নাই। নাগালেণ্ডৰ লোক সকলে সেই ঠাইত হাঁহ কুকুৰা আদি পোহে। মই পোৱা খবৰ মতে নগালেণ্ড চৰকাৰৰ ফালৰ পৰাও আজিলৈকে নগা পাহাৰৰ সেই ঠাইত তেনে কোনো পশু চিকিৎসালয় স্থাপন কৰা নাই। অসম চৰকাৰেও টকা পইচাৰ অজুহাত দেখুৱাই আজিলৈকে দৈয়াংত কোনো চিকিৎসালয় স্থাপন কৰিব পৰা নাই। এই পিচ পৰা অঞ্চলটোৰ খেতিয়েই একমাত্ৰ জীৱিকাৰ উপায়। এই দহ হাজাৰ পৰিয়ালৰ দুটাকৈ গৰু ম'হ ধৰিলেও ২০ হাজাৰ গৰু মহ আছে। এজনীকৈ গাই ধৰিলেও ১০ হাজাৰ গাই আছে। ঠিক তেনেকৈ ছাগলীও ১০-১৫ হাজাৰ হ'ব। জনজাতিৰ লোক সকলে তাত গাহৰি আদি পোহে। অন্যান্য পিচ পৰা আৰু মুছলমান সম্প্ৰদায়ৰ লোক সকলে হাঁহ-কুকুৰা আদি পোহে। উন্নত ধৰণৰ পশু পালনৰ সা-সুবিধা সেই লোকে পোৱা নাই। আনহাতে কৃষি উৎপাদন বঢ়াব লাগে বুলি কোৱা হৈছে। যদি আমি গৰু মহ ভাল ধৰণে প্ৰতি পালন কৰিব নোৱাৰো তেন্তে খেতি-বাতি কেনেকৈ হ'ব। গমাৰি-গুৰিত সাপ্তাহিক বজাৰ হয় আৰু প্ৰতি মঙ্গলবাৰে বজাৰত প্ৰায় পাচশ গৰু মহ বিক্ৰি হয়। সেই সবহ খিনি গৰু মহ নগা ৰাইজে কিনে। সেই ধৰণে হাঁহ কুকুৰা ছাগলী আদিও বিক্ৰি হয়। এই সকল ৰাইজৰ কাৰণেই অসম বিধান সভাত আজি এই প্ৰস্তাৱ অনা হৈছে। অসম চৰকাৰে উত্তৰ পূব পৰিষদক চুপাৰিশ কৰি যাতে এই প্ৰস্তাৱটো গৃহিত কৰায়। অসমৰ মূখ্যমন্ত্ৰী এই উত্তৰ পূব পৰিষদৰ সদস্য আৰু অসমৰ ৰাজ্যপালজন এই পৰিষদৰ সভাপতি। এনে ক্ষেত্ৰত এই প্ৰস্তাৱটো উত্তৰ পূব পৰিষদত গৃহিত কৰাব পৰাৰ সুন্দৰ ব্যৱস্থা আছে। নগালেণ্ড আৰু অসম ৰাজ্যত সংযোগ কৰা গোলাঘাটৰ পৰা যোৱা

গোলাঘাট মেৰাপানী গড়কাপ্তানী ৰাস্তাটো উত্তৰ পূব পৰিষদে পকা কৰাৰ কাম আৰাম্ভ কৰিছেঁ।

অসম চৰকাৰৰ যি অৰ্থৰ অভাৱ সেই অভাৱ মোচন আৰু ৰাইজৰ উপকাৰৰ অৰ্থে ইও এটা উপায়। এই ক্ষেত্ৰত অসম চৰকাৰে এই প্ৰস্তাৱটো গ্ৰহণ কৰিব লাগে। আনহাতে ওচৰা-ওচৰিকৈ থকা ৰাজ্য ডুখনৰ সংহতি এই ব্যৱস্থাৰ জৰিয়তে আনি দিব। এখন চিকিৎসালয় পাতিবৰ কাৰণে তাত মাটিৰ অভাৱ নাই। বন বিভাগে তাত নিশ্চয় মাটি দিব পাৰিব। বন বিভাগৰ মন্ত্ৰীজনেই যিহেতু পশু-পালন বিভাগৰো মন্ত্ৰী। এই ক্ষেত্ৰত কাম কৰাত অসুবিধা নহব। আমি বক্তৃতাত উন্নত ধৰণৰ গৰু গাই পোহাৰ কথা কওঁ। এই ব্যৱস্থাটো গ্ৰহণ কৰিলে সেই কথাবিলাক কাৰ্য্যত পৰিণত কৰা হ'ব। তাত বিজুলী সৰবৰাহৰ কাৰণেও কোনো অসুবিধা নাই। কেই মাইলমান দূৰেদি বিজুলী বাতিৰ লাইন গৈছে। যদি উন্নত ধৰণৰ চিকিৎসালয় প্ৰতিস্থা কৰা যায়, তেতিয়াহ'লে যি অৰ্থৰ অভাৱৰ অজুহাত দেখুৱাইছে সেই অসুবিধাৰ পৰা ৰক্ষা পৰিব। এই ব্যৱস্থাটো কৰিলে মানুহখিনিৰ উন্নত জীৱন যাপন কৰাৰ গুৰু দায়িত্ব গ্ৰহণ কৰা হ'ব। এইটো বিৰোধী দলৰ প্ৰস্তাৱ বুলিয়েই নহয়, অসমৰ বুকুত থকা এই মানুহখিনি উপকৃত হ'ব। এই মানুহখিনিয়ে নিজৰ আৰ্থিক বোজাৰ পৰা সকাহ পাব। মই যি খবৰ পাইছো অলপতে চিলঙত হোৱা উত্তৰ-পূৱ পৰিষদৰ বৈঠকত আমাৰ মুখ্যমন্ত্ৰী উপস্থিত আছিল আৰু তাত ১৬ কোটি ৫০ লাখ টকাৰ এবছৰৰ বাজেট হৈছে। কৃষিৰ ক্ষেত্ৰত এতিয়া বহুত আঁচনি লোৱা হৈছে। এই প্ৰস্তাৱটো উত্তৰ-পূব পৰিষদত উত্থাপিত কৰিবৰ কাৰণে যিখিনি তথ্য-পাতিৰ আবশ্যাক সেইখিনি নিশ্চয় যোগাৰ কৰি উত্থাপন কৰিব। এই প্ৰস্তাৱটো গ্ৰহণ কৰিলে মানুহখিনিৰ মহৎ উপকাৰ কৰা হ'ব। কাৰণ সেই ঠাইত বছৰি বহুত গৰু-পশু চৰকা আৰু অন্যান্য বেমাৰত মৰে। গোলাঘাটৰ চিকিৎসালয়লৈ যায় মানে, ডাক্তৰ আহে মানে গৰু মৰি যায়। ফৰকাটিঙৰ পৰা চিকিৎসক অনাটো সহজ কথা নহয়। এই অঞ্চলটোত এই ধৰণে পশুধন সম্পদ মৰহি গৈছে। নগালেণ্ডৰ ফালৰ পৰা আগতে উত্তৰ-পূব পৰিষদত সদস্য নাছিল। সেই সময়তে গোলাঘাট মেৰাপানী ৰাস্তাটো বন্ধাৰ কাৰণে উত্তৰ-পূব পৰিষদত

প্ৰস্তাৱ লোৱা হৈছিল। বৰ্ত্তমান উত্তৰ-পূৰ পৰিষদত নগা চৰকাৰে যোগ দিছে। এই অঞ্চলৰ ভিতৰেদিয়েই নগা পাহাৰৰ লগত অহা-যোৱা হয় আৰু বেহা-বেপাৰ হয়। গতিকে তেওঁলোকেও এই প্ৰস্তাৱটো সমৰ্থন কৰিব। মই আশা ৰাখিছো বিধান সভাৰ সদস্যসকলে এই প্ৰস্তাৱটো আলোচনা কৰি সমৰ্থন কৰিব। আৰু উন্নত ধৰণৰ পশু-চিকিৎসালয় স্থাপন কৰাৰ প্ৰস্তাৱত আগবাঢ়ি যাব। এই প্ৰস্তাৱটো উত্তৰ-পূৰ পৰিষদত চৰকাৰে উত্থাপন কৰিবৰ কাৰণে কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা ৰাখি বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায়প্ৰধানী :—মাননীয় অধ্যক্ষ মহোদয়, পশু-পালন কৰি মাংস আৰু গাখীৰ উৎপন্ন বৃদ্ধি কৰাৰ কাৰণে নিতান্তই প্ৰয়োজনীয় বোধ কৰি এই সংক্ৰান্ততে যিটো প্ৰস্তাৱ মাননীয় সদস্য গবাকীয়ে উত্থাপন কৰিছে সেইটো মই সমৰ্থন কৰিছো আৰু এইটো যে প্ৰয়োজনীয় কথা সেইটো কোনেও অস্বীকাৰ কৰিব নোৱাৰে। আজি আমাৰ যিটো ভেটেৰিনাৰি বিভাগ সেই বিভাগৰ দ্বাৰা কেৱল প্ৰামাণিক ভাৱে এইটো চাবচিডিৰ প্ৰমোশনুয়ালৰ কাম কৰি থকা হৈছে। কিন্তু তাকে নকৰি যদি এই প্ৰস্তাৱ কাৰ্য্যকৰী কৰি ভেটেৰি-নাৰি বিভাগৰ জৰিয়তে এইবিলাক বস্তু উৎপাদন কৰাত জোৰ দিয়া হয় তেতিয়াহ'লে ৰাজ্যৰ খাদ্য-বস্তুৰ উৎপন্নৰ ক্ষেত্ৰত ই নিশ্চয় সহায়ক হ'ব আৰু খাদ্য-বস্তু হিচাপে ইয়াক ব্যৱহাৰ কৰিবও পৰা হ'ব। আন আন ফাৰ্মবিলাকৰ নিচিনা কেট'ল ফাৰ্ম বা গোট ফাৰ্ম আদিৰ নিচিনা যদি পলিট্ৰি ফাৰ্ম আদি খোলা হয় আৰু তাৰ ওপৰত যদি জোৰ দিয়া হয় তেন্তে নিশ্চয় এই ফাৰ্মবিলাকৰ পৰা দেশৰ খাদ্যবস্তু যথেষ্ট পৰিমাণে যোগান ধৰিব পৰা হ'ব। এতিয়ালৈকে বোধকৰো চৰকাৰে এই লক্ষ্য লৈ কাম কৰা নাছিল, এই ক্ষেত্ৰত কেৱল বহুত বক্তৃতাই শুনিছো। মন্ত্ৰীসকলৰ বক্তৃতাও শুনিছো কিন্তু ঠিক সেইভাৱে লক্ষ্যত উপনীত হ'বলৈ জোৰ দিব পৰা হোৱা নাই। ইয়াৰ দ্বাৰা নিবনুৱা সমস্যা সমাধান কৰাটো যথেষ্ট পৰিমাণে সহায় হ'ব পাৰে। অৰ্থাৎ এই আদৰ্শ ফাৰ্মবিলাকত যদি নিযুক্তিৰ কথা আছে তেতিয়াহ'লে নিতান্তই বহু পৰিমাণে নিবনুৱা সমস্যাও সমাধান হ'ব। বোধকৰো চৰকাৰৰ চিন্তাধাৰা ইমানদিনে সেইফাললৈ যোৱা

নাছিল। এতিয়া যিটো প্ৰস্তাৱ আহিছে সেই প্ৰস্তাৱৰ দ্বাৰা অসম আৰু নগালেণ্ড সীমান্তত এখন আদৰ্শ ফাৰ্ম খোলাৰ লগতে পশু চিকিৎসাৰ ব্যৱস্থা ৰাখিলে নিশ্চয় ছুয়োখন দেশৰ মাজত এক বুজাবুজি আৰু সংহতিৰ ভাৱৰ সমন্বয় হ'ব আৰু ইয়ে নিশ্চয় ৰাষ্ট্ৰীয় সংহতিত অবিহণা যোগাব পাৰিব। আন আন দেশৰ কথা যদি এইক্ষেত্ৰত চিন্তা কৰি চোৱা যায় তেতিয়াহ'লে দেখা যায় যে উন্নত দেশে ৰাজ্যৰ গড় হিচাবত মাংস আদি উৎপন্ন কৰাৰ কাৰণে নতুন পদ্ধতি উলিয়াই সেইবিলাক উৎপন্ন কৰাৰ কাৰণে চেষ্টা চলাই আছে। অমাৰ অসমতো সেই অনুপাতে যদি কেৱল নমিনেল ভাবে এটা বিভাগ নেৰাখি সেইভাবে প্ৰয়োজনীয় খাদ্যবস্তু উৎপন্ন কৰাৰ কাৰণে তাৰ ওপৰত যথেষ্ট পৰিমাণে জোৰ দিয়া হয় নিতান্তই আমাৰ দেশতো অধিক খাদ্যবস্তু উৎপন্ন কৰিব পৰা হ'ব। বৰ্ত্তমান এইবিলাক বিভাগৰ কাৰণে লাখে লাখে টকা খৰচ হৈ আছে সেইবিলাক কথা আমি নকলেও মন্ত্ৰীসকলে ভালকৈ জানে। এতিয়া গমাৰিগুৰি নামৰ এই ঠাইত এটা ফাৰ্ম খোলাৰ কাৰণে চিন্তা কৰা হৈছে আৰু প্ৰস্তাৱ অনা হৈছে। নিতান্তই এই ঠাইখিনি উপযুক্ত ঠাই হ'ব। ইয়াৰ দ্বাৰা ৰাজহুৱা স্বাৰ্থ বহুতখিনি সাধন হ'ব বুলি মোৰ বিশ্বাস আৰু লগতে বহুত লোক উপকৃত হ'ব। মই ভাবো এই কথাৰ গুৰুত্ব অনুধাৱন কৰি ভেটেৰিনাৰি বিভাগৰ মন্ত্ৰী মহোদয়ৰ লগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াইও এই বিষয়ক চিন্তা কৰিব আৰু এই প্ৰস্তাৱ কাৰ্য্যকৰী কৰণৰ ক্ষেত্ৰত চিন্তা কৰিব। মন্ত্ৰীসকলে গভীৰভাৱে চিন্তা কৰি চালে নিশ্চয় উপকাৰত আহিব বুলি মোৰ বিশ্বাস।

উপাধ্যক্ষ মহোদয়, এই নিচিনাকৈ বৰপেটাত এটা ফাৰ্ম খোলা হৈছে আৰু সেই ফাৰ্মৰ কাম আৰম্ভ হ'ব বুলি শুনিছো। যদিও অৱশ্যে বাহিৰলৈ পঠিওৱাৰ ক্ষেত্ৰত বা অন্যান্য ক্ষেত্ৰত ছুই এটা খেলি-মেলি ইতিমধ্যে আমাৰ কাণত পৰিছে সেইবিলাক কথালৈও মন্ত্ৰী মহোদয়ে নজৰ ৰাখিব বুলি আশা কৰিলো। বৰ্ত্তমান সদনলৈ অনা প্ৰস্তাৱৰ জৰিয়তে কেনেকৈ ৰাজ্যৰ চাবচিডি খাদ্য উৎপন্ন বঢ়াব পাৰি সেই কথালৈ লক্ষ্য ৰাখি প্ৰস্তাৱ কাৰ্য্যকৰী কৰাত জোৰ দিব বুলি বিশ্বাস ৰাখি এই প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীপ্ৰেমধৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াই যিটো পশুপালন চিকিৎসালয় পতাৰ কাৰণে প্ৰস্তাৱ এই সদনত নগালেণ্ড আৰু অসম সীমান্তত প্ৰতিস্থা কৰাৰ কাৰণে উত্থাপন কৰিছে সেইটো মই সমৰ্থন কৰি ক'ব খুজিছো যে এই প্ৰস্তাৱৰ দ্বাৰা জাতীয় আৰু ৰাষ্ট্ৰীয় সংহতিত আৰু অধিক জোৰ পেলাব বুলি ভাবো। আমাৰ সীমামূৰীয়া ৰাজ্য কেইখন উপকৃত হোৱাৰ উপৰিও এই প্ৰস্তাৱৰ কাৰ্য্যকাৰীতাই দুয়োখন সীমান্তবৰ্তী ৰাজ্যৰ মাজত বুজা-বুজি আৰু পৰস্পৰ আদান-প্ৰদান, সৌহাৰ্দবৰ্তী স্থাপনত বিশেষ ভূমিকা গ্ৰহণ কৰিব।

(অধ্যক্ষৰ আসনত উপাধ্যক্ষ উপবেৰ্শন কৰে)

মাননীয় উপাধ্যক্ষ মহোদয়, আমি এই কথা সকলোৱে জানো আৰু এই কথা মুখ্যমন্ত্ৰী ডাঙৰীয়াইও নিশ্চয় উপলব্ধি কৰিছে যে অসম ৰাজ্যৰ পৰা সাত আঠখন ৰাজ্য সৰু সৰু কৈ ভাগ হৈ গৈছে আৰু বেলেগ বেলেগ ৰাজ্যত পৰিণত হৈছে। এই ৰাজ্য বিলাক যদিও ৰাজনৈতিক ভাৱে বেলেগ হৈ গৈছে তথাপি এই অঞ্চলৰ সংহতি আৰু ঐক্যত আমি নিশ্চয় গুৰুত্ব আৰোপ কৰিব লাগিব। উদাহৰণ স্বৰূপে আমাৰ সাংস্কৃতিক যি বিনিময় যোৱা বছৰ গুৱাহাটীত হৈ গ'ল তাৰ দ্বাৰা জানো আমি এই গোটেই উত্তৰ পূব ভাৰতৰ অঞ্চল এটা পৰস্পৰে পৰস্পৰৰ ভাষা, সংস্কৃতি, কৃষ্টিৰ লগত চিনাকি হোৱা নাই। ই নিশ্চয় আমাৰ এই বিৰাট অঞ্চলৰ কৃষ্টি, সাংস্কৃতিক আৰু পৰস্পৰ বুজাবুজিৰ সৌহাৰ্দপূৰ্ণ মনোভাৱত যথেষ্ট অৰিহণা যোগাইছে। অলপতে অসম আৰু অৰুণাচলৰ ছাত্ৰসকলৰ মাজত যিটো শিবিৰ হৈ গ'ল তাৰ দ্বাৰাই আমাৰ আৰু অৰুণাচলৰ ক'লা-সাংস্কৃতি আৰু সৌহাৰ্দপূৰ্ণ ভাৱৰ আদান-প্ৰদান জানো হোৱা নাই। অৱশ্যে এইটো কথা ঠিক যে এই বিলাক ক্ষেত্ৰত আয়তনানুসাৰে আৰু পূৰ্বস্মৃতিৰ কাৰণে আমাৰ অসমেই নিশ্চয় আগভাগ লব লাগিব। অসম নগালেণ্ডৰ মাজত পশুপালন চিকিৎসালয় খোলাৰ লগে লগে অসম অৰুণাচলৰ সীমান্তত যদি মিচনাৰী টাইপৰ হস্পিটাল আদি খোলা হয় তেন্তে সেই ব্যৱস্থাইও নিশ্চয় দুয়োখন ৰাজ্যৰ পৰস্পৰৰ ভাৱ, সংস্কৃতি আৰু সৌহাৰ্দ্যপূৰ্ণ মনোভাৱ গঢ়ি তোলাত সহায়

কৰিব। যদি মিউজিক্ চেণ্টাৰ এটা খোলা হয় সিও নিশ্চয় এই একে উদ্দেশ্যটেই ব্ৰতী হব। আমি তেতিয়া একেখন ৰাষ্ট্ৰৰ এক দেশ ভাৰতবৰ্ষৰ নাগৰিক হিচাবে চিনাকী দিবলৈ একসুৰে আগবাঢ়ি যাব পাৰিম। কেৱল ভৌগোলিক পৰিৱেশৰ দ্বাৰা অথবা ৰাজনৈতিক পৰিস্থিতিৰ দ্বাৰা আমি বেলেগ বেলেগ ৰাজ্য হৈ থাকিলেও আমি যে এক ভাৰতবৰ্ষৰ নাগৰিক এই মনোভাৱ আৰু অধিক সুদৃঢ় কৰাৰ কাৰণে এই সীমান্তবৰ্ত্তী অঞ্চলসমূহত এনে বিলাক অনুষ্ঠান কৰাৰ কাৰণে অনা এই প্ৰস্তাৱ নিতান্তই বিবেচনা কৰাৰ কাৰণে সময়োপযোগী হৈছে। এনে বিলাক কাৰ্য্যত আমাৰ অসমেই আগভাগ লব লাগিব আৰু অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই উত্তৰ-পূব পৰিষদৰ যোগেদি এই বিলাক কাৰ্য্যত আগভাগ লব লাগিব আৰু তাৰ কাৰণেই উত্তৰ-পূব পৰিষদ গঠন কৰি দিয়া হৈছে। ব্ৰহ্মপুত্ৰৰ ওপৰত আন এখন দলং হলে নিশ্চয় এই সীমামুৰীয়া ৰাজ্যসমূহৰ উপকাৰ হ'ব সেই কাৰণে ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয় এখন দলংৰ প্ৰস্তাৱটো অকল অসম ৰাজ্যৰ প্ৰস্তাৱ নহয় ই গোটেই উত্তৰ-পূব অঞ্চলত থকা ৰাজ্যসমূহৰ কাৰণে অতীব প্ৰয়োজনীয়। ঠিক তেনেদৰে বৰাক প্ৰজেক্ট আমাৰ উত্তৰ-পূৰ্ব্বাঞ্চলৰ ৰাজ্যসমূহৰ কাৰণে নিতান্তই প্ৰয়োজনীয়। বৰ্ত্তমান প্ৰস্তাৱত আগবঢ়োৱা পশুপালন চিকিৎসাৰ ব্যৱস্থাৰ কথাটো মাত্ৰ এটা উপলক্ষহে ইয়াৰ উপৰিও বিভিন্ন সামাজিক কামৰ কাৰণে সামাজিক কৰ্ম্মীৰ কেন্দ্ৰ, মিউজিক স্কুল আদি খোলাৰ ব্যৱস্থা কৰিব পাৰিলে উত্তৰ-পূব অঞ্চলৰ ৰাজ্যসমূহৰ মাজত পৰস্পৰ বুজাবুজি আৰু সৌহাৰ্দপূৰ্ণ মনোভাৱ গঢ়ি তোলাত ইয়ে নিশ্চয় সহায় কৰিব। এই কেইটা কথা আগত ৰাখি মই প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীমাল চন্দ্ৰ পেগু :—মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বৰা ডাঙৰীয়াই যিটো প্ৰস্তাৱ আনিছে সেইটো বিশেষ ভাৱে মন কৰিবলগীয়া। আমাৰ ৰাষ্ট্ৰৰ আন আন ৰাজ্যত এনে ধৰণৰ বহুতো পশু চিকিৎসালয় বা পশু চিকিৎসা কেন্দ্ৰ আছে। গতিকে যদি এনে ধৰণৰ পশু চিকিৎসালয় অসম আৰু নগালেণ্ডৰ সীমান্তত পাতিব বিচাৰিছে তেনে ক্ষেত্ৰত আমাৰ এই পশু-

চিকিৎসালয় মধ্যস্থলত পাতিলে বেচি ভাল হয়। ববা ডাঙৰীয়াই যি গমাৰীগুৰিৰ কথা কৈছে তাত যদি তেনে ধৰণৰ কেন্দ্ৰ স্থাপন কৰা হয় তেতিয়াহ'লে তাত অনেক ধৰণৰ অসুবিধা আহিব পাৰে। তাৰোপৰি তাত যিমান বিলাক মানুহ আছে তাৰে প্ৰায়ভাগ মানুহেই বেদখলি মানুহ, তাত সেই মানুহবিলাকক এতিয়াও ভালধৰণে বহুৱা হোৱা নাই। গতিকে নগা ৰাজ্যৰ আৰু অসমৰ কাৰণে এনে ধৰণৰ কেন্দ্ৰ স্থাপন কৰিবলৈ হ'লে মৰিয়নীত পাতিলে বেচি ভাল হ'ব। মৰিয়নী দুয়োখন ৰাজ্যৰ মধ্য-স্থলত হ'ব আৰু ই যাতায়তৰ কাৰণেও সুবিধা হ'ব। আকৌ "ব'ৰ্ডাৰৰ" ওচৰত পাতিবলৈ হ'লে কাকডোঙা বেচি ভাল হ'ব, কাকডোঙা আমাৰ তিতাবৰৰপৰা ১০।১১ মাইলমান আঁতৰত হ'ব। গমাৰীগুৰিত পাতিলে গৰু গাই, যাড় ইত্যাদি আনোতে যথেষ্ট অসুবিধা হ'ব পাৰে। সেই কাৰণে ববা ডাঙৰীয়াই অনা প্ৰস্তাৱটোৰ বিশেষ যুক্তি যুক্ততা আছে বুলি আমি নাভাবো। সেই কাৰণে ববা ডাঙৰীয়াই প্ৰস্তাৱটো উঠাই লব বুলি অনুৰোধ জনাইছো।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী): মাননীয় উপাধ্যক্ষ মহোদয়, গমাৰিগুৰিত চৰকাৰে পশু চিকিৎসালয় বা পশুপালন কেন্দ্ৰ পাতিবলৈ আৰু তাৰ কাৰণে এন, ই, চি লৈ চুপাৰিশ কৰি এটা প্ৰস্তাৱ পঠাব লাগে; এই বিষয়টোলৈ চৰকাৰে বিবেচনা কৰি চাব পাৰে। অকল সেইটোৱেই নহয় এনে ধৰণৰ কি কি প্ৰস্তাৱ এন, ই, চিলৈ পঠোৱা হ'ব সেইবিলাক বিষয়ে চৰকাৰে দৈনন্দিন কাম কৰি আছে আৰু তেনে ধৰণৰ প্ৰস্তাৱ পঠিয়াই থকা হৈছে আৰু সেই ধৰণৰ প্ৰস্তাৱ বহুতো এন, ই, চিৰ মিটিঙত আলোচনা হৈ আছে, ইতিমধ্যে তাৰে ভালেখিনি গৃহীত হৈছে আৰু কাম-কাজো সেই সন্দৰ্ভত হৈ আছে। গমাৰিগুৰিত পশু চিকিৎসালয় এটা পাতিবৰ কাৰণে অসম বিধান সভাত এটা প্ৰস্তাৱ লোৱাৰ প্ৰয়োজনীয়তা আছে বুলি মই নাভাবো। শ্ৰীববা ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি আমি বিবেচনা কৰি চাম যাতে তেনেধৰণৰ এটা পশুচিকিৎসা কেন্দ্ৰ পাতিব পাৰি নে নোৱাৰি। নাগালেণ্ড আৰু আমাৰ ওচৰ-চুবুৰীয়া ৰাজ্যবিলাকৰ মাজত এটা বন্ধুত্ব আৰু সৌহাৰ্দপূৰ্ণ মনোভাৱ গঢ়ি তুলিবৰ কাৰণে এনেধৰণৰ ব্যৱস্থাৰ উপৰিও আৰু

অনেক ব্যৱস্থা চলি আছে আৰু তেনেধৰণৰ প্ৰস্তাৱ ইতিমধ্যে কেবাটাও এন, ই, চিলৈ পঠোৱা হৈছে। অৱশ্যে এই ধৰণৰ এটা পশু চিকিৎসালয় পাতিবলৈ হ'লে নগালেণ্ড চৰকাৰৰ পৰাও অনুমতি তথা আগ্ৰহ তেওঁলোকৰ ফালৰ পৰা আহিব লাগিব। এই সংক্ৰান্তত ইতিমধ্যে এন, ই, চিৰ লগত যোগাযোগ চলি আছে আৰু বন্ধুত্ব স্থাপনৰ কাম-কাজ চলি আছে। গতিকে মই মাননীয় সদস্য বৰা ডাঙৰীয়াক এই প্ৰস্তাৱটো উঠাই ল'বৰ কাৰণে অনুৰোধ জনাইছো।

শ্ৰীসোনেশ্বৰ বৰা ঃ—মাননীয় উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাৱৰ সম্পৰ্কত চৰকাৰৰ ফালৰ পৰা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যি খিনি বক্তৃতাৰ উৎথাপন কৰিলে সেইখিনি মই গুৰুত্ব সহকাৰে শুনিলো আৰু মাননীয় সদস্য শ্ৰীপেগু ডাঙৰীয়াই যিখিনি যুক্তি দাঙি ধৰিছে সেই খিনি মই উপলব্ধি কৰিবলৈ চেষ্টা কৰিছো। কিন্তু এই প্ৰস্তাৱটোত এই কথা কোৱা হোৱা নাই যে, এনেকুৱা এখন ঠাই ইয়াত দেখুৱাওক য'ত এখন ভেটেনাৰী হস্পিতেল হ'ব লাগে। আৰু এনে ধৰণৰ এটা প্ৰস্তাৱ অসম চৰকাৰে বিচাৰিছে বুলিও কোৱা হোৱা নাই। এইটো ঠিক যে ভেটেৰিনাৰীৰ প্ৰস্তাৱ বা এনেধৰণৰ কোনো চিকিৎসালয় অসম বা নগালেণ্ডৰ ক্ষেত্ৰত কিবা সাম্প্ৰতিক উন্নতি আনিব বুলি আমাৰ প্ৰস্তাৱত নাই বা এনেধৰণৰ প্ৰস্তাৱ অনাও নাই। এটা বৃহৎ অঞ্চলৰ উন্নয়নৰ কাৰণে এটা ভেটেৰিনাৰি প্ৰকল্প যথেষ্ট নহয়। তথাপিও এনে ধৰণৰ এটা প্ৰস্তাৱ বিধান সভালৈ আনিব পাৰে। এই প্ৰস্তাৱটো মুখ্যমন্ত্ৰী মহোদয়ে এন, ই, চিলৈ উৎথাপন কৰিব পাৰে কিয়নো ই কোনো ব্যক্তিগতৰ কাৰণে উঠা নাই।

গতিকে মাননীয় সদস্য পেগু ডাঙৰীয়াই এই যে গমাৰীগুৰিত এই কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ দাঙি ধৰা হৈছে সেইটো তেখেতে বুজিবলৈ চেষ্টা কৰক। অৱশ্যে তেখেতে কোৱা মতে দৈয়াং ৰিজাৰ্ভত থকা বেচি ভাগ লোকেই বেদখলকাৰী সঁচা। সেই বুলিয়েই যে সেই ঠাইৰ গৰু-পশু চিকিৎসা হ'ব নালাগে এনে কি যুক্তি আছে। তথাপিতো সেই ঠাইৰ ল'ৰা-ছোৱালীবিলাকে মেট্ৰিক পৰীক্ষা দিওঁতে কৰ্ম্ম অভিজ্ঞতাৰ চাবজেক্টত পশু-পালন ইত্যাদিৰ বিষয়ে শিকিব পাৰিব। মই এইটো স্পষ্টিকৰণ

কৰিবহে বিচাৰিছো, নহ'লে বিধান সভাৰ কাৰ্য্য-বিৱৰণীত এই বিষয়টো যুগ যুগ ধৰি ভুল হৈয়ে ৰৈ যাব। মাননীয় সদস্য গৰাকীয়ে এই কথাটো ভাল ধৰণে উপলব্ধি কৰিব পৰা নাই তেখেতে ভুল ব্যাখ্যা দিছে আৰু বিধান সভাত এটা ভেটেনাৰী চেন্টাৰ কৰিবলৈ দাঙি ধৰা প্ৰস্তাৱটোৱে দুখন ৰাজ্যৰ মাজৰ সংহতিত বাধাৰ সৃষ্টি নকৰে। তালৈ নগা মানুহ আহে, তেওঁলোকৰ গৰু-ম'হ আহে। তাত এখন পশু হস্পিতাল হ'লে দুয়োখন ৰাজ্যৰ মানুহৰ কাৰণে সুবিধা হ'ব। এই বিলাক সুবিধা হ'ব কাৰণেই এইটো কথা কোৱা হৈছে। মোৰ বিশ্বাস চৰকাৰে এইটো প্ৰস্তাৱ গ্ৰহণ কৰিব। ৰাজ্যখনত এটা ভেটেনাৰী চেন্টাৰ হোৱাটো চৰকাৰৰ কাৰণে এটা সৰু কথা হ'ব পাৰে কিন্তু মানুহৰ কাৰণে এইটোৱেই ডাঙৰ কথা। এইফালৰ পৰা মই এইটো কথা আগতেই কৈছো যে বিধান সভাৰ বিৰোধী পক্ষৰ সদস্যৰ দ্বাৰা উৎথাপন কৰা প্ৰস্তাৱ বুলি উপেক্ষা নকৰি ভাল প্ৰস্তাৱ হ'লে সো-পক্ষৰে হওঁক বা বিপক্ষৰে হওঁক গ্ৰহণ কৰিবলৈ আপত্তি থাকিব নালাগে। বিধান সভাই যদি এই প্ৰস্তাৱটো গ্ৰহণ কৰে তেতিয়াহ'লে চৰকাৰে বল পাব। যোৱা তিনি বছৰে এনেকুৱা তথ্যপাতি চৰকাৰে দিছে যদি নাজানো। এই প্ৰস্তাৱটো গ্ৰহণ কৰিলে চৰকাৰে বল পাব আৰু ৰাইজৰ উপকাৰ হ'ব। এনেকুৱা অন্য প্ৰস্তাৱ আহিলেও তাক গ্ৰহণ কৰাত আপত্তি থকাৰ কাৰণ নাই। সৰ্বশেষত চৰকাৰী পক্ষই এই প্ৰস্তাৱটো গ্ৰহণ কৰিব বুলি আশা ৰাখিলো।

Mr. Deputy Speaker :—I put the resolution then. "অসম বিধান সভাৰ এই অধিৱেশনে প্ৰস্তাৱ গ্ৰহণ কৰে যে অসম আৰু নগালেণ্ড ৰাজ্য দুখনৰ দুয়ো ৰাজ্যৰ উপকাৰৰ অৰ্থে ৰাজ্য দুখনৰ জনসাধাৰণৰ নিতৌ সমাগম হোৱা ঘন বসতিপূৰ্ণ ঠাই গোলাঘাট মহকুমাত অৱস্থিত গমাৰী-গুৰিত এখন উন্নত ধৰণৰ পশু-পালন আৰু পশু-চিকিৎসালয় প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰিবৰ কাৰণে অসম চৰকাৰে উত্তৰ-পূৱ পৰিষদক এই প্ৰস্তাৱ যোগে চুপাৰিশ কৰক।

( After a pause )

The resolution is lost. The third resolution is in the name of Shri Mal Chandra Pegu.

Shri Mal Chandra Pegu :—I am withdrawing it.

* Shri Dulal Chandra Khound :—Mr. Deputy Speaker, Sir, I beg to move that 'This Assembly resolves that the State Government should take necessary step for making education free up to H. S. L. C. Examination standard for girl students and upto standard of Class VIII for all boy students with immediat effect'.

মাননীয় উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটো দাঙি ধৰি তুৰাষাৰ কৰলৈ বিচৰাৰ আগতে এটা কথা মই কব বিচাৰিছো যে আমি এই তালিকাত দেখিবলৈ পাইছো যে ঠিক একে ধৰণৰ আৰু এটা প্ৰস্তাৱ বন্ধুবৰ শ্ৰীসোনেশ্বৰ বৰা ডাঙৰীয়াৰ নামটো আছে। ইয়াৰ মূল পাৰ্থক্য এইটোৱেই হৈছে যে তেখেতে হাইস্কুল লিভিং পৰীক্ষা প্ৰৰ্য্যন্ত ল'ৰা-ছোৱালী উভয়ৰে শিক্ষা বিনামূলীয়া কৰাৰ কথা কৈছে। আমাৰ প্ৰস্তাৱটো আমি দুটা ভাগত ভাগ কৰিব খুজিছো। ছোৱালীৰ ক্ষেত্ৰত হাইস্কুল লিভিং পৰীক্ষা পৰ্য্যন্ত বিনামূলীয়া কৰাৰ কথা কোৱা হৈছে আৰু ল'ৰাৰ ক্ষেত্ৰত ক্লাচ এইটলৈকে বিনামূলীয়া কৰাৰ কথা কোৱা হৈছে। ল'ৰাৰ ক্ষেত্ৰটো আমি হাইস্কুল লিভিং পৰীক্ষা পৰ্য্যন্ত বিনামূলীয়া হোৱাটো বিচাৰো। কিন্তু এইটো কাৰ্য্যকৰী কৰাৰ প্ৰশ্ন আছে। কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত ধন খৰচ হোৱাৰ প্ৰশ্ন আছে। সেই ফালৰ পৰা আমি মন্থৰ গতিত লৈ যোৱাৰ কথাটো চিন্তা কৰিছো। সেই কাৰণেই আমি প্ৰস্তাৱটো তেনেকৈয়ে দিছো। ছোৱালীৰ ক্ষেত্ৰত হাইস্কুল লিভিং পৰীক্ষা পৰ্য্যন্ত বিনামূলীয়া হ'ব লাগে আৰু ল'ৰাৰ ক্ষেত্ৰত ক্লাচ এইটলৈকে বিনামূলীয়া হ'ব লাগে। এই প্ৰস্তাৱটো উৎথাপন কৰোতে আমি ইয়াৰ দায়িত্বৰ কথা অনুভৱ কৰিছো। ইয়াৰ দ্বাৰা শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ বেচি ধন খৰচ হব আমাৰ ৰাজহৰ ধন বেচি পৰিমাণে শিক্ষাৰ কাৰণে দিব লাগিব। আমি এই কথা অনুভৱ কৰা স্বত্বেও এই প্ৰস্তাৱটো উৎথাপন কৰিছো। এই কাৰণেই কৰিছো যে ইয়াৰ প্ৰয়োজনীয়তা আমি উপলব্ধি কৰিছো।

---

* Speech not Corrected

আৰু তাৰ কাৰণেই প্ৰস্তাৱটো উত্থাপন কৰিছো। আৰু চৰকাৰক অনুৰোধ কৰিম এই প্ৰস্তাৱটো বিবেচনা কৰাৰ ক্ষেত্ৰত ইয়াৰ সামাজিক প্ৰয়োজনীয়তা লৈ লক্ষ্য ৰাখি কেৱল বিৰোধী পক্ষৰ প্ৰস্তাৱ বুলি ইয়াক বিবেচনা কৰা নহয়, এই অনুৰোধ মই চৰকাৰক কৰিছো। যদিও আমি সকলো কথা বুজো ইয়াত ধনৰ প্ৰশ্ন আছে কাৰ্য্যকৰী কৰাৰ প্ৰশ্ন আছে এই সকলো কথা ভাবি চিন্তি আমি এই প্ৰস্তাৱটো উত্থাপন কৰিছো। ইয়াত সামাজিক প্ৰয়োজনীয়তাৰ কথাটো সকলোতকৈ ডাঙৰ হৈছে। আৰু আশা ৰাখিছো যাতে সেই দিশৰ পৰাই চৰকাৰী পক্ষই এই প্ৰস্তাৱটো বিবেচনা কৰে। গোটেই কথাটো হৈছে যে আমি আদৰ্শৰ ফালৰপৰা বহু কথাই কৈছো। আমি মহান আদৰ্শ ৰাখিছো আমি আমাৰ দেশত সমাজতন্ত্ৰ প্ৰতিস্থা কৰিম। জনসাধাৰণৰ আৰ্থিক, সামাজিক, সাংস্কৃতিক ক্ষেত্ৰত সাম্য প্ৰতিস্থা কৰিম। এই লক্ষ্য আমাৰ আগত আছে। কিন্তু এই লক্ষ্যৰ কথা বাদ দিও আমি সাধাৰণ ভাবে এইটো কথা ধৰো যে আমাৰ ৰাজ্য এখন মঙ্গলকামী ৰাজ্য। জনসাধাৰণৰ মঙ্গলৰ কাৰণেই ৰাজ্যৰ ব্যৱস্থা। অৰ্থনৈতিক, সাংস্কৃতিক, শিক্ষাৰ ক্ষেত্ৰত যি ব্যৱস্থা কৰিছে সেইটো চালে দেখিবলৈ পাম যে যোৱা ২৭ বছৰে আমাৰ যথেষ্ট পৰিমাণে শিক্ষাৰ ক্ষেত্ৰত অগ্ৰগতি হৈছে। মই বৃটিচৰ সাম্ৰাজ্যবাদী ব্যৱস্থাৰ কথা ক'ব বিচৰা নাই। আমাৰ দেশত স্বাক্ষৰৰ বৰ্ত্তমান সংখ্যা হৈছে শতকৰা ২৮·১। স্বাধীনতাৰ ১০ বছৰৰ পিচতে দেশৰপৰা নিৰক্ষৰতা দূৰ কৰিম বুলি কৈছিলো কিন্তু ২৭ বছৰ হৈ গ'ল। এতিয়া আমি দেখিবলৈ পাও যে দেশত নিৰক্ষৰতাৰ সংখ্যা আগতকৈ বাঢ়িছে। চৰকাৰী পক্ষই ইয়াৰ উত্তৰত কৈছে যে জনসংখ্যা বঢ়াৰ কাৰণেই নিৰক্ষৰতাৰ সংখ্যাও বাঢ়িছে। এইটো ক'ব বুলি আমি জানো।

এতিয়াও আমাৰ শিক্ষিতৰ সংখ্যা হৈছে শতকৰা ২৮·১ জন। গতিকে এখন মঙ্গলকামী ৰাষ্ট্ৰত সমাজৰ যদি সৰহসংখ্যক মানুহেই নিৰক্ষৰ হৈ থাকে তেন্তে সেই সমাজত পৰিবৰ্ত্তন কৰাৰ ক্ষেত্ৰত, এই সমাজখনৰ অৰ্থনৈতিক, সাংস্কৃতিক বা শিক্ষাৰ বিষয়ত অগ্ৰগতি লাভ

কৰাৰ ক্ষেত্ৰত কি ধৰণৰ বাধাৰ সৃষ্টি হ'ব পাৰে সেইটো আমি জানো তাৰ বাহিৰেও আমাৰ শিক্ষাৰ প্ৰসাৰণৰ ক্ষেত্ৰত যিটো আটাইতকৈ ডাঙৰ সমস্যা সেইটোক টেকনিকেল ভাষাত 'ড্ৰপআউট' হোৱা বুলি কোৱা হৈছে। এইটো হৈছে যিমানজন ছাত্ৰই স্কুলত নাম ভৰ্ত্তি কৰে তাৰ ভিতৰত শতকৰা ৬৫ জন ছাত্ৰই স্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষাত বহাৰ আগতেই স্কুল এৰি যাবলগীয়া হয়। বিশ্লেষণ কৰি চালে দেখা পোৱা যায় যে, দৰিদ্ৰতাই ইয়াৰ একমাত্ৰ কাৰণ। ইয়াৰ ওপৰিও আজি কিছুদিনৰ পৰা আমাৰ সমাজত সদায়েই আলোচনা হৈ থকা আৰু এই বিধান সভাতো আমি সঘনেই আলোচনা-বিলোচনা আদি কৰি আহিছো। অথনিও আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে আমাৰ সমাজখনক পৰিবৰ্ত্তন কৰাৰ আগ্ৰহ প্ৰকাশ কৰিছে। সমাজ এখন পৰিবৰ্ত্তিত কৰিব খুজিলে সেই সমাজত জনসাধাৰণো তাত অংশ গ্ৰহণ কৰিব লাগিব। এই ক্ষেত্ৰত আমি মনত ৰাখিব লাগিব যে, অশিক্ষিত জনসাধাৰণ, বা অলপ-অচৰপ শিক্ষাৰ পোহৰ পোৱা জনসাধাৰণক লৈ এখন সমাজক পৰিবৰ্ত্তন কৰাটো একেবাৰেই দুৰুহ কথা হ'ব। সেইটো সহজেই উপলব্ধি কৰিব পাৰি। সমাজৰ বৃহত্তম স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখিলে দেখা যায় যে, সমাজৰ সৰহ সংখ্যক মানুহকেই যদি সমাজৰ বিভিন্ন দিশত অংশ গ্ৰহণ কৰিব পৰাকৈ শিক্ষিত কৰি তুলিব নোৱাৰি তেতিয়া হ'লে, সেই সমাজৰ কেতিয়াও উন্নতি সাধন কৰিব নোৱাৰি।

এটা কথা, সমাজতান্ত্ৰিকতাৰ আদৰ্শ গ্ৰহণ কৰা দেশত এইটো নাথাকে। উদাহৰণ স্বৰূপে, ১৯৫৯ চনত কিউবাৰ বিপ্লৱ হৈছিল আৰু এতিয়া ১৯৭৫ চনত তাত চেকেণ্ডেৰী স্কুলৰ শিক্ষা বাধ্যতামূলক কৰি দিছে যাৰ ফলত নিৰক্ষৰ মানুহ তাত নাইকিয়া কৰি দিছে। মই আন এটা উদাহৰণো দিব খুজিছো। সেইটো চোভিয়েট ৰাচিয়াৰ কথা নহয়, কিয়নো চোভিয়েট ৰাচিয়াৰ কথা ক'লে হয়তো মানুহে এখন উন্নত দেশৰ কথা কৈছে বুলি ক'ব। কিন্তু যিটো উদাহৰণ দিব খুজিছো সেইটোত কোনো উন্নত দেশৰ কথা ক'ব খোজা নাই। সেইখন দেশ হৈছে ভিয়েটনামৰ কথা। পৰহিলৈকে

মাৰ্কিন সাম্ৰাজ্যবাদৰ লগত যুঁজি যুঁজি মৰিছিল। ভিয়েটনাম অৰ্থনৈতিক দিশত ভাৰতবৰ্ষতকৈ কোনো গুণে উন্নত দেশ নহয়। তাতো মাধ্যমিক পৰ্য্যায়লৈকে শিক্ষাৰ ব্যৱস্থা বিনামূলীয়াকৈ কৰাৰ দিহা কৰিছে, সাৰ্বজনিন আৰু বাধ্যতামূলক কৰিছে। শিক্ষাৰ ক্ষেত্ৰত এই অগ্ৰাধিকাৰ কিয় দিয়া হৈছে? সমাজৰ কেইজনমান মানুহক এখোকনকৈ স্কুটাৰ বা কেইজনমান ডেকাক দুই এটা চাকৰি দিয়াটোকেই শিক্ষিত হোৱা বুলি নকয়। সমাজ এখনক সুস্থ ভাৱে পৰিচালনা কৰিবলগীয়া হ'লে তাৰ খেতিয়কেও শিক্ষা পাব লাগিব, কাৰখানাত কাম কৰা সকলো শিক্ষিত হ'ব লাগিব আৰু বাগানত কাম কৰা সকলো শিক্ষিত হোৱাটো নিতান্তই দৰ্কাৰী। তেতিয়াহে সমাজখন বৈজ্ঞানিক ভিত্তিত আগবঢ়া সমাজ বুলি পৰিগণিত হ'ব। সেই কাৰণেই শিক্ষাৰ প্ৰসাৰণৰ আজি ইমান প্ৰয়োজন হৈছে। এটা কথা ক'লেও হয় বা নকলেও হয় যদিও মনত খেলাইছে যেতিয়া কওঁ যে, আমাৰ দেশখনত স্কুল কলেজৰ সংখ্যা বাঢ়িছে যেতিয়া 'ফিজ' দিয়াত বাধাৰ সৃষ্টি কৰা নাই বুলি ক'ব পাৰি। কিন্তু এক শ্ৰেণীৰ কাৰণে বাধাৰ সৃষ্টি কৰা নাই যদিও এক শ্ৰেণীৰ মানুহৰ কাৰণে বাধাৰ সৃষ্টি হৈছে। আমাৰ সমাজৰ আটাইতকৈ পিচপৰি থকা অনুন্নত সম্প্ৰদায় বিলাকৰ ল'ৰা-ছোৱালীক মাহে তিনি বা চাৰি টকা ফিজ দিব নোৱাৰাৰ সামান্যতম অজুহাতত স্কুল এৰুৱাবলগীয়া অৱস্থা হয়। এইবিলাক সম্প্ৰদায়ৰ কোনো কোনো ভাল ভাল ছাত্ৰ-ছাত্ৰীয়ে স্কুল এৰাৰ কাৰণে ব্যক্তিগতভাৱে অনুসন্ধান কৰি আমাৰ এই কথাই দৃষ্টি গোচৰ হৈছে যে মাহে ৩।৪ টকা ফিজ দিব নোৱাৰি বাধ্য হৈ ল'ৰা-ছোৱালীক স্কুলকে এৰুৱাবলগীয়া অৱস্থা হয়গৈ। গতিকে এনেকুৱা অৱস্থাত যদি এইবিলাক সমাজৰ পিচপৰা সম্প্ৰদায়ৰ কাৰণে বিনামূলীয়া শিক্ষাদানৰ ব্যৱস্থা কৰা হয় তেতিয়া হ'লে সমাজত সি যি মনস্তাত্বিক প্ৰভাৱে সেইবিলাক সম্প্ৰদায়লৈ শিক্ষাৰ প্ৰতি এটা সচেতনতা আনিব আৰু সিয়েই ছোৱালীবিলাকক স্কুললৈ শিক্ষাদানৰ কাৰণে পঠিয়াবলৈ মানসিক ভাৱে প্ৰেৰণা যোগাব। সেই কাৰণেই এইটো অত্যন্ত প্ৰয়োজনীয় কথা হৈ পৰিছে। আপোনালোক সকলোৱেই জানে যে আন্তৰ্জ্জাতিক মহিলা বৰ্ষ পালন কৰা হ'ল তাৰ দাৰুণ ঢোল আমাৰ

মহিলাসকলে বজালে। আমাৰ মাননীয়া মহিলা মন্ত্ৰী শ্ৰীমতী আনোৱাৰ টাইমূৰ ডাঙৰীয়ানীয়েও এই দাৰুণ ঢোল বজালে।

মহোদয়, আন্তৰ্জাতিক মহিলা বৰ্ষ উপলক্ষে ৰাজ্যিক শিক্ষামন্ত্ৰী আনোৱাৰা টাইমুৰকে আদি কৰি মুখ্যমন্ত্ৰীকে ধৰি সকলোৱে নানান সভা-সমিতি কৰিলে। বহুত বক্তৃতা দিলে। আমিও বহুত বক্তৃতা দিলো। কিন্তু কংক্ৰিট কি পোৱা হ'ল সেইটো হিচাপ কৰি চালে আমি কি পাওঁ। বহুত কেইখন চেমিনাৰ মিটিং আদি হ'ল। বহুত বক্তৃতা দিয়া হ'ল কিন্তু মই চেমিনাৰ বা সভা-সমিতিৰ প্ৰয়োজন নাই বুলি ক'ব খোজা নাই। কেৱল এতিয়া যদি উভতি চাওঁ তেন্তে কংক্ৰিট কি পাইছো সেইটো কথাহে কৈছো। মহিলা সকলেও এই আন্তৰ্জাতিক মহিলা বৰ্ষত পুৰুষৰ সমানে আগ বাঢ়ি আহিব লাগে বুলি কথা-বতৰা কোৱা হ'ল। বক্তৃতা দিয়া হ'ল কিন্তু ঘৰলৈ আহি কি কৰা হ'ব চাওঁকচোন। ল'ৰা আৰু ছোৱালী যদি আছে নিশ্চয় ল'ৰাটোকহে পঢ়োৱাৰ কথা চিন্তা কৰিব কিয়নো ডাঙৰ হ'লে বুঢ়া বয়সত সি আৰ্জি খুৱাব কিন্তু ছোৱালীক পঢ়াই কি হ'ব বিয়া দিলে আনৰ ঘৰত গৈ গৃহিণী হ'বগৈ। গতিকে ঘৰত আহি যদি সেইটো পালন কৰা নাযায় তেন্তে সেই চেমিনাৰ অথবা সভা-সমিতিৰ কোনো কংক্ৰিট বস্তু নাথাকে। এই কথা মইও জানো আপোনালোকেও জানে, মুখ্যমন্ত্ৰীয়েও জানে আৰু মহিলা বৰ্ষত চেমিনাৰ বা সভা-সমিতিত বক্তৃতা দিয়া সকলেও জানে। ১৯৭৫ চনটো মহিলাবৰ্ষৰ বছৰ বুলি কোনে সিদ্ধান্ত লৈছিল ? অকল মহিলাই নিশ্চয় লোৱা নাছিল। মহিলাৰ লগতে পুৰুষেও নিশ্চয় এই বছৰটো মহিলা বৰ্ষ হিচাপে পালন কৰাৰ কাৰণে সিদ্ধান্ত লৈছিল। গতিকে মহিলাৰ লগতে পুৰুষেও নিশ্চয় এই মহিলাৰ বৰ্ষৰ ফলাফলৰ ফালে লক্ষ্য কৰাৰ অধিকাৰ আছে। আৰু সেই কাৰণেই যদি আমি লক্ষ্য কৰি চাওঁ আমি কংক্ৰিত কি দেখা পাওঁ। অৱশ্যে এইটো কথা ঠিক যে সমাজখনৰ সকলো বিলাক সম্প্ৰদায়ৰ লোকেই সমানে শিক্ষা-দীক্ষাত আগবঢ়া নহয়, কোনো কোনো সম্প্ৰদায় শিক্ষা-দীক্ষাত আগবঢ়া আৰু কোনোবাটো সম্প্ৰদায় হয়তো পিচ পৰা। আমি যদি অন্ততঃ পক্ষে মেট্ৰিকুলেচন পৰ্য্যন্ত বা হাইস্কুলীয়া শিক্ষা শেষ কৰা পৰ্য্যন্ত বিনামূলীয়া শিক্ষা দিব পাৰো, তেতিয়াহ'লেও নিশ্চয় শিক্ষাৰ প্ৰতি ধাউতি বাঢ়িব

আৰু মহিলাসকলৰ মাজত এচাম শিক্ষিত মানুহ ওলাব। আৰু সম্প্ৰদায় হিচাপে কিছু কিছু শিক্ষিত লোক পোৱা হ'ব। এই প্ৰসঙ্গত এটা কথা ক'ম বুলি ভাবিছো। কোনোবাই উচপ খাই উঠিলেও মুখ্যমন্ত্ৰী মহোদয়ে উচপ খাই নুঠে বুলি মই ভাবো। কথাটো কৈছিল সমাজ সংগঠক লেনিনে। "আমি সমাজ পৰিবৰ্ত্তন কৰি এখন সমাজতন্ত্ৰ কৰিবলৈ ওলাইছো। কিন্তু সমাজৰ আধাখিনি যিহেতু মহিলা এই মহিলাসকলক যদি প্ৰকৃত শিক্ষিত কৰি সমাজৰ কাম আৰম্ভ কৰিব নোবাৰো তেতিয়াহ'লে গণতান্ত্ৰিক সমাজ এখন আমি গঢ়ি তুলিব নোবাৰিম।" আজি সমাজতান্ত্ৰিক ৰাষ্ট্ৰ প্ৰতিস্থাৰ চিন্তা কৰা হৈছে। যিহেতু আমাৰ চৰকাৰে সমাজতান্ত্ৰিকৰ ওপৰত বিশ্বাস কৰে, মুখ্যমন্ত্ৰী ডাঙৰীয়াই সমাজতান্ত্ৰিকৰ ওপৰত বিশ্বাস কৰে আমি বিশ্বাস কৰো এই প্ৰসঙ্গতেই এই কথাষাৰ কৈছো। যদি এই মহিলাসকলৰ কথা চিন্তা কৰা নহয়, যদিহে সমাজ গঠনৰ ক্ষেত্ৰত মহিলাসকলৰ যি ভূমিকা সেই ভূমিকা পালন কৰিব নোৱাৰে তেতিয়াহ'লে এখন সুস্থ সমাজ গঢ়ি তোলাৰ কথা কেতিয়াও চিন্তা কৰিব নোৱাৰি। মাধ্যমিক পৰ্য্যায়ত ষষ্ঠ শ্ৰেণীৰ ঠাইত যদি অষ্টম শ্ৰেণীলৈকে বিনামূলীয়া শিক্ষা দিব পৰা হয় আৰু দুই শ্ৰেণী বঢ়াই কৈছো আৰু তাৰ পিচত যদি পৰ্য্যায়ক্ৰমে হাইস্কুল এবালৈকে বিনামূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব পৰা হয় তেতিয়াহ'লে যিবিলাক সম্প্ৰদায়ে অনুসূচীত জাতি বা অনুসূচীত জনজাতি অথবা অন্যান্য পিচ পৰা সম্প্ৰদায় বুলি আইডেনটিফাই কৰি আছে সেই সামাজিকভাৱে, সাংস্কৃতিকভাৱে বা অৰ্থনৈতিক দিশৰ পিচ পৰি থকা সম্প্ৰদায় বিলাকৰ মাজতো যথেষ্ট সংখ্যক শিক্ষিত লোক ওলাব। যিবিলাকে এতিয়াও নিজকে পিচ পৰা বুলি ধৰি লৈছে সেই সকলেও যাতে আৰু বেছি আগুৱাব পাৰে তাৰ ব্যৱস্থা কৰিব পাৰিলেহে প্ৰকৃত সমাজ গঢ়াৰ কথা চিন্তা কৰিব পাৰি।

উপাধ্যক্ষ মহোদয়, আমাৰ ইয়াত বৃটিচ শাসকসকল অহাৰ পৰাই ইয়াত যি ঔপনিবেশিক শাসন চলিছিল তাৰ দ্বাৰা জনসাধাৰণক পিচ পেলাই ৰখা হৈছিল। মুখ্যমন্ত্ৰীয়ে অৱশ্যে পুঁজিবাদী শাসনৰ কথা কৈছে, কিন্তু পুঁজিবাদীৰ চূড়ান্ত ৰূপ হ'ল ঔপনিবেশিক শাসন ব্যৱস্থা। এই ঔপনিবেশিক

শাসন ব্যৱস্থাৰ দ্বাৰা এচাম মানুহৰ দ্বাৰা এচাম শাসিত হৈছিল। এচামৰ হাতত আনচাম শোষিত হৈছিল সেই ঔপনিবেশিক শাসন ব্যৱস্থাৰ দ্বাৰা অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশতো শোষণ চলাই আছিল এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। এই শাসন ব্যৱস্থা বৈষম্যমূলক ব্যৱস্থা বুলি নকৈ থাকিব নোৱাৰো। কিন্তু আজি আমি পৰিবৰ্ত্তনৰ এক দুৱাৰদলিত উপস্থিত হৈছোহি।

উপাধ্যক্ষ মহোদয়, এই পৰিবৰ্ত্তন কোনে কৰিব। কোনে আনিব এই পৰিবৰ্ত্তন। এই পৰিবৰ্ত্তন কোনো এটা বিশেষ ৰাজনৈতিক দলেই আনিব নোৱাৰে, কোনো এক বিশেষ নেতাই এই পৰিবৰ্ত্তন আনিব নোৱাৰে। এই পৰিবৰ্ত্তন তেওঁলোকে ইনিচিয়েট কৰিব পাৰিব কিন্তু এই পৰিবৰ্ত্তন আৰম্ভ কৰিব লাগিব জনসাধাৰণে আৰু তাক চলাই নিয়াৰ দায়িত্বও জনসাধাৰণৰেই। জনাধাৰণৰ সক্ৰিয় সহযোগিতাই এই পৰিবৰ্ত্তন আনিবলৈ সক্ষম হ'ব। আজি যি প্ৰধান মন্ত্ৰী আছে তেখেত কাইলৈ নাথাকিবও পাৰে, আজি যি মুখ্যমন্ত্ৰী আছে কাইলৈ হয়তো নাথাকিবও পাৰে। কিন্তু এই পৰিবৰ্ত্তনকামী জনসাধাৰণ সদায় থাকিব। আৰু এই জনসাধাৰণেই এই পৰিবৰ্ত্তন চলাই থাকিব লাগিব কিন্তু তাৰ কাৰণে জনসাধাৰণে পৰিবৰ্ত্তনৰ কাৰণে হাতিয়াৰ পাব লাগিব। আহিলা পাব লাগিব যাতে এই পৰিবৰ্ত্তন চলাই থাকিব পাৰে। মানসিকভাৱে যাতে পৰিবৰ্ত্তনৰ বাবে আহিলা যোগাৰ কৰিব পাৰে তাৰ কাৰণে শিক্ষা ব্যৱস্থা কটকটীয়া কৰিব লাগিব। শিক্ষা ব্যৱস্থাৰ বিৰুদ্ধে থকা সকলো বিলাক আঁতৰাই জনসাধাৰণক মানসিকভাৱে এই ক্ৰমাগত পৰিবৰ্ত্তন চলাই নিয়াৰ কাৰণে আহিলা যোগাৰ কৰিবলৈ দিব লাগিব। কিয়নো আমাৰ শতকৰা ৯১ জন মানুহেই গাওঁত থাকে আৰু গাওঁৰ আৰু আমাৰ চাহবাগানৰ জনসাধাৰণৰ দ্বাৰা বা আমাৰ অনুসূচীত জাতি বা অনুসূচীত জনজাতিৰ জনসাধাৰণেহে এই পৰিবৰ্ত্তনত আগভাগ ল'ব লাগিব।

আমাৰ ৰাজ্যখনৰ শতকৰা ৯১ ভাগ মানুহ গাওঁত বাস কৰে আৰু সেই গাওঁৰ জনসাধাৰণ আৰু অনুসূচীত জাতি বা জনজাতিৰ যিসকল লোকৰ ওপৰত নিৰ্ভৰ কৰি আমাৰ ৰাজ্যখন চলি আছে সেই সকল লোকৰ

বিৰুদ্ধে হৈছে আমাৰ এই শিক্ষা ব্যৱস্থাটো। যিসকলৰ ভুপইচা আছে আৰু যিসকলে যথেষ্ট খৰচ কৰি ল'ৰা-ছোৱালী পঢ়ুৱাব পাৰে সেই সকলেই নিজৰ ল'ৰা-ছোৱালীক এই শিক্ষা দিব পাৰিছে। গতিকে চৰকাৰী চাকৰিৰ যিটো প্ৰশ্ন আহিছে, অৰ্থনীতিৰ পৰিচালনাৰ যিটো প্ৰশ্ন আহিছে, সাংস্কৃতিক ক্ষেত্ৰত প্ৰতিযোগিতাৰ যিটো প্ৰশ্ন আহিছে এই ক্ষেত্ৰত আমাৰ জনসাধাৰণক বঞ্চিত কৰি অহা হৈছে। কাৰণ এই ক্ষেত্ৰত গাওঁৰ জনসাধাৰণক প্ৰস্তুত কৰি তুলিব পৰা নাই। এজন দাৰ্শনিকে এটা কথা কৈছিল 'অল দি উইজদম ইন দি ওৰ্ল্ড ইজ ইন ওৱান গ্ৰেইন অৱ কৰ্ণ।' সেই কৃষকসকলৰ আজি সমস্ত প্ৰতিযোগিতাৰ পৰা বঞ্চিত কৰি ৰখা হৈছে। গাওঁৰ জনসাধাৰণক যদি শিক্ষিত কৰি তুলিব নোৱাৰে তেন্তে চৰকাৰে যিমানেই আধুনিক ধৰণেৰে খেতি কৰিবলৈ নকওঁক, যিমানেই এগ্ৰিকালচাৰেল ফাৰ্মি কৰ্পোৰেশ্যন নকৰক, ক'অপাৰেটিভ চোচাইটি নকৰক সেইবিলাক প্ৰচেষ্টা সাফল্যমণ্ডিত নহয়। আনহাতে আমাৰ জনসাধাৰণ যদি আমি শিক্ষিত কৰিব নোৱাৰো তেনেহ'লে আমাৰ যিবিলাক নেতিবাচক কথা সেইবিলাকৰ দ্বাৰা আমাৰ জনসাধাৰণৰ একো ফল নহ'ব। বৰং এই সকলো ক্ষেত্ৰত এটা ধুমুহাৰহে সৃষ্টি হ'ব যিটো আজি ২৭ বছৰে হৈ আহিছে। মাওঁচে তুঙে চাৰিআলিৰ মূৰত কিতাপ বিলাক পুৰি পেলোৱাটোকেই সাংস্কৃতিক বিপ্লৱ বুলি ক'ব পৰা নাযায়। সাংস্কৃতিক বিষয়ত সমস্ত দেশখনক আধুনিকভাৱে গঢ়ি তুলি নতুন ধ্যান ধাৰণাৰে গঢ়ি তুলিব পাৰিলেহে সাংস্কৃতিক বিপ্লৱ হ'ব। সেইটো আমি কৰিবলৈ বিচাৰিছো নে নাই ? মোৰ বিশ্বাস আধুনিক পৰিবৰ্ত্তন কৰিবলৈ লোৱাৰ লগে লগে এক ব্যাপক হাৰত শিক্ষাৰ সম্প্ৰসাৰণ কৰিলেহে এই ক্ষেত্ৰত সফলকাম হ'ব পৰা যাব। চৰকাৰৰ ধন টকা পইচাৰ অসুবিধা যিমানেই নহওঁক লাগে সমাজৰ এক বৃহত্তম পৰিবৰ্ত্তনৰ কাৰণে প্ৰয়োজনীয় টকা পইচা খৰচ কৰিব বুলি মই এই প্ৰস্তাৱটো উৎথাপন কৰিছো।

শ্ৰীগিয়াচুদ্দিন আহমেদ:— মাননীয় উপাধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটো সমৰ্থন কৰি মই দুআষাৰ কব খুজিছো। চৰকাৰে দেশৰ যিটো সামাজিক আৰু অৰ্থনৈতিক উন্নতিৰ আঁচনি লৈছে তাৰ লগত আজি এই প্ৰস্তাৱটোৰ ঘনিষ্ঠ সম্পৰ্ক আছে। দেশৰ জৰুৰী অৱস্থা ঘোষণা কৰা হ'ল আৰু লগতে

কুৰিদফীয়া অৰ্থনৈতিক আচঁনিও গ্ৰহণ কৰা হ'ল। মাননীয় সদস্য খাউণ্ড ভাঙৰীয়াই কৈছে যে অসমৰ পৰিসংখ্যাৰ মাত্ৰ শতকৰা ২৮ জনেহে লিখিব পঢ়িব পাৰে আৰু বাকী শতকৰা ৭২ ভাগ মানুহ নিৰক্ষৰ অৰ্থাৎ অন্ধকাৰত ডুব গৈ আছে। এই বিৰাট জনসংখ্যাক আমি যদি শিক্ষাৰ পোহৰলৈ আনিব নোৱাৰো তেনেহ'লে দেশৰ সামাজিক আৰু অৰ্থনৈতিক উন্নতিৰ কথা, সাংস্কৃতিক বিপ্লৱৰ কথা, প্ৰযুক্তি বিদ্যাৰ কথা আৰু নন ধ্যান-ধাৰণাৰ কথা, বৈপ্লৱিক পৰিবৰ্ত্তনৰ কথা, অৰ্থনৈতিক আৰু সামাজিক পৰিবৰ্ত্তন আদি একো আনিব পৰা নহয়। ই মাথোন হ'ব আকাশ কুসুম আৰু অলৌকিক কল্পনা। এটা কথা কোৱা হৈছে যে দেশখনৰ শতকৰা ৭০ ভাগ মানুহ দাৰিদ্ৰ্যৰ সীমাৰেখাৰ তলত। এই মানুহখিনিয়ে ছবেলা দুমুঠি খাবলৈ পোৱা নাই, এখন কাপোৰ পিন্ধিবলৈ পোৱা নাই, এওঁলোকে এক ভয়ানক অৰ্থনৈতিক বিপদৰ মাজত জীৱন যাপন কৰিব লগা হৈছে। এই মানুহখিনিয়ে সামান্য এটা টকা বা পঞ্চাশটা পইচাৰ অভাৱত বাটে-ঘাটে ঘূৰি ফুৰিব লগা হৈছে। দাৰিৰ্দ্ৰ্যৰ সীমা ৰেখাৰ তলত থকাৰ কাৰণে এই লোকসকল শিক্ষাৰ পৰা বঞ্চিত হ'ব লগা হৈছে, মুখ্যমন্ত্ৰী মহোদয়ে এটা কথা বহুবাৰ আৰু আজিও কৈছে যে আমাৰ যিটো সমাজ ব্যৱস্থা এই ব্যৱস্থাত আমি কোনো ৰকমে উন্নতিৰ পথত আগবাঢ়িব নোৱাৰো। এইটো সঁচা কথা। আজি আমাৰ যিটো শিক্ষাৰ ব্যৱস্থা এই ব্যৱস্থাই শতকৰা ৭০ ভাগ লোক দাৰিদ্ৰ্যৰ সীমা ৰেখাৰ ভিতৰত থকা লোকক পোহৰ বিলাব নোৱাৰে। অকল স্কুলৰ ফিজখিনি মাফ দিলেই যে সকলো শিক্ষিত হ'ব এনে কথাও নহয়, তথাপি এনে অভিভাবকো আছে যে যি ফিজৰ অভাৱত নিজৰ মেধাৱী ল'ৰাক পঢ়ুৱাব নোৱাৰি স্কুল এৰুৱাই দিব লগা হৈছে। এনে ক্ষেত্ৰত স্কুলৰ ফিজখিনি যদি ৰেহাই দিয়াও হয় তেন্তে আংশিক ভাৱে হ'লেও অভিভাৱকসকল কিছু পৰিমাণে সকাহ পাব। আমাৰ গাওঁ অঞ্চলত আমি এনে দৃষ্টান্তও পাওঁ যে অকল ফিজ কেইটাৰ কাৰণেই ৰাতি পুৱা শিক্ষাৰ প্ৰতি আগ্ৰহান্বিত ল'ৰাই লোকৰ পথাৰত গৈ কাম কৰি স্কুললৈ যায়। গতিকে এনে ল'ৰা-ছোৱালীক শিক্ষাৰ ক্ষেত্ৰত

আগবঢ়াই নিবলৈ হ'লে চৰকাৰে অন্ততঃ ছোৱালীক মেট্ৰিক ষ্টেণ্ডাৰ্ডলৈ আৰু ল'ৰাক অষ্ঠমান শ্ৰেণীলৈ ফিজ খিনি ৰেহাই দিয়াৰ ব্যৱস্থা কৰিব লাগে ।

মিঃ ডেপুটি স্পীকৰ :— আপুনি আৰু কিমান সময় ল'ব ? এতিয়া পাঁচটা বাজিল ।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— মই কালিলৈ কনটিনিউ কৰিম ।

Mr. Deputy Speaker :— The House stands adjoured till 10 A.M. tomorrow.

## ADJOURNMENT

The House then rose at 5 P. M. and stood adjourned till 10 A. M. on wednesday the 11th February, 1976.

DISPUR :
The 10th February, 1976.

P. D. BARUA
Seceretary,
Assam Legislative Assembly.